REFERENCE,
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

# Assam Legislative Assembly Debates

## *OFFICIAL REPORT*

FOURTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. XIV

## No. 22

**The 9th March, 1976**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI DISPUR, GUWAHATI-5, 1989*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

( *Budget Session* )

Volume—XIV

No. 22

**Dated the 9th March, 1976**

Contents


| | | Page |
|---|---|---|
| 1. | Questions | 1 |
| 2. | Voting on Demands for Grants | 31 |
| 3. | Matter Under Rule 301 | 89 |
| 4. | Adjournment | 92 |

Proceedings of the Fourteenth Session of the Assam Legislative Assembly Assembled after the Fifth General Elections under Sovereign Democratic Republican Constitution of India,

The House met in the Assembly Chamber, Dispur, Gauhati on Tuesday the 9th March, 1976 with the Hon. Speaker in the chair, 14 (Fourteen) Ministers, 5 (Five) Ministers of State, 1 (One) Deputy Minister, 71 (Seventy One) Members present.

## STARRED

## QUESTIONS AND ANSWERS

Date : 9th March, 1976

### Re : Recruitment of Superintending Engineer in Irrigation Department

Shri Giasuddin Ahmed asked :

*251. Will the Minister, Irrigation be pleased to state—

(a) Whether it is a fact that the Government is considering a proposal for Recruiting Superintending Engineers from Punjab for the Irrigation Department ?

(b) If so, why ?

(c) Whether there is a scope for promotion of existing

Executive Engineers or officers of equivalent rank to the post of Superintending Engineers on the basis of seniority-cum-merit ?

(d) If so, whether any selection has been made for such promotion ?

Shri Md. Umaruddin ( Minister, Irrigation ) replied :

251. (a)—No. But an Executive Engineer on deputation is proposed to be brought from Punjab.

(b)—For modernisation of Irrigation Schemes Command Area Development and Exploitation of Ground Water.

(c)—Officers to the rank of Superintending Engineers are promoted on the consideration of merit alone.

(d)—No.

Shri Giasuddin Ahmed—Sir, What is the procedure followed for promotion of Executive Engineers to the posts of Supdt. Engineers ?

Shri Md. Umaruddin (Minister)—Sir, we have got a selection Committee, at present consisting of 7 members of which, Secretary, Irrigation is the Chairman and Member Secretary of the Committee and the Dy. Secretary of the Irrigation Deptt., Secretary, Appointment, Secretary, B. F. C., Chief Engineer, Irrigation, Member, Construction of the Flood Control and Secretary, P. W. D.

Shri Giasuddin Ahmed—Sir, whether the selection Committee held any sitting for this purpose recently ?

Shri Md. Umaruddin (Minister )—Yes Sir, this is the procedure and it is followed.

Shri Giasuddin Ahmed—On what basis they select and prepare the penal for selection of officers for promotion ?

Shri Md. Umaruddin (Minister)—On the basis of their merits.

Shri Giasuddin Ahmed—On what basis merit is ascertained ?

Shri Md. Umairddin (Minister)—Sir, the basis on which merit is ascertained is very well known to the departmental Officers. During selction their Annual Confidential Reports, are also seen. There may be pending something against the Officers in the Anti Corruption Branch, Vigilence Cell, and all these things are taken together before selection is made.

Shri Dulal Chandra Khound—Hon'ble Minister has replied that an Executive Engineer will be brought on deputation, whether he is specialised in any matter and under what condition, he will be brought ?

Shri Md. Umaruddin (Minister)—Sir, we have made correspondence with the Govt. of Punjab for an Officer who has special knowledge of Command Area Development in the true concept of the term and therefore we want to have a man from outside on deputation for one or two years till our Officers get training on this line.

Shri Dulal Chandra Khound—Will it be of any permanent benefit to our State if we bring some Engineers from outside ?

Shri Md. Umaruddin (Minister)—We have deputed some

officers for study of the technique of Command Area Development in some advanced states like Madhya Pradesh and gather some experience of work under different agro-climatic conditions so that they are in a position to apply the same in our conditions.

Shri Dulal Chandra Khound—Sir, the Hon'ble Minister has replied that the topographican conditions is different in other States, May I know from the Minister if the topographical conditions and other things are different then how a person working in different topographical condition can come and work here ?

Shri Md. Umaruddin (Minister)—Sir, he will give training on the technical aspect. More so, he will see the condition and apply his technical expertise.

শ্ৰীকেহোৰাম হাজৰিকা—চিলেকচন কমিটিৰ লাষ্ট চিটিং কেতিয়া হৈছিল ? আৰু ইয়াত কোন কোন চিলেক্ট হৈছে ?

শ্ৰী মহম্মদ উমৰুদ্দিন (মন্ত্ৰী)—এইটো কনফিডেনচিয়েল কথা, এতিয়া জনাব নোৱাৰো ।

Shri Atul Saikia—Sir, the Hon'ble Minister has stated that the merit is one of the criteria, merit is the thing to be followed, may I know from the Hon'ble Minister how the physical manifesto of the merit is measured ?

Mr. Speaker—He has already replied.

Shri Chandra Bahadur Chetri—Mr. Speaker Sir, in Dibrugarh and particularly in Tinsukia there is no irrigation Division, whether the Hon'ble Minister will consider to appoint one Officer for Irrigation Division at Tinsukia ?

Shri Md. Umaruddin (Minister)—Sir, we have already started a division there.

Shri Giasuddin Ahmed—Sir, Hon'ble Minister has said that the selection is made on the basis of merit and that is the criterian. May I know if the selection committee makes serious mistakes in deciding the merit of a particular Officer then what is the remedy?

Shri Md. Umaruddin (Minister)—Sir, the selection is made absolutely on merit.

Shri Giasuddin Ahmed—Whether it is a fact that recently some preliminary selection has been made and there is a serious allegation against the selection to the effect that certain Officer against whom there are serious allegations have been selected for this purpose?

Shri Md. Umaruddin (Minister)—This may be private information.

Shri Subankar Singh—Sir, both public and private affairs concerning to the Assembly and I think we have got right in the House to know what is the affairs in respect of selection of Officer and why Hon'ble Minister do not desire to express before the House?

Shri Giasuddin Ahmed—Sir, whether it is fact that the Chief Minister received a public representation dt. 23rd Feb. 1976 and the copy of the same to the Prime Minister and to the President of all India Congress Committee, alleging that certain Officer who Committed great irregularities and illegalities has been selected

for the promotion to the post of Supdt. Engineer. If so, whether any investigation has been made in this matter ?

Shri Sarat Chandra Sinha (Chief Minister)—Sir, I want a notice on this.

বি : বিজনী তহশিল কাছাৰী ঘৰ

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰীয়ে সুধিছে :

*২৫২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কোকৰাঝাৰ মহকুমাৰ বিজনী তহশিল কাছাৰি ঘৰৰ অৱস্থা জৰাজীৰ্ণ হয়নে ?

(খ) যদি হয়, চৰকাৰে নতুনকৈ এই তহশিল কাছাৰী ঘৰ বন্ধাৰ কাৰণে কি ব্যৱস্থা হাতত লৈছে ?

ডাঃ ভূমিধৰ বৰ্মণ (ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৫২। (ক)—হয়।

(খ)—কোকৰাঝাৰৰ অতিৰিক্ত উপায়ুক্তই ইয়াৰ প্ৰতি ব্যৱস্থা লবলৈ চেষ্টা চলাইছে।

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰী—অধ্যক্ষ মহোদয়, এই বিজনী তহশিল কাছাৰী ঘৰৰ অৱস্থা চাই বিত্তীয় বছৰত কিবা এটা ব্যৱস্থা কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী)—এই বিষয়ে ইতিমধ্যে চেষ্টা চলোৱা হৈছে। সোনকালেই কিবা এটা কৰিব লাগিব।

Shri Muktadir Choudhury—Whether the financial provision has been made for this purpose ?

Dr. Bhumidhar Barman (Minister)—Not yet Sir.

## বি: অৰ্থ মঞ্জুৰী

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে:

*২৫৩। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম ৰাজ্যৰ ভৈয়ামৰ জনজাতি, অনুসূচীত জাতি আৰু ৰাজ্যৰ পিচপৰা জাতি সম্প্ৰদায় কেইটাৰ কল্যাণমূলক কামৰ অৰ্থে ৰাজ্য চৰকাৰে কেন্দ্ৰ চৰকাৰৰ পৰা বছৰি কিমানকৈ অৰ্থ মঞ্জুৰী পায় আৰু এই অৰ্থ মঞ্জুৰী পোৱাৰ নিয়ম কি ?

(খ) এনে অৰ্থ মঞ্জুৰী জনজাতি আৰু পিচপৰা জাতিৰ ভিতৰত কোনটোৱে কিমান পায় বিতংকৈ জনাবনে ?

(গ) যোৱা চাৰি বছৰত এনে অৰ্থ মঞ্জুৰীৰ হিচাবে এটা সদনত জ্ঞাতাৰ্থে দাঙি ধৰিবনে ?

(ঘ) এনে মঞ্জুৰী চৰকাৰে বঢ়াবৰ কিবা ব্যৱস্থা কৰিছে নেকি আৰু যদি কৰিছে, কেনেদৰে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

২৫৩। (ক)—অৰ্থ মঞ্জুৰী পোৱাৰ নিয়ম নাই।

(খ)—বিতং বিবৃতি সদনৰ মেজত দিয়া হ'ল।

(গ)—ৰাজ্যিক পৰিকল্পনা খণ্ড:

যোৱা চাৰি বছৰত কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ ৰাজ্যিক পৰিকল্পনা খণ্ডৰ অন্তভু‍ৰ্ক্ত "অনুষ্ঠানত জাতিসমূহৰ কল্যাণ আঁচনি" ক্ষেত্ৰত বিভিন্ন অনুন্নত জাতি গোষ্ঠীৰ কল্যাণ আঁচনিৰ বাবে দিয়া অৰ্থ মঞ্জুৰীৰ ব্যয়ৰ এটা হিচাব দিয়া হ'ল:—

ৰাজ্যিক চৰকাৰী খণ্ডৰ আঁচনি

১। কেন্দ্ৰীয় অৰ্থ মঞ্জুৰী (ঋণ ও অনুদান) আনুমানিক ব্যয় (লাখ টকা হিচাবত)

| অনুন্নত জাতি গোষ্ঠী | ১৯৭১-৭২ | ১৯৭২-৭৩ | ১৯৭৩-৭৪ | ১৯৭৪-৭৫ |
|---|---|---|---|---|

| | | | | |
|---|---|---|---|---|
| ১। অনুসূচীত জনজাতি (ভৈয়াম) | ৫৩'৭৮ | ৪৪'৭৫ | ৫০'৯৬ | ৬৪'০০ |
| ২। অনুসূচীত জাতি | ২২'৮০ | ২০'৫০ | ২৪'০৩ | ১৬'৮০ |
| ৩। অন্যান্য পিচ-পৰা জাতি সমূহ | ১৫'৬০ | ১৭'৩৪ | ১৮'১২ | ১২'৭৭ |

২। কেন্দ্ৰীয় চৰকাৰে পৃষ্ঠপোষকতা কৰা আঁচনি যোৱা চাৰি বছৰত কেন্দ্ৰীয় চৰকাৰে দিয়া অৰ্থ মঞ্জুৰীৰ হিচাব তলত দিয়া হ'ল ।

কেন্দ্ৰীয় অৰ্থ মঞ্জুৰীৰ (অনুদানৰ) (ব্যয় লাখ টকা হিচাবত)

| অনুন্নত জাতি গোষ্ঠী | ১৯৭২-৭৩ | ১৯৭৩-৭৪ | ১৯৭৪-৭৫ | ১৯৭৫-৭৬ |
|---|---|---|---|---|
| অনুসূচীত জাতি | ১২'০০ | ৯'৪৫ | ৫'২৫ | ২২'৪৫ |
| অনুসূচীত জনজাতি— | | | | |
| ১। পৰ্বতীয়া | ১২'১০ | ১১'৪৫ | ১৬'৫০ | ২'১০ |
| ২। ভৈয়ামবাসী | ১৪'৩০ | ১০'৭৩ | ২০'০২ | ২২'৯০ |

(ঘ)—১। ৰাজ্যিক পৰিকল্পনা খণ্ড

ৰাজ্যিক পৰিকল্পনা খণ্ডৰ অন্তৰ্ভুক্ত "অনুন্নত জাতিসমূহৰ কল্যাণ আঁচনি"ৰ বাবে পঞ্চম-পৰিকল্পনাৰ কালছোৱাত মুঠ ৫ কোটি টকা ধাৰ্য্য কৰা হৈছে । এই ধনৰ ভিতৰত আগেয়ে (ক)ত উল্লেখ কৰাৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ মঞ্জুৰীৰ পৰিমাণ নিৰ্ভৰ কৰিব । সম্প্ৰতি এই অনুন্নত জাতিৰ কল্যাণ আঁচনিৰ ধনৰ পৰিমাণ বৃদ্ধি কৰাৰ ব্যৱস্থা কৰা হোৱা নাই ।

২। কেন্দ্ৰীয় চৰকাৰে পৃষ্ঠপোষকতা কৰা আঁচনি :

কেন্দ্ৰীয় চৰকাৰে পৃষ্ঠপোষকতা কৰা অনুন্নত জাতিৰ কল্যাণ আঁচনিৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰতি বছৰে বৰ্ধিত হাৰত অৰ্থ মঞ্জুৰী দি থাকে ।

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, (ক) প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে মঞ্জুৰী
পোৱাৰ নিয়ম নাই বুলি কৈছে। যদি নিয়মেই নাই পোৱা ধন
কি ভিত্তিত পায়। মঞ্জুৰী পোৱাৰ নিয়ম যদি নাই খৰছ কৰাৰ
কি নিয়ম আছে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)—এই শিতানত প্ৰত্যেক যোজনা কালত যোজনাৰ
অন্তৰ্ভুক্ত কালচোৱাত এই শ্ৰেণীৰ লোকৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে
বিশেষ উদ্দেশ্যৰে টকা আগবঢ়াই আৰু সেইমতে ৰাজ্যচৰকাৰে ভাগ পায়।

শ্ৰীসোনেশ্বৰ বৰা—(গ) প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে যিটো হিচাব দিছে ব্যয়ৰ
সেই টকা কিমান পোৱা হৈছে আৰু কি ভিত্তিত ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)—যিখিনি খৰছ কৰা হৈছে সেইখিনি মঞ্জুৰীৰ টকা।

শ্ৰীসোনেশ্বৰ বৰা—মঞ্জুৰীৰ সমুদায় টকা খৰছ হৈছে নে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)—খৰছ হৈছে।

শ্ৰীসোনেশ্বৰ বৰা—মন্ত্ৰী মহোদয়ে (গ) প্ৰশ্নৰ উত্তৰত ব্যয়ৰ হিচাবত পৰ্বতীয়া
জনজাতিৰ কাৰণে ১৯৭৫-৭৬ চনৰ কাৰণে ২·১০ লাখ টকা খৰছ কৰা
হৈছে বুলি কৈছে। কিন্তু ইয়াৰ আগৰ কেইবছৰত ১৯৭৪-৭৫ চনত ১৩·৫০,
১৯৭৩-৭৪ চনত ১১·৪৫, ১৯৭২-৭৩ চনত ১২·১০ লাখ টকা ব্যয় হোৱা
দেখুৱাইছে কিন্তু পাচৰ ফাললৈ অৰ্থাৎ ১৯৭৫-৭৬ চনত ২·১০ লাখ
টকালৈ কমি যোৱাৰ কাৰণ কি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)—এই টকা কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাৰ পৰা
পোৱা হৈছে আৰু সেই হিচাপে দেখুৱাই দিয়া হৈছে।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুৰী—অধ্যক্ষ মহোদয়, এই অনুন্নত সম্প্ৰদায়ের
লোকের উন্নতি করার জন্য প্রশ্নগুলির যে জবাব মন্ত্রী মহোদয় দিয়েছেন,
এই সমূহ জবাবে মনে হয় অনুসূচীত জাতি সহ অন্যান্য যত অনুন্নত
সমাজের লোক আসাম রাজ্যের ভিতরে আছে তাদের সংখ্যা যেমন লাখ
লাখ তেমনি লাখ লাখ টাকাও এজন্য খরচ করা হয়েছে। তাই
আমি মন্ত্রী মহোদয়ের কাছ থেকে জানতে চাই অনুসূচীত জাতি ছাড়া
অন্যান্য অনুন্নত সম্প্রদায়ের কত লাখ লোকের উন্নতি করতে আজ

পর্যন্ত সরকার সমর্থ হয়েছেন ?

শ্রীউত্তম চন্দ্র ব্রহ্ম (মন্ত্রী)—মই প্রশ্নটো ভালকৈ বুজা নাই।

শ্রীমৌলনা আব্দুল জলিল চৌধুৰী—এই যে লক্ষ্য লক্ষ্য টকা খৰছ কৰা বুলি আমাক জনাইছে এই লক্ষ্য লক্ষ্য টকা খৰচ কৰা হৈছে হয় কিন্তু কিমান লক্ষ্য মানুহৰ পৰা ইয়াৰ উন্নতি হৈছে মন্ত্রী মহোদয়ে জনাবনে ?

শ্রীউত্তম চন্দ্র ব্রহ্ম (মন্ত্রী)—কিমানৰ উন্নতি হৈছে সেই পৰিসংখ্যাটো উলিয়াব পৰা নাই। কিন্তু আমাৰ দেশৰ অগ্ৰগতিলৈ লক্ষ্য কৰি সাধাৰণতে কিমান আগবাঢ়িছে তাক নিৰ্ণয় কৰিব পৰা যায়। বিশেষকৈ বিভিন্ন শিতানত যি পৰিপূৰক টকা দিয়া হয় তাৰে বেছিভাগ টকাই শিক্ষাৰ শিতানত খৰছ কৰা হয়। গতিকে ইয়াৰ দ্বাৰা নিশ্চয় শিক্ষাত উন্নতি হৈছে।

শ্রীমৌলানা আব্দুল জলিল চৌধুরী—মহোদয়, এই সংবিধান অনুযায়ী এদের উন্নতির জন্য প্রতি বৎসর পরিকল্পনায় এত টাকা বরাদ করা হচ্ছে তার পরিপ্রেক্ষিতে এদের উন্নতি বা অবনতির হিসাব যদি তিনি বুঝতে না পারেন তাহলে এই টাকা খরচ করার অর্থ কি ?

শ্রীউত্তম চন্দ্র ব্রহ্ম (মন্ত্রী)—শিক্ষাৰ ক্ষেত্রত উন্নতি হোৱাটো পৰিলক্ষিত হৈছে। কিন্তু অৰ্থনৈতিক ক্ষেত্রত গোটেই কথাটো দেশৰ অৱস্থাৰ ওপৰত সম্পূর্ণ নিৰ্ভৰ কৰে।

শ্রীমৌলানা আব্দুল জলিল চৌধুরী—অন্যক্ষেত্রে প্রয়োজন নাই। কেবল শিক্ষার ক্ষেত্রে কত সংখ্যক অনুন্নত সমাজের লোক কোন পর্য্যায় থেকে কোন পর্য্যায়ে উন্নতি লাভ করলো তা বলতে পারেন কি ?

শ্রীউত্তম চন্দ্র ব্রহ্ম (মন্ত্রী)—এই প্রশ্নটোৰ এটা নতুন প্রশ্ন দিলেহে উত্তৰ দিব পাৰিম।

Shri Charan Narzary—May I know whether there is any machinery through which the developmental programmes of the Scheduled Castes, Scheduled Tribes and Other Backward Classes are executed ?

Shri Uttam Chandra Brahma (Minister)—Through different departments.

শ্ৰীগিয়াচুদ্দিন আহমেদ—ভৈয়ামৰ জাতি, অনুসূচিত জাতি আৰু পিচপৰা সম্প্ৰদায়ৰ বিভিন্ন ক্ষেত্ৰত উন্নতিৰ কাৰণে যথেষ্ট টকা খৰছ কৰিছে। চৰকাৰে এই কথাটো সম্পৰ্কে সচেতন নে যে যিমান টকা খৰছ কৰা হৈছে এই খৰছৰ ক্ষেত্ৰত উক্ত সম্প্ৰদায়ৰ মাজত তেলিৰ মূৰত তেল দিয়াৰ ব্যৱস্থা হৈছে আৰু আচল সৰ্বহাৰা শ্ৰেণীৰ কোনো উপকাৰ হোৱা নাই ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)—তেলিৰ মূৰত যাতে তেল নপৰে তাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ—তেলিৰ মূৰত তেল যাতে নপৰে, তাৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈছে বুলি কৈছে। কি কি ব্যৱস্থা হাতত লৈছে সেইটো জনাবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)—আমাৰ এই বিভিন্ন ভাগৰ টকা বিতৰণৰ মহকুমা এডভাইচাৰী কমিটি আছিল। কিন্তু এতিয়া উন্নয়ন বোৰ্ড গঠন কৰা হৈছে। বিভিন্ন শিতানৰ টকা বিতৰণ কৰোতে যাতে অত্যন্ত গৰীব মানুহে পায় তাৰ কাৰণে লক্ষ্য ৰখাৰ কাৰণে কোৱা হৈছে।

শ্ৰীপিটচিং কোৱৰ—অধ্যক্ষ মহোদয়, ১৯৭৪-৭৫ চনত ট্ৰাইবেল এৰিয়া বিভিন্ন দিশত গোটেই অসমতে চাৰভে কৰিছিল। সেই কাগজ বিলাক কি হ'ল ? সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)—নতুন প্ৰশ্ন দিলে, ভাল হয়।

শ্ৰীপ্ৰেম বৰা—এই অনুসূচীত সম্প্ৰদায়ৰ উন্নতিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰৰ আঁচনি অনুযায়ী অনুদান দিয়ে নে, টকাটো দিয়াৰ পাচত ৰাজ্য চৰকাৰে আঁচনি কৰে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)—কেন্দ্ৰীয় খণ্ডৰ বেছিভাগ টকা বৰাদ্দ কৰা হয়।

শ্ৰীপ্ৰেম বৰা—আমাৰ ট্ৰাইবেল এডভাইচাৰী বোৰ্ড হৈছে. পিচপৰা সম্প্ৰদায়ৰ বাবে বিশেষ আঁচনিও লোৱা হৈছে। এই আঁচনি বিলাক আঁচনি লৈ মঞ্জুৰী

লোৱা হয় নে মঞ্জুৰীৰ ওপৰত আঁচনি হয় ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী )—কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা পোৱাৰ লগে লগে আঁচনি প্ৰস্তুত কৰা হয় ।

শ্ৰীজগদীশ দাস—মন্ত্ৰী মহোদয়ে ( ঘ ) প্ৰশ্নৰ উত্তৰত কৈছে যে, উন্নত জাতি সমূহৰ উন্নতিৰ কাৰণে পঞ্চম পৰিকল্পনাত ৫ কোটি টকা দিছে । নিয়ম মতে ৬ কোটি ২৫ লাখ টকা হব লাগিছিল । এই বিষয়ে কেন্দ্ৰীয় চৰকাৰে কি পৰামৰ্শ আগবঢ়াইছে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)—কেন্দ্ৰীয় চৰকাৰে পঞ্চম পৰিকল্পনাত সম্প্ৰতি ৫ কোটি টকা ধাৰ্য্য কৰিছে ।

শ্ৰীগিয়াছুদ্দিন আহমেদ—মন্ত্ৰী মহোদয়ে কৈছে, গৰীব শ্ৰেণীয়ে যাতে পায় তাৰ কাৰণে বোৰ্ড গঠন কৰি দিয়া হৈছে । মন্ত্ৰী মহোদয়ে, এনেকুৱা কিবা অভিযোগ পাইছে নেকি যে গৰীবৰ নামত বিতৰণ কৰা টকা আচলতে গৰীব মানুহে পোৱা নাই ? এই খবৰ মন্ত্ৰী মহোদয়ৰ আছে নেকি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী )—বিভিন্ন সময়ত বিভিন্ন ধৰণৰ অভিযোগ আহি থাকে । কিন্তু গৰীব জনসাধাৰণে যাতে অনুদান পায় তাৰ কাৰণে চেষ্টা কৰি থকা হৈছে ।

Shri Atul Chandra Saikia—Sir, may I know from the Hon'ble Minister whether to obtain financial grants from the centre, the State Govt. is to make a matching contribution to that effect and this is one of the reasons for which the grant of Rs. 6 crores 25 lakhs have been reduced to 5 lakhs because we fail to make a matching contribution to that effect.

Shri Uttam Chandra Brahma ( Minister )—This is not the fact, Sir.

Shri Charan Narzari—Sir, we know that to expedite the developmental programmes for the backward people,

certain machineries have been set up, like the Tribal Development Corporation, O. B. C. Development Corporation etc., Whether it is a fact that the expenditure required for maintaining all these machineries are met out of the funds allocated by the Central Govt., meant for the developmental activities among those people and whether the Govt. consider all these machineries superfluous as the W.B.C. Department has its full fledged Secretariat well equipped with Secretaries, Deputy Secretaries, Under Secretaries and other staff ?

Shri Uttam Chandra Brahma (Minister)—Hon'ble member has mentioned about set up of certain Corporation. So I want a new question on it.

শ্ৰীকবীৰ ৰায় প্ৰধানী—যিবিলাক পিচপৰা সম্প্ৰদায় আছে, তাৰ ওপৰিও আন আন ঠাইত পিচপৰা কিছুমান সম্প্ৰদায় আছে। আৰু এই সকলক এই পিচপৰা সম্প্ৰদায়ৰ লগত ৰিকগনাইজ কৰিব লাগে বুলি দৰখাস্ত দিয়া হৈছিল। সেই বিষয়ত কিবা কৰিছে নেকি?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)—বিভিন্ন সময়ত বিভিন্ন ভাৱে চৰকাৰে কৰি থাকে।

মৌলানা আব্দুল জলিল চৌধুরী—মহোদয়, বৃষ্টি যদি আকাশ থেকে মাটিতে না পরে তাহলে যেমন মানুষের কোন উপকার হয়না, ঠিক তেমনি অনুন্নত সম্প্রদায়ের লোকদের জন্য যে লক্ষ লক্ষ টাকা খরচ হচ্ছে সে টাকা সেই প্রকৃত লোকদের হাতে না পড়ার দরুন কোন কাজ হচ্ছে না—মন্ত্রী মহোদয় এ কথা স্বীকার করেন কি? যদি করেন তাহলে এজন্য কি ব্যবস্থা গ্রহণ করছেন। যদি ব্যবস্থা গ্রহণ না করেন তাহলে উদ্বাস্তু পুর্ণবাসনের মতো এরও হাল হবে কি?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)—এই কথা সত্য নহয়। যি সম্প্ৰদায়ৰ কাৰণে এই টকা ধৰা হৈছে সেই সম্প্ৰদায়ৰ কাৰণেই খৰচ কৰা হৈছে।

শ্ৰীউপেন, সনাতন—মন্ত্ৰী মহোদয়ে কৈছে যে অনুন্নত সম্প্ৰদায়ৰ কাৰণে বহুত সাহাৰ্য্য দিছে। কিন্তু গাওঁৰ যিবিলাক দুখীয়া মানুহ আছে অৰ্থাৎ যিবিলাক স্কুল আছে তাৰ ঘৰৰ চাল নাই, পানী পৰে বেৰৰ চাল নাই কিন্তু সেই সকলে সাহাৰ্য্য পোৱা নাই। টাউনত থকা চুট পেন্ট কৰা দুখীয়া বিলাকক সাহাৰ্য্য দিয়া হৈছে নেকি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী)—মই কৈছোঁয়েই যে এই পলিচিটোৰ কাৰণে উন্নয়ন বোৰ্ড গঠন কৰি দিয়া হৈছে। আৰু তেওঁলোকৰ বিবেচনা অনুসৰি দুখীয়া সকলক সাহাৰ্য্য দিবলৈ কোৱা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড—মন্ত্ৰী মহোদয়ে এটা কথা স্বীকাৰ কৰিছে যে, দুখীয়া মানুহে যে প্ৰকৃত সাহাৰ্য্য পোৱা নাই এনে ধৰণৰ অভিযোগ তেখেতে পাইছে। কিন্তু এনে ধৰণৰ অভিযোগ তেখেতে পাইছে নেকি যে এই কমিটিৰ সদস্যৰ পৰিয়ালৰ এই মঞ্জুৰীৰ দ্বাৰা বিকাশ লাভ হৈছে ?

Shri Giasuddin Ahmed—Sir, the Minister has indirectly admitted that there are serious allegations about mal-distribution of financial benefits to these communities and in fact this system is very defective. So will the Govt. streamline the system of distribution of financial aid to the Scheduled Caste and backward communities.

Shri Uttam Ch. Brahma (Minister)—I have not admitted that the system of distribution is very defective for which the genuine people are not getting the grant. To avoid that the Govt. has constituted Sub-divisional Development Board through which these different grants are being distributed.

Starred Question No. 254 was not put, the member being absent.

বি : অসম ৰাজ্যিক সৈনিক, নাবিক আৰু বায়ুসেনা পৰিষদ

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

*২৫৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম ৰাজ্যিক সৈনিক, নাবিক আৰু বৈমানিক মণ্ডলৰ সদস্য সকল কোন কোন ?

(খ) এই মণ্ডলৰ মুখ্য কাম কি কি ?

(গ) প্ৰাক্তন সৈনিক আৰু তেওঁলোকৰ পৰিয়াললৈ চৰকাৰে কি কি সুবিধা প্ৰদান কৰি আছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

২৫৫ (ক)—সৈনিক, নাবিক আৰু বায়ুসেনা পৰিষদৰ (এতিয়া ৰাজ্য সৈনিক পৰিষদ) চৰকাৰী আৰু বেচৰকাৰী সদস্য সকলৰ এখন তালিকা সদনৰ মেজত পেচ কৰা হৈছে।

(খ)—সৈনিক, নাবিক আৰু বায়ুসেনা পৰিষদৰ (এতিয়া ৰাজ্য সৈনিক পৰিষদ) মুখ্য কাৰ্য্যসূচী সমূহ হৈছে—

১। জিলা সৈনিক পৰিষদৰ কাৰ্য্যসূচীৰ অসম ৰাজ্য সৈনিক পৰিষদৰ লগত সমন্বয় ৰখা।

২। প্ৰাক্তন সৈনিক সকলৰ আৰু বৰ্তমানে চাকৰিয়াল সৈনিক সকলৰ পৰিয়ালৰ অৰ্থে কল্যাণমূলক আৰু উন্নয়নমূলক ব্যৱস্থা লোৱা।

৩ জনসাধাৰণৰ মাজত দেশৰ সৈন্য বাহিনীৰ বিষয়ে তথ্য প্ৰচাৰ কৰা আৰু সৈন্য বাহিনীত থকা আকৰ্ষণীয় বিষয় সমূহৰ প্ৰতি বাপ জগাই তুলিবলৈ যত্ন লোৱা।

(গ)—এই ক্ষেত্ৰত অসম চৰকাৰে প্ৰাক্তন সৈনিক আৰু চাকৰিয়াল সৈনিক সকলৰ আৰু তেওঁলোকৰ অধীনস্থ সকলৰ অৰ্থে অনুমোদন কৰি দিয়া সা সুবিধা সমনুদান (বেহাই) সম্পৰ্কৰ তালিকা পুস্তিকাত ভুক্ত কৰা আছে। ইয়াৰ এখন তালিকা সদনৰ মেজত পেচ কৰা হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া—মাননীয় অধ্যক্ষ মহোদয়, অসম ৰাজ্যিক সৈনিক, নাবিক আৰু বৈমানিক সেনা পৰিষদক আমাৰ ৰাজ্য চৰকাৰে কিবা অনুদান দিয়ে নেকি আৰু যদি দিয়ে, কিমান দিয়ে আৰু কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত কিবা দিয়ে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—কিমান আগবঢ়াই সেইটো ইয়াত নাই, সহায় ভালেখিনি আগবঢ়ায়।

শ্ৰীলক্ষীকান্ত শইকীয়া—আমাৰ ৰাজ্যখনৰ এই সেনা বাহিনীৰ পৰিষদত সভ্য হিচাবে কিমান আছে, ইয়াৰ পৰিসংখ্যা দিব পাৰিব নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখমন্ত্ৰী)—বোৰ্ডৰ সভ্য নে তেওঁলোকৰ সংখ্যা ?

শ্ৰীলক্ষীকান্ত শইকীয়া—আমাৰ ৰাজ্যখনত এক্স চাৰভিচমেন কিমান আছে সেই বিষয়ে জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী )—এই সংখ্যাটো যি খন পুস্তিকা সদনৰ টেবুলত ৰখা হৈছে তাত বিতং কৈ দেখুৱা হৈছে। এই পুস্তিকা খনৰ চতুৰ্থ পৃষ্ঠাত আছে—

| জিলাত | — | প্ৰাক্তন সেনা বাহিনীৰ আনুপাতিক হিচাব |
|---|---|---|
| ১। গোৱালপাৰা | — | ৮৯০৭ |
| ২। কাছাৰ জিলা | — | ৭,৫০০ |
| ৩। শিৱসাগৰ | — | ২১৬২ |
| ৪। ডিব্ৰুগড় | — | ২৯৭০ |
| ৫। মিকিৰ হিল্‌চ | — | ২১০৭ |
| ৬। কামৰূপ | — | ৯৫৬৩ |
| ৭। নগাওঁ | — | ৬৯৫৫ |
| ৮। দৰং | — | ২৯৪৭ |
| ৯। লক্ষীমপুৰ | — | ২১৬৭ |
| ১০। এন, চি, হিল্‌চ | — | ২০১০ |
| | মুঠ — | ৪৭,২৮৮ জন |

শ্ৰীচন্দ্ৰ বাহাদুৰ ছেত্ৰী—মন্ত্ৰী ডাঙৰীয়াই জনাবনে কি এই পৰিষদৰ সৈনিক বাহিনীৰ পৰিষদ প্ৰত্যেক জিলাতে আছে নেকি ? কোন কোনে ঠাইত আছে জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—প্ৰত্যেক জিলাতে আছে। কোনো কোনো জিলাত সক্ৰিয় আৰু কোনো কোনো জিলাত নিষ্ক্ৰিয় হৈ আছে।

শ্ৰীঅতুল শইকীয়া সৈনিক বিভাগত এই যি সকল মানুহৰ কথা কোৱা হৈছে তাত অসম ৰাইফলছৰ সেনাবাহিনীকো সামৰি লোৱা হয় নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—ঠিক কোৱাতো টান। যিমান দূৰ সম্ভৱ লোৱা হয়।

শ্ৰীকবীৰ ৰায় প্ৰধানী—এই সৈন্য বাহিনীৰ প্ৰাক্তন সেনা সকলক কোনো প্ৰকাৰৰ সহায় আগবঢ়োৱাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—অসম ৰাজ্যিক সৈনিক, নাবিক আৰু বায়ুসেনা পৰিষদৰ গুৱাহাটীৰ অফিচৰ পৰা এখন ব্ৰুচাৰ পাবলিচ কৰা হয়। তাত বিতংভাৱে দেখুৱা হৈছে। এই কিতাপখন আমি সকলোকে দিবলৈ চেষ্টা কৰিম। তেওঁলোকে সেই কিতাপখন পঢ়ি কিবা পালে তেওঁলোকে কিছুমান পৰামৰ্শ আগবঢ়াব পাৰে। যিমানদূৰ ব্যৱস্থা কৰা হয়, সেই কিতাপখনৰ পৰাই পৰিষ্কাৰ হ'ব।

শ্ৰীআব্দুল জলিল চৌধুৰী—অধ্যক্ষ মহোদয়, এই ৪৭ হাজার প্রাক্তন সৈনিক কি শুধু আসাম রাজ্যের নাগরিক ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—অসমৰ বুলি কোৱা হয়, অসমৰে নাগৰিক।

শ্ৰীসোনেশ্বৰ বৰা—যেতিয়া কামত মকৰল কৰা হৈছিল তেতিয়াৰ পৰাই অসমৰ নাগৰিক নে অৱসৰ লোৱাৰ পিচত অসমৰ নাগৰিক হ'ল ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—সেই কথাটো কোৱা টান।

## Re : Lessees of Fisheries

Shri Mal Chandra Pegu asked :

*256. Will the Minister, Fisheries be pleased to state—

(a) Whether the Government is aware that almost all the lessees of fisheries of the State have incurred losses during the year 1975 for want of sufficient fishes in the fisheries ?

(b) If so, whether Government comtemplate for giving them relief by settling the fisheries with them for another period of three years at nominal annual value ?

(c) If not, the steps taken by Government in this regard ?

(d) Whether the State Fishery Advisory Committee has given any suggestion in this respect ?

Shri Upendra Das ( Minister, Fisheries ) replied :

256. (a)—Some lessees submitted complaint that they have incurred loss due to scarcity of fishes.

(b)—No.

(c)—Complaints are under enquiry and necessary action will be taken on receipt of the enquiry report.

(d)—No.

Snri Mal Chandra Pegu—Sir, the Minister has replied that he has received applications from the lessees informing that they incurred loss during the year 1975. If so, whether Govt. contemplate giving remission to these lessees ?

Shri Upendra Chandra Das ( Minister )—After receipt of the report it will be considered by Govt. whether

they are suitable for giving relief.

Shri Mal Chandra Pegu—Whether there is rule for giving extension to those lessees who have incurred losses beyond their control ?

Shri Upendra Chandra Das ( Minister )—There is provision for giving extension of the lease for making good the loss but this time we have decided not to give any extension.

Shri Mal Chandra Pegu—If extension is not given whether Govt. will think of giving remission to those lessees who have incurred losses.

Shri Upendra Chandra Das ( Minister )—No extension will be given this time.

শ্ৰীকন্দৰ্প দাস—মন্ত্ৰী মহোদয়ে জনাইছে যে যিবিলাক মীন মহলৰ লোকচান হয় সেই মীন মহলক ৰিভিজন দিয়া হয়, তেনে ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে জনাবনে যে যোৱা ৪ বছৰৰ ভিতৰত কিমানক ৰিভিজন দিয়া হ'ল ?

শ্ৰীউপেন্দ্ৰ দাস ( মন্ত্ৰী )—সেইটো বেলেগ প্ৰশ্ন ।

Shri Abdul Muqtadir Choudhury—How many comptaints have been received by the Minister ?

Shri Upendra Chandra Das ( Minister )—The number is not with me.

Shri Giasuddin Ahmed—Whether Govt. will repeal that provision for extension laid down in the rules ?

Shri Upendra Chandra Das ( Minister )—We are thinking of it.

Shri Giasuddin Ahmed—When this will be repealed ?

Shri Upendra Chandra Das ( Minister )—Govt. is thinking about it.

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া—এই মাছৰ পৰা লাভ হলে চৰকাৰে এপইচাও নাপায়। কিন্তু লোকচান হলে মীন মহলবিলাকক কিয় ৰাহী দিব লাগে এই কথাটো বুজি নাপাও, গতিকে এনে অৱস্থাত ৰাহী দিয়া কথাটো চিন্তা কৰি চাবনে ?

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী—এই মহল বিলাক প্ৰাইভেট নে কো-অপাৰেটিভ ?

শ্ৰীউপেন্দ্ৰ দাস ( মন্ত্ৰী )—দুয়োটাই আছে।

Shri Abdul Muqtadir Choudhury—Whether it is a fact that many of the lessees did not incur any loss ?

Shri Upendra Chandra Das ( Minister )—When the report comes we will see.

### Re : Criminal Cases

Shri Abdul Muqtadir Choudhury asked :

*257. Will the Minister, Law be pleased to state the total number of Criminal Cases pending for disposal for more than 2 ( two ) years at Karimganj ?

Shri Syed Ahmed Ali ( Minister, Law ) replied :

257.—361.

Shri Abdul Muqtadir Choudhury—Sir, may I know how many of such cases are pending for more then 7 years ?

Shri Syed Ahmed Ali ( Minister )—Sir, the question was for more than 2 years and that number I have coll-

ected. I have not collected the number of cases pending for more than 7 years.

Shri Abdul Muqtadir Choudhury—Sir, How many judicial Magistrates are working at Karimganj at present.

Shri Syed Ahmed Ali (Minister)—So far I remember probabley there are three Judicial Magistrates including Sub-Divisional Magistrates.

Shri Abdul Muqtadir Choudhury—Sir, the fact is that, one Magistrate has been transferred one year back but no substitute has been placed there.

Shri Syed Ahmed Ali (Minister)—It may be Sir. But the question of transfer of the Judicial Magistrates depends on the High Court, it does not rest with Law Department.

Shri Giasuddin Ahmed—Sir, may I know whether the Government has made any enquiry into the cases of those unusual delay in disposal of the cases ?

Shri Syed Ahmed Ali (Minister) Yes Sir, enquiry was made. The reasons for delay in disposing of the cases are, particularly in the Karimganj Sub-Division including other two Sub-Divisions are due to language trouble. Indo-Bangla trouble and also due to fire that broke out in the Court House at Karimganj for which files have to be shifted and have to be reconstructed, which took much time. As a result normal administrative work suffered and the Officers were busy otherwise. These are the reasons for delay in disposing of the cases.

মৌলানা আব্দুল জলিল চৌধুরী—অধ্যক্ষ মহোদয়, এই কেস্ গুলির দেরী হওয়ার কারণ মন্ত্রী মহোদয় বলেছেন। কিন্তু বর্তমান জরুরী অবস্থার পরিপ্রেক্ষিতে সরকারের তরফ থেকে এই বিচার বিভাগকে এ সম্পর্কে একটা ব্যবস্থা অনতিবিলম্বে গ্রহণ করেতে নির্দেশ দেওয়া সম্ভব হবে কি ?

চৈয়দ আহ্মদ আলী (মন্ত্রী)—ব্যবস্থা বল্তে, সভার, আমরা শুধু উচ্চ ন্যায়ালয়কে জানাতে পারি এবং তারা এই জুডিসিয়েল ম্যাজিষ্ট্রেটকে কেস্গুলি তাড়াতাড়ি ডিস্পোজ করার নির্দেশ দিতে পারে। কিন্তু অনেক সময় এই কেস্গুলি নীচে থেকে তৈরী হয়ে না আসার জন্য তাদেরে জানালেও কাজ হয়না।

শ্রীজগদীশ চন্দ্র দাস—মন্ত্রী মহোদয়ে কৈছে যে, ক্রিমিনেল কেচ এতিয়ালৈকে পেনদিং হৈ আছে ৩৬১ টা। ইয়াতে বহুতো দুখীয়া মানুহৰ কেচো আছে। গতিকে এই দুখীয়া লোক সকলৰ কেচ বিলাক সোনকালে দিচপজ কৰিবৰ কাৰণে চেষ্টা কৰিবনে ?

চৈয়দ আহমেদ আলী (মন্ত্রী)—অধ্যক্ষ মহোদয়, এই প্রশ্ন আৰু উত্তৰৰ মাজত কোনো দুখীয়া মানুহৰ কথা নাই। যদি আছে তাৰ কাৰণে ব্যৱস্থা কৰিবলৈ চেষ্টা কৰা হব।

Starred Question No. 258 was not put, the member being absent.

## Re : Provincialisation of Services of School Teachers and College Teachers

Shri Chandra Bahadur Chetri asked :

*259. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that Government have decided to provincialise the services of teachers of M. E., High, Higher Secondary and Colleges under deficit system ?

(b) If so, since when the services of the above teachers will be provincialised ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

259. (a)—The matter is under Examination of the Government.

(b)—Does not arise.

Shri Chandra Bahadur Chetri—Sir, the Minister has said that the matter is under consideration. Now, I want to ask whether the Govt. will consider to take over the buildings also after provincialisation of the services of the teachers ?

Smti Anowara Taimur (Minister)—Sir, I have already told that the matter is under exam nation.

Shri Giasuddin Ahmed—Sir, the Minister has said that the matter is under consideration. May I know at what stage this consideration is pending ?

Smti Anowara Taimur (Minister)—Sir, information required for provincialisation is being collected and when it is collected final decision will be taken.

Shri Dulal Chandra Khound—Sir, may I know whether the Govt., for smooth functioning of the teachers will discuss the matter with teachers before taking final decision ?

Smti Anowar Taimur (Minister)—Sir, if they come forward we may discuss.

Shri Dulal Chandra Khound - Sir, the reply is given in a

very peculiar manner. It is the duty of the Government to invite them for the discussion.

Shri Sarat Chandra Sinha (Chief Minister)—Sir, there is no harm in discussing with the teachers.

Shri Premodhar Bora—Sir, may I know what is the financial implication on this provincialisation ?

Smti Anowara Taimur (Minister)—Sir, it is not yet assessed.

শ্ৰীকবিৰ ৰায় প্ৰধানী—চৰকাৰে যে এই প্ৰভিনচিয়েলাইজৰ কথা চিন্তা কৰি আছে, এই প্ৰভিনচিয়েলাইজ কি ভিত্তিত কৰিব ? এই ক্ষেত্ৰত চৰকাৰে সমদৃষ্টি দিবনে ? লগতে আমাৰ পিচপৰা অনুন্নত অঞ্চল বিলাকত যিবিলাক স্কুল ঘৰ আছে সেইবিলাকো প্ৰভিনচিয়েলাইজ কৰিবৰ চেষ্টা কৰিবনে ?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, যিবিলাক স্কুল দেফিচিট হৈছে স্কুল বিলাকৰ চাকৰীয়ালৰ সেৱা প্ৰভিনচিয়েলাইজ কৰা হব।

শ্ৰীকবিৰ ৰায় প্ৰধানী—যিবিলাক এদভান্স এলেকা সেইবিলাক ঠাইৰ স্কুল বিলাক প্ৰভিনচিয়েলাইজ কৰাৰ দৰে বেকওৱাৰ্ড এলেকা বিলাকৰ স্কুল বিলাকো প্ৰভিনচিয়েলাইজ কৰা হবনে ?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—এইটো নিশ্চয় কৰা হব।

মৌলানা আব্দুল জলিল চৌধুৰী—মহোদয়, কতগুলি এই ৰকম স্কুল অনুন্নত অঞ্চলে আছে সেগুলিকে ডেফিচিট সিষ্টেমে নেয়া হবে ? এগুলির ব্যাপারে কি চিরাচরিত ব্যবস্থা অবলম্বন করা হবে না কোন বিশেষ ব্যবস্থা নেয়া হবে ?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—এখন স্কুল প্ৰভিন্সিয়েলাইজ হবলৈ হলে প্ৰথমে পাৰমিচন, তাৰ পিচত ৰিকোগনেচন তাৰ পিচত ডেফিচিট নিয়ম মতে হব লাগিব। গতিকে পিচপৰা অঞ্চল বিলাকত থকা স্কুল বিলাককো যাতে সোনকালে আনিব পৰা হয় তাৰ কাৰণে নিয়ম কিছু ঢিলাই দিয়াৰ চিন্তা কৰা হৈছে।

শ্ৰীচন্দ্ৰ বাহাদুৰ ছেত্ৰী—এম-ই স্কুলৰ পৰা কলেজলৈকে চাকৰি চৰকাৰী কৰণ কৰাৰ কাৰণে যি ব্যৱস্থা কৰা হৈছে এই সন্দৰ্ভত মই সুধিব খুজিছো

যে শিক্ষক সকলৰ চাকৰি চৰকাৰী কৰণ কৰাৰ লগে লগে স্কুল-কলেজৰ বিল্ডিং বিলাকো চৰকাৰী কৰণ কৰিব নেকি ?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—এইটো কৰা নহয় ।

## Re : Pump sets in Karimganj Subdivision

Shri Sudarsan Das asked :

*260 Will the Minister Irrigation be pleased to state—

(a) Whether it is a fact that the number of pump sets in working condition for irrigation purpose in Karimganj Subdivision is insufficient to meet the demands of the cultivators ?

(b) If so, the steps taken by Government in this regard ?

Shri Md. Umaruddin (Minister, Irrigation) replied :

260. (a)—No sufficient No. of pump sets in working condition in Karimganj Subdivision are available to meet the demands of cultivators.

(b)—Does not arise.

শ্ৰীসুদৰ্শন দাস—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বলেছেন যে পাম্পসেট যথেষ্ট পরিমাণে আছে । কিন্তু আমার কাছে যে খবর আছে সেটা হলো যে কৃষকদের চাহিদা অনুযায়ী এই 'পাম্পসেট' অত্যন্ত কম । এই খবর মন্ত্ৰী মহোদয় জানেন্ কি ?

মোঃ উমৰুদ্দিন (মন্ত্ৰী)—না, স্যার । আমরা ৪৭ টা পাম্পসেট সেখানে দিয়েছি । তারমধ্যে ৫ হর্স পাওয়ারের ৩৪ টা, ১০ হর্স পাওয়ারের ১২ টা, এবং ৯ হর্স পাওয়ারের ২ টা । সর্বমোট ৪৭ টা । এটা যে কম হয়েছে, সে খবর আমার হাতে নাই ।

মৌলানা আব্দুল জলিল চৌধুরী—অধ্যক্ষ মহোদয়, করিমগঞ্জে কৃষক কতজন আর এই "পাম্পসেটের" চাহিদা কি পরিমান মন্ত্ৰী মহোদয় জানাবেন কি ?

মোঃ উমরুদ্দিন ( মন্ত্রী )—কৃষক কতজন তা আমি জানিনা তবে এই পাম্প-সেটের আর কোন চাহিদা বর্তমানে সেখানে নাই।

Shri Abdul Muqtadir Choudhury—How many of these 48 pumps are now working in working condition?

Md. Umaruddin (Minister)—They are all in working condition.

শ্রীসুদর্শন দাস—এই ৪৭টা পাম্পসেটের মধ্যে কতটা কৃষকের হাতে আছে মন্ত্রী মহোদয় জানাবেন কি?

মোঃ উমরুদ্দিন ( মন্ত্রী )—আমার খবর মতে সেখানে কৃষকের আর কোন পাম্পের চাহিদা নাই।

বি ঃ বন পালক আৰু বনৰক্ষী প্ৰশিক্ষণ

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

*২৬১। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত বন বিভাগৰ বাবে শিক্ষা আৰু প্ৰশিক্ষণৰ কি কি ব্যৱস্থা আছে?

(খ) চতুৰ্থ যে জনাত এই বিষয়ত কিবা আঁচনি লোৱা হৈছে নেকি আৰু যদি হৈছে কি কি?

ডাঃ লুটফুৰ ৰহমান ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২৬১। (ক)—বন পালক আৰু বনৰক্ষী প্ৰশিক্ষণৰ বাবে জালুকবাৰীত এখন বন বিদ্যালয় আছে।

(খ)—চতুৰ্থ যোজনাত আঁচনি লোৱা হোৱা নাছিল।

শ্ৰীলক্ষীকান্ত শইকীয়া—অধ্যক্ষ মহোদয়, চতুৰ্থ পৰিকল্পনাত এনে ধৰণৰ কোনো আঁচনি নাই বুলি মন্ত্ৰী মহোদয়ে জনাইছে, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে কি যে পঞ্চম পৰিকল্পনাত এনেকুৱা আঁচনিৰ ব্যৱস্থা ৰখা হৈছে নেকি?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী)—পঞ্চম পৰিকল্পনাৰ এটা ব্যৱস্থা লোৱা হৈছে চাৰ।

শ্ৰীলক্ষীকান্ত শইকীয়া—অধ্যক্ষ মহোদয়, কি ব্যৱস্থা লোৱা হৈছে জনাবনে কি ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী)—পঞ্চম পৰিকল্পনাত এটা এ, চি, এফ কলেজ বৰ্নিহাটত পতা হব।

শ্ৰীলক্ষীকান্ত শইকীয়া—কেতিয়াৰ পৰা হৈছে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী)—বৰ্ত্তমান বছৰৰ মে' মাহৰ পৰা।

শ্ৰীগিয়াচুদ্দিন আহমেদ—অধ্যক্ষ মহোদয়, বৰ্নিহাটখন অসমৰ ভিতৰত পৰে জানো ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী)—অসম আৰু মেঘালয়ৰ মাজতে পৰে। সেইকাৰণে কলেজখন অসমত আৰু কোৱাৰ্টাৰবোৰ মেঘালয়ত হব।

## Re : M. E. School under deficit system

Shri Mal Chandra Pegu asked :

*262. Will the Chief Minister be pleased to state—

Total number of M. E. Schools proposed to be given deficit grant during the year 1975-76 ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

262—A proposal for taking over some of the M. E. Schools under deficit system is under consideration of Government.

Shri Mal Chandra Pegu—Sir, my question was what is the total number of M. E. Schools proposed to be taken during 1975-76 ; but the reply given by the Minister seems to be vague. I want a specific answer to this question.

Syeda Anawara Taimur (Minister of State)—No decision

has been taken:

Shri Mal Chandra Pagu—Whether in future Govt. will give more weightage to the backward areas in the matter of giving deficit grants?

Syeda Anawara Taimur (Minister of State)—Yes, Sir.

Shri Subhankar Sinha—Wile bringing the M. E. Schools under the deficit system Govt. has not contemplated to accommodate the 4th Grade employees under this system and they have on various occasions submitted memorandum to Govt. Whether the Govt. will see that they are also brought under the system in no time?

Syeda Anwara Taimur (Minister of State)—We will examine it.

শ্ৰীজগদীশ চন্দ্ৰ দাস—অধ্যক্ষ মহোদয়, এই কথাটো সঁচা নেকি যে পাঁচশ এম, ই, স্কুল ডেফিচিট চিষ্টেমত লোৱাৰ ব্যৱস্থা কৰা হৈছে?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—প্ৰপ'জেল আছে।

শ্ৰীপ্ৰেম ৰৰা—অধ্যক্ষ মহোদয়, প্ৰপ'জেল লোৱা আৰু ডেফিচিট দিয়া দুটা বেলেগ কথা।

Shri Sarat Chandra Sinha (Chief Minister)—Unless a decision is taken that cannot be disclosed.

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, গাৰ্লচ্ স্কুল বুলি যদিও চাইন বৰ্ড দিয়া থাকে, সাধাৰণতে দেখা যায় ল'ৰা-ছোৱালী সমানে থাকে, এই কথাটো এনে ধৰণেৰে বিবেচনা কৰা হব নেকি?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, নিশ্চয় কৰা হব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—অধ্যক্ষ মহোদয়, এম, ই, স্কুল বিলাক তলখাপৰ স্কুল, এই বিলাক কথালৈ লক্ষ্য ৰাখি গোটেই অসমৰ স্কুল বিলাক

সমষ্টি ওৱাইজ লোৱা হয় তেন্তে পিচপৰা ঠাইবিলাক সামৰি লোৱা হব।

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, সমষ্টি হিচাপে ভাগ হোৱাৰ কাৰণে ই বহু এলেকা পিচপৰি গ'ল আৰু কিছুমান আগবাঢ়ি গ'ল। গতিকে এইবাৰ সমষ্টি হিচাবে নকৰি চাব ডিভিজন হিচাবেহে কৰা ভাল হব।

Shri Abdur Rahman Choudhury—Whether Govt. will consider the question of givicg grants to the Girls' Schcols ?

Syeda Anwara Taimur (Minister)—Yes Sir.

বি : মহকুমা পৰিষদ

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

*২৬৩। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গাওঁ পঞ্চায়তবোৰে পাবলগীয়া টকাৰ ভাগ মহকুমা পৰিষদবোৰে নিদিয়াৰ ফলত কোনো কাম কৰিব পৰা নাই সঁচা নেকি ?

(খ) মহকুমা পৰিষদবোৰে সকলো কাম প্ৰোনপটিয়াকৈ কৰাৰ ফলত গাওঁ পঞ্চায়তবোৰৰ অসুবিধা হোৱাতো সঁচানে ?

(গ) (ক) আৰু (খ) প্ৰশ্নৰ উত্তৰ যদি সঁচা হয় তেন্তে ইয়াৰ প্ৰতিকাৰৰ কিবা ব্যৱস্থা চৰকাৰে লৈছেনে ?

শ্ৰীচৈয়দ আহমেদ আলি (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৬৩। (ক)—সঁচা নহয়।

(খ)—সঁচা নহয়।

(গ)—প্ৰশ্ন নুঠে।

শ্ৰীলক্ষীকান্ত শইকীয়া—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই কথাটো জানে নে কি যে ইতিমধ্যে গোটেই অসমৰ সভাপতি সকলৰ যি সভা আছে সেই সভাৰ তৰফৰ পৰা মন্ত্ৰী মহোদয়ৰ ওচৰত এখন স্মাৰক পত্ৰ দিয়া কথাটো সঁচানে ?

চৈয়দ আহমেদ আলি (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মনত নাই। সঁচা নহয় কাৰণ যে মহকুমা পৰিষদ আইন অনুসৰি পোনপতীয়াকৈ গাওঁপঞ্চায়তক টকা দিয়া নহয়, কেবল যিবোৰ হাট চেল কৰা হয় আৰু ফেৰী ইত্যাদিৰ পৰা যি টকা পায় সেইখিনিৰ পৰা এক অংশ গাওঁ সভাক দিয়ে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে মোৰ এটা প্ৰশ্নৰ উত্তৰত কৈছে যে গাওঁ পঞ্চায়তক দিব লগা হোৱা টকা খিনি মহকুমা পৰিষদক দিব লগা হয়। মোৰ অভিযোগটো হৈছে যে গাওঁ পঞ্চায়তে এই টকাবোৰ পোৱা নাই। চাৰ ডিভিজনেল কৰেল ফাণ্ডৰ পৰা যিখিনি টকা আছে সেইখিনি গাওঁ পঞ্চায়তে নাপায় কথাটো হয় নে নহয়।

চৈয়দ আহমেদ আলি (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, আগৰ পুৰণা S.R.D. fundত যি টকা আছিল সেইখিনি আইন অনুসৰি........

শ্ৰীলক্ষ্মীকান্ত শইকীয়া—অধ্যক্ষ মহোদয়, আইন অনুসৰি দিয়া আৰু কাৰ্য্যকৰী কৰা দুটা বেলেগ কথা, মোৰ অভিযোগটো হল এই যে এই টকা খিনি যে পোৱা নাই কথাটো সঁচা নে মিছা? যদি সঁচা হয় তেন্তে তাৰ কিবা ব্যৱস্থা চৰকাৰে কৰিছে নেকি?

চৈয়দ আহমেদ আলি (মন্ত্ৰী)—ছাৰ, আইন অনুসৰিহে কাম কৰিব লাগিব। গতিকে যদি কোনোবা মহকুমা পৰিষদে দিয়া নাই তেন্তে আমাক জনালে ব্যৱস্থা লোৱা হব।

## UNSTARRED
## QUESTIONS AND ANSWERS
### Dated 9th March, 1976

### Re : Tea-Garden L. P. Schools

4. Will the Chief Minister be pleased to state—

(a) Whether it is fact that all the Tea-Garden L. P. Schools have been taken over by the Government?

(b) If not, why ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

4. (a)—No. Only the Tea-Garden Schools of Cachar and Sibsagar District have so far been taken over by the Government.

(b)—The remaining Tea-Garden Schools in the other Districts have not yet been taken over by the Government due to non-fulfilment certain terms of the agreement by the Tea-Garden management. The matter is under consideration of the Government.

## VOTING ON DEMANDS FOR GRANTS

Mr. Speaker—Question hour is over. How, Item No. 2.

Shri Lakshya Nath Doley ( Minister )—Sir, I beg to move Grants No. 84 & 107.

Mr. Speaker—Grants moved.

শ্ৰীৰাম চন্দ্ৰ শৰ্মা—অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিব খুজিছো "বাজেটৰ দাবীৰ ২য় খণ্ড ৯৭১-৯৮২ পৃষ্ঠাত" "৩৩৩ জলসিঞ্চন, নৌ পৰিবহন, খাল ও বাননিয়ন্ত্ৰন আৰু সাগৰ খহনীয়া পতিৰোধ প্ৰকল্প" শিতানৰ ৮৪ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৪,৮২,৫৫,০০০ টকা এটকালৈ হ্ৰাস কৰা হওক, অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৪,৮২,৫৫,০০ টকা এটকালৈ হ্ৰাস কৰা হওক।

মাননীয় অধ্যক্ষ মহোদয়, বানপানী অসমৰ কাৰণে নতুন বস্তু নহয়। বানপানী অসমৰ এটা ডাঙৰ সমস্যা। আন আন সমস্যা যিবিলাক আছে কৃষি জলসিঞ্চন বা অন্য যিবিলাক কথা আছে সেইবিলাক জন-সাধাৰণৰ ওপৰত নিৰ্ভৰ কৰে আৰু জনসাধাৰণে কিছু সহায় কৰিব পাৰে কিন্তু বানপানীৰ লগত যুঁজিব কোনো ক্ষমতা নাই। আমাৰ

বাননিয়ন্ত্ৰণ মন্ত্ৰী বৰ স্বাস্থ্যবান, বানপানীকো ফেৰ মাৰিব পাৰে। যোৱা বছৰ বানপানী অহা নাছিল কাৰণেই আমাৰ মন্ত্ৰী মহোদয়ে যোৱা বছৰ খুব দিশপুৰ, ধেমাজী আৰু ধুবুৰীলৈ ঘূৰা-ফুৰা কৰিলে। মোৰ বোধেৰে বানপানী যিহেতু যোৱা বছৰ নহল আৰু যে নহব কথা নাই কিন্তু তাৰ প্ৰতিৰোধ কৰাৰ কাৰণে যিহেতু এইবছৰ বানপানী নাই স্থায়ী ব্যৱস্থাৰ সম্পূৰ্ণ সুযোগ আছিল। এই বানপানী নিয়ন্ত্ৰণৰ কাৰণে ব্ৰহ্মপুত্ৰ কমিচন গঠন হ'ল। আৰু ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ ভাৰত চৰকাৰে কৰিব লাগে বুলি বহুত বাৰ কোৱা হ'ল। কিন্তু আলোচনা অসমৰ জনসাধাৰণৰ মাজত আলোচনাই হৈ থাকিল। গোটেই অসমত বানপানী সমস্যা প্ৰতিৰোধ কৰা হলে আজি ভূমিহীন সমস্যা বা অন্যান্য সমস্যা নিশ্চয় আতৰি গ'লহেতেন। (উপাধ্যক্ষ আসনত বহে)

উপাধ্যক্ষ মহোদয়, চৰকাৰী হিচাব মতেও বছৰি ২৪ নে ২৫ কোটি টকা এই বানপানীয়ে ক্ষতি কৰে আৰু জনসাধাৰণৰ বহুতৰে প্ৰাণনাশ কৰে, ঘৰবাৰী উটুৱাই লৈ যায়। এই মহাবাহু ব্ৰহ্মপুত্ৰই কি অৱস্থা কৰে এই অভিজ্ঞতা অসমৰ সকলো জনসাধাৰণৰে আছে আৰু তাৰ কাৰণে এই মথাউৰি বিলাকৰ সৃষ্টি হৈছে। কিন্তু এই মথাউৰি বিলাক এফালৰ পৰা বান্ধি নিনি আধা আধিকৈ কৰিছে, কৰবাত ইমূৰত মাটি দিছে সিমূৰত মাটি দিছে, মাজত মাটি দিছে কিন্তু নৈৰ মোহনাত মাটিয়ে পৰা নাই। ফলত বছৰে বছৰে ৰাইজৰ মাজত এই বানপানীয়ে সন্ত্ৰাসৰ সৃষ্টি কৰিছে।

উপাধ্যক্ষ মহোদয়, যিবিলাক পুৰণা কাম সেই কাম বিলাকৰ কাৰণে আমাৰ চৰকাৰে মঞ্জুৰী দিয়ে জুন জুলাই মাহত। গোটেই বছৰটো কাম কৰা নহয় অথচ জুলাই মাহত যেতিয়া বানবানী আহিবৰ সময় হয় তেতিয়া আমাৰ অভিযন্তা, সমমণ্ডল বিষয়া সকলে দৌৰা-দৌৰি কৰি কাম কৰে। ইয়াৰ ফলত বিষয়া আৰু ঠিকাদাৰৰ সুবিধাৰ বাহিৰে ৰাইজৰ কোনো উপকাৰ নহয়। কাৰণ দৌৰা-দৌৰি কৈ ঠিকাদাৰে কাম কৰিব আৰু বিষয়া সকলে বিল পাছ কৰি লৈ যায় আৰু বাকিখিনি কালত জীয়াতু ভোগিব ৰাইজে। আমি এনেকুৱা শুনিছো যে ধেমাজী অঞ্চলত বানপানী ৰোধ কৰিবৰ কাৰণে হেনো হাতীৰে কলগছ টানি

বিল পাছ কৰে। এইবোৰ কাম চলিয়েই আছে। এই ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কাৰণে আকৌ ড্ৰেজাৰ অনা হ'ল আৰু ড্ৰেজাৰে দাতঁ নিকোটাই বৰ্ত্তমান বহি আছে। ড্ৰেজাৰৰ কিমান পাৰ্টচ যে চুৰি হ'ল সেইটো ভগৱানেহে জানে। আনহাতে এই ড্ৰেজাৰ চলোৱা কাৰণে আমাৰ অভিযন্তা সকলৰ বোলে কাৰিকৰী বিদ্যা নাই বা তেনে কোনো মানুহ নাই। যদি ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিবলৈয়ে এই আঁচনি লোৱা হৈছিল তেনেহলে ইয়াক কামত খটুৱা হলে ৰাইজৰ নিশ্চয় কিছু উপকাৰ হল-হেতেন। বাজেটত আমি যি দেখিলো যে অন্য যন্ত্ৰ-পাতি কিনাতহে বেছি টকা দেখুওৱা হৈছে। এই চাৰি কোটি টকাৰ ভিতৰত তেৰ কোটি মানহে দেখুওৱা হৈছে বাকীখিনি এনেয়ে খৰচ হৈ যাব। আমাৰ বান নিয়ন্ত্ৰণ অফিচটো যি ধুনীয়া ঠাইত বহিছে আৰু যেনেকুৱা বানপানী হয়নে নহয় তেওঁলোকে কবই নোৱাৰে। আমাৰ মাননীয় মন্ত্ৰী এম, এল, এ হৈ থাকোতে বানপানীৰ কথা কব পৰিছিল, এতিয়া কব নোৱাৰে। গতিকে এই বানপানী প্ৰতিৰোধ কৰাৰ কাৰণে অন্ততঃ এই বিভাগে বেছি তৎপৰ নহলে মই ভাবো অদূৰ ভৱিষ্যতে ইয়াৰ এটা বেলেগে ৰূপ দেখিবলৈ পাম। গতিকে অতি সোনকালে, যাতে এই নদী নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰে তাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তৃতা সামৰণি মাৰিলো।

শ্ৰীনগেন বৰুৱা—মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি চৰকাৰক কেইটামান কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো। বাননিয়ন্ত্ৰণ বিভাগত প্ৰতি বছৰে টকা দিয়া হয় আৰু খৰচো হয়। যোৱা বছৰ এই শিতানৰ টকা বিচাৰোতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা কথা কৈছিল যে আমাৰ অসমত এতিয়ালৈ যিমান টকা খৰচ হ'ল এই গোটেই কেই-বছৰৰ ভিতৰত আটাইতকৈ বেছি খৰছ হৈছে বান নিয়ন্ত্ৰণৰ কাৰণে আৰু বিদ্যুৎ বোৰ্ডৰ শিতানত। এই বান নিয়ন্ত্ৰণৰ প্ৰায় ৮০, ৯০ কোটি টকা খৰচ কৰা হ'ল। কিন্তু খৰচ অনুপাতে শতকৰা ৫০ ভাগ টকাৰে৷ যদি অসমত আচলতে বান নিয়ন্ত্ৰণৰ স্থায়ী ব্যৱস্থা কৰিলেহেতেন বহুত ডাঙৰ কাম কৰা হ'লহেতেন। আমি সকলোৱে জানো আৰু বিধান সভাতো আলোচনা হৈছে যি ধৰণে এই বান নিয়ন্ত্ৰণ বিভাগ পৰিচালনা কৰিছে,

মঞ্জুৰী দিয়া হৈছে, মথাউৰিও সাজিছে, পুনৰ নিৰ্মানৰ কাৰণে টকাৰো দৰকাৰ হৈছে, দিয়াও হৈছে কিন্তু যিটো ব্যৱস্থাৱে কাম চলিছে তালৈ লক্ষ্য কৰি অসমত যে বান নিয়ন্ত্ৰণ হোৱা নাই সেইটো বুজা যায়।

এই ধৰণে যিটো ব্যৱস্থাৱে আজি বাননিয়ন্ত্ৰণ কৰা হৈছে অৰ্থাৎ অসমত বাননিয়ন্ত্ৰন ব্যৱস্থা চলি আছে এই ধৰণৰ বাননিয়ন্ত্ৰণেৰে আচলতে অসমত কোনো বাননিয়ন্ত্ৰণ হোৱা নাই। ও সমৰ স্থায়ী বাননিয়ন্ত্ৰণৰ দ্বাৰা আজি কোনো অৰ্থনৈতিক বিকাশ হোৱা নাই। বহুত দিন আগৰে পৰা বাহিৰে আৰু আমি ব্ৰহ্মপুত্ৰ নৈ উপনৈ বিলাক নিয়ন্ত্ৰন কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সহযোগ বাৰে বাৰে বিচৰা হৈছিল। এই বিধান সভাতে সিদ্ধান্ত বিচৰা হৈছিল। ফ্লাদ কনট্ৰোল বিভাগৰ আঁচনি কেন্দ্ৰীয় চৰকাৰে সমৰ্থন নকৰিলে। কেন্দ্ৰীয় চৰকাৰৰ সহযোগত বাননিয়ন্ত্ৰণ আঁচনি কৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা অৰ্থ সাহাৰ্য্য লব লাগে বুলি এই কৰ্তন প্ৰস্তাবটো সমৰ্থন কৰি ভাৰত চৰকাৰৰ ওচৰত মই দাবী জনাইছো। কেন্দ্ৰীয় চৰকাৰে যদি ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰা ক্ষেত্ৰত মাষ্টাৰ প্লেনত সহযোগ কৰি সম্পূৰ্ণ নকৰে তেনেহলে অসমত বানপানীৰ অসুবিধা সদায়ে থাকি যাব। ব্ৰহ্মপুত্ৰ স্থায়ীভাৱে নিয়ন্ত্ৰণ নোহোৱাৰ ফলত আমাৰ মানুহৰ অৰ্থনৈতিক দুৰাৱস্থা সদায়ে থাকি যাব। সেই কাৰণে ৰাষ্ট্ৰীয় সমস্যা বুলি ধৰি লৈ ৰাষ্ট্ৰীয় ভিত্তিত কেন্দ্ৰীয় চৰকাৰে এই ব্যৱস্থা লব লাগে বুলি পুনৰ বাৰ মই দাবী জনাইছো। তাৰ উপৰি আজি ১৫-১৬ বছৰ হল বছৰি বছৰি যিমান টকা খৰছ হৈছে তাত বহুত দুৰ্নীতিৰ কথা আহিছে। আৰু বহুত টকা অপচয় হৈছে। এই বিভাগটোৱে বাৰিষা কাম আৰম্ভ কৰে অথচ খৰালি বহি থাকে। বাৰিষা নানা ধৰণৰ কণ্ট্ৰেকটৰৰ বিলৰ পৰা আৰম্ভ কৰি নানা ধৰণৰ বিল বনায় টকাৰ অপচয় কৰে। সেই কাৰণে উপযুক্ত সময়ত যাতে কাম কৰি কামৰ তদাৰক কৰাৰ ব্যৱস্থা কৰা হয় তাৰ বাবে ব্যৱস্থা কৰিব লাগে। পি, ডব্লিউ, ডি বিভাগত যেনেকৈ চৰকাৰৰ দ্বাৰা গঠিত এটা কমিটি আছে, তেনেভাবে এই ক্ষেত্ৰতো সকলো ধৰণৰ তদাৰক কৰা ক্ষেত্ৰত বিধান সভাৰ জৰিয়তে এটা কমিটি গঠন কৰি দিব লাগে। এনে কমিটিৰ জৰিয়তে নানা পৰামৰ্শ দিয়াৰ উপৰিও এই বিভাগটোত যথেষ্ট দুৰ্নীতি আছে সেইবিলাক পৰীক্ষা নিৰীক্ষা কৰিব লাগে।

আৰু সেইবিলাকৰ উচিত বিচাৰ কৰি শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। কণ্ট্ৰেক্টৰৰ পৰা আৰম্ভ কৰি অফিচাৰলৈকে এই ধৰণৰ অভিযোগত জৰিত আছে। মই জনাত এই অভিযোগৰ উচিত বিচাৰ বহুক্ষেত্ৰত হোৱা নাই আৰু সেই কাৰণে এই ক্ষেত্ৰত মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। এই বিভাগত যিদৰে টকা পইচা দিয়া হৈছে তাৰ এটা উচিত ব্যৱস্থা লৈ কাম কাজ ঠিক মতে কৰি অৰ্থাৎ ঠিক সময়ত আঁচনিৰ ব্যৱস্থা লৈ কাম কাজ সুকলমে কৰিবলৈ মই মুখ্যমন্ত্ৰীৰ ওচৰত দৃষ্টি আকৰ্ষণ কৰিছো। বাৰিবা কামৰ আৰম্ভ নকৰি ঠিক সময়তে আঁচনি লৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই বিভাগৰ ক্ষেত্ৰত কাম কাজৰ তদাৰক কৰিব বুলি আশা ৰাখিলো। এইখিনি কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড—মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই মাত্ৰ দুটামান কথা কব বিচাৰিছো। বিশেষ আলোচনা কৰিব খোজা নাই। এটা কথা যিটো আপত্তি নকৰিব খুজিও কব বিচাৰিছো। এই বিভাগটোৱে কাম কাজ কৰোতে এই ধৰণে কৰে যে সিদ্ধান্ত লওঁতে ইমান দেৰি যে তাৰ কোনো সুফল কৰিব নোৱাৰে। তাৰ পাচত কি হয়, কামটোৰ কোনো ফল নধৰেই। তাৰ উপৰি কামটো সদায়েই অসম্পূৰ্ণ হৈ থাকে। কোনোবাৰেই সম্পূৰ্ণ নহয়। সেই কাৰণে টকা-পইচাৰ অপচয় হয়। আৰম্ভ কৰাৰ পাচতেই পানী আহিলে কামটো সম্পূৰ্ণ নকৰি এৰি দিব লগা হয়।

দ্বিতীয় কথাটো হৈছে, সকলো মঠাউৰি সম্পৰ্কত মাটি অধিগ্ৰহণ কৰিছে আৰু সেই বিলাকৰ কাৰণে ক্ষতিপূৰণ দিছে। এই সম্পৰ্কেও কথা আছে। এই অধিগ্ৰহণৰ ওপৰত ক্ষতিপূৰণ দিয়া ক্ষেত্ৰটো বহুটো খেলি-মেলি হৈছে। ১৯৫৮ চনতে মাটি অধিগ্ৰহণ কৰি ক্ষতিপূৰণ আজিলৈকে দিয়া নাই। ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত মঠাউৰি বান্ধিছে কিন্তু ৭৩।৭৪ কিলোমিটাৰ দূৰত থকা মাটিৰ মালিক সকলে ক্ষতিপূৰণ পাইছে। কিন্তু যাৰ নদীৰ একেবাৰেই ওচৰতেই মঠাউৰিয়ে খেতি পথাৰ ঘৰদুৱাৰ ভাঙি লৈ গৈছে সেই মানুহ বিলাকে আজি ক্ষতিপূৰণ পোৱা নাই। আনকি ডেপুটি কমিশ্যনাৰ পৰ্য্যন্ত এই কথা জনোৱা হৈছিল।

* Speech not corrected.

অথচ আজিলৈকে তাৰ কোনো উত্তৰো নাই আৰু ক্ষতিপূৰণো পোৱা নাই। ইয়াৰ ফলত ওচৰত থাকি যি সকল বেছি ক্ষতিগ্ৰস্ত হৈছে সেই সকলে পাবলগীয়াখিনি পোৱা নাই। এই বিষয়টো অনুসন্ধান কৰি চাবলৈ আৰু বিহিত ব্যৱস্থা লবলৈ মই অনুৰোধ কৰিছো। ইয়াৰ বাহিৰেও বহুতো সময়ত মঠাউৰি বিলাক ৰাজনৈতিক মঠাউৰিত পৰিণত হৈছে।

আৰু তাৰ ফলত আজি আমাৰ বানপানী সমস্যাটো দূৰ কৰাৰ পৰিবৰ্ত্তে তীব্ৰতৰ কৰিহে তুলিছে, মই এটা উদাহৰণ দিব বিচাৰিছো। আমাৰ যোৰহাট মহকুমাৰ মেলেংৰ দুটা মৌজাক বানপানীৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰা হৈছে কিন্তু মাজৰ যিটো মৌজা সেইটো সম্পূৰ্ণৰূপে বিলত পৰিণত কৰিবলৈ চেষ্টা কৰিছে ফলত মঠাউৰি বান্ধিবলৈ যাওঁতে হাতত লাঠি লৈ ইঞ্জিনিয়াৰক ভাবুকি দিছে, মঠাউৰি কৰাটো বন্ধ কৰিছে। এইদৰে সকলোৱে হস্তক্ষেপ কৰাৰ কাৰণে সেই বিষয়ে ডিচিৰ লগত আলোচনা কৰি সেই মঠাউৰীটো পৰিবৰ্ত্তন কৰিবলৈ চিন্তা কৰা হ'ল কিন্তু কাৰ্যতঃ একো নহল। কিন্তু সেইটো নহল, ২ টা মৌজা ৰক্ষা পৰিব কিন্তু মাজতে থকা মৌজাতো বিলত পৰিণত হব। ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণৰ কথা মাননীয় সদস্য সকলে কেবাবাৰো কৈ গৈছে, আজি ব্ৰহ্ম-পুত্ৰ বাননিয়ন্ত্ৰণ সমস্যাটো আমাৰ সমস্যা নহয় ই এটা আন্তৰ্জাতিক সমস্যা হৈ পৰিছে, ব্ৰহ্মপুত্ৰক ভেদ কৰাটো আজি সহজ কথা নহয় এই ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি পৰিষ্কাৰ কৰি বুজাই দিব লাগে। এই বিষয়ত আমি যিমানে পিছুৱাই আছো সি সিমানেই জটিল হৈ গৈছে। খবৰ কাগজত দেখা মতে এই ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ বিভাগটোত কেবাজনো বিষয়াক বা কৰ্মচাৰীক চাকৰিৰ পৰা কম্পালচৰি ৰিটায়াৰমেণ্ট আৰু কোনোবা কোনোবাক চাচপেন কৰা হৈছে গতিকে তাৰ পৰা এইটো পৰিষ্কাৰ হয় যে এই বিভাগটো সুস্থ নহয় আৰু পৰিষ্কাৰ নহয়, সেইটো চৰকাৰৰ নিজৰ কাৰ্য্যৰ দ্বাৰাই প্ৰমাণিত হৈছে। গতিকে এই ক্ষেত্ৰত মই কব বিচাৰিছোঁ এনেদৰে 'স্পাৰদিক' অতি তত ছুটা এটা কেচ ধৰি চাচপেন ইত্যাদি কৰাতকৈ গোটেই বিভাগটোয়েই ভালদৰে 'অভাৰ হলিং' কৰাৰ ব্যৱস্থা কৰিব লাগে সেই বিষয়েহে চিন্তা

কৰা উচিত। বিভাগটোত যিবিলাক দোষ-ক্ৰুটি আছে সেইবিলাক অতি সোনকালে বাহিৰ কৰি তাক দূৰ কৰি নতুনকৈ গঢ়ি তোলক। এইখিনিকে জনাই মই সামৰণি মাৰিলোঁ।

মৌলানা আব্দুল জলিল চৌধুরী- উপাধ্যক্ষ মহোদয়, বাজেটে যে টাকা এই খাতে বরাদ্দ করা হয়েছে তা আমি সমর্থন করি। এমন কি আরও অধিক টাকা এই খাতে বরাদ্দ করলে আরও ভাল হতো বলে আমি মনে করি। কারণ, আসামে বন্যা নিয়ন্ত্রণের প্রয়োজনীয়তা সম্বন্ধে সকলেই অবগত আছেন।

বক্তৃতা দেবার ইচ্ছা আমার নাই। এমন কি, আজকাল একটা প্রশ্ন পর্যন্ত করতে আমার আর ইচ্ছা হয়না। কেবল, এই বিভাগ সম্বন্ধে ২।১ টা পরামর্শ দিতে দাঁড়াইয়াছি।

এই বিভাগের টাকা পয়সা সদ্ব্যবহার হচ্ছে কি না, যাঁরা ফাইল দেখেন বা মন্ত্রী মহোদয়গণ এসব কথা বলতে পারবেন। আমি ঠিক ঠিক বলতে অক্ষম। কিন্তু জনসাধারণের কথা থেকে বুঝা যায় যে এই বিভাগের কাজে তারা সন্তুষ্ট নয়। আমার এলাকায় অবশ্য এই অসন্তুষ্টির মাত্রা কম। তাই আমি মনে করি, গড়কাপ্তানী বিভাগের জন্য যে ভাবে বিধায়ক গণকে নিয়ে পরামর্শ সভা গঠন করা হয়েছে, ঠিক সেভাবে এক একটি 'পরামর্শসভা' গঠন করা প্রয়োজন। আশাকরি মন্ত্রী মহোদয় একথা বিবেচনা করে দেখবেন। তাহলে আমি বিশ্বাস করি যে এই বিভাগে টাকার সদ্ব্যবহার হোক বা না হোক অন্ততঃ বিধায়কগণের এই বিভাগের কার্যকারীতা সম্বন্ধে বিশদ জ্ঞান থাকবে এবং তাঁরা বুঝতে পারবেন যে জনসাধারণের অভিযোগ সত্যি কি না।

মহোদয়, এ বিভাগের কাজে ভূমি অধিগ্রহণ ব্যাপারে টাকার সমস্যা একটা 'ক্রনিক' সমস্যা হয়েছে। ১৯৬২ ইং থেকে বিশেষ ভাবে হাইলাকান্দি মহকুমায় আমার নির্বাচন চক্রে বহুজন লোক আজ পর্যন্ত এই টাকা পায় নাই।

উপাধ্যক্ষ—কোৰাম নাই, আপুনি বহক।

( কোৰাম বেল )

মৌলানা আব্দুল জলিল চৌধুরী— উপাধ্যক্ষ মহোদয়, যদি সরকার থেকে টাকা দেয়া হয়, তখন দেখা যায় এমন একদল লোক এই সুযোগে এবং এই বিভাগের সহায়তায় এই টাকা আত্মসাৎ করে যাদের সরকার থেকে কোন টাকা পাওয়ার কথা নাই এইভাবে একটা 'চেইন' কাজ করে যাচ্ছে এবং সমস্ত টাকা তাদের পকেটে যাচ্ছে। ফলে যারা সরকারের কাছে নায্য পাওনাদার তারা পাচ্ছে না। আমার কাছে এর প্রমাণ আছে। যদি মন্ত্রী মহোদয় প্রয়োজন মনে করেন তাহলে আমি সমস্ত প্রমাণ দিতে পারবো। আগের মন্ত্রী সভার এই বিভাগের মন্ত্রী মহোদয় এবিষয়ে একটি তদন্ত করার ফলে দেখা যায় যে অনুমানিক ২৭ হাজার টাকা হাইলাকান্দির এমন একজন ব্যাক্তি এই ভাবে আত্মস্বাৎ করেছে। অথচ আজ পর্যন্ত এই লোকটির বিরুদ্ধে কোন ব্যবস্থা গ্রহণ করা হয়নি। আশাকরি আমাদের যুবক মন্ত্রী মহোদয় এ বিষয়ে একটু তদারক করবেন কারণ, আজ যখন আমরা দেশের জরুরী অবস্থার জন্য প্রশংসায় চতুর্মুখ তখন আশাকরি এই ভাবে টাকা আত্মস্বাতের ব্যাপারকে চাপা দিয়ে রাখাটা মঙ্গলজনক হবেনা।

মহোদয়, করিমগঞ্জ মহকুমায় 'ই এণ্ড ডি' বিভাগের কাজের কণ্ট্রেক্ট সকলে পায়না। তারজন্য বিশেষ কয়েকজন ব্যক্তি এই বিভাগের পোষ্য আছেন। কেবল তারাই 'কণ্ট্রাক্ট' পায়। অথচ দেশের অনেক যুবক বেকার পড়ে আছে এবং তারা এসব কাজে অত্যন্ত আগ্রহী। এদেরে এইসব কাজে সুযোগ দিলে দেশে বেকার সমস্যার সমাধান হবে। এ বিষয়ে আমি মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করছি। আশাকরি তিনি এই সর্বজন পোষনতার একটি বিহিত করবেন।

মহোদয়, আমার তৃতীয় কথা, অত্যন্ত দুঃখের সঙ্গে বলছি, আমার একটা বিশ্বাস আছে যে মানুষের মধ্যে লজ্জা যত বেশী থাকবে সেখানে পাপের যাত্রা কম হয়। যে লোকের মধ্যে লজ্জা থাকবেনা তার মধ্যে পাপ বেশী হয়। আমার এই দীর্ঘ বিধান সভার সদস্য জীবনে একটি বিষয়ে আমি এত বলা সত্বেও আজ পর্য্যন্ত কাজ হয়নি। সেটা হলো বদরপুর শহরকে বন্যা থেকে রক্ষা করার জন্য যে 'প্রজেক্ট' ১৯৬৪

ইং তে সিদ্ধান্ত নেয়া হয়েছিল, তার কাজ আজ পর্যন্ত হয়নি। যখন কোন বিধায়ক কোন একটা বিষয়ে মন্ত্রী মহোদয়ের কাছে আসেন তখন মন্ত্রী মহোদয়গন সেই বিধায়কের উপর আস্থাশীল হওয়া উচিত। ১৯৬৪ ইং থেকে মন্ত্রী মহোদয়গন কেবল আমাকে সংশ্লিষ্ট অফিচারের সঙ্গে আলোচনা করতে বলেছেন। কিন্তু আমার পক্ষে যদি সেটা সম্ভব হতো তাহলে কেন আমি মন্ত্রীমহোদয়ের কাছে আসবো? এই সম্পর্কে আগের মন্ত্রীসভায় এই বিভাগের মন্ত্রী শ্রীমহেন্দ্র মোহন চৌধুরীর সঙ্গে করিমগঞ্জ সার্কিট হাউসে আলোচনা কালে তিনি আমাকে বলেছিলেন, "মানুষ বড় না টাকা বড়। এই প্রজেক্ট হবে।" তারপর এই ব্যাপারটি পরিকল্পনায় 'ফাষ্ট প্রায়রিটি' পেয়েছে দেখলাম। কিন্তু আজ পর্যন্ত একাজ হয় নাই। এই বদরপুর টাউন প্রটেক্সন প্রজেক্ট যে শুধু বদরপুর শহর বন্যার কবল থেকে রক্ষা পাবে তা নয়। এই বন্যার প্রকোপে ৬টি গ্রামের লোক আজ প্রায় উচ্ছেদ হতে বসেছে। ইতিমধ্যে ১৫ হাজার টাকা দিয়ে পাত্রীঘাটে নাকি একটি পাকা অবাল বাঁধ দেওয়ার প্রস্তাব নেওয়া হয়েছে। এই বাঁধ দিলে কেবল যে এই গ্রামগুলি বন্যার প্রকোপ থেকে রক্ষা পাবে তা নয়, সংখ্যালঘু এক সম্প্রদায়ের একটা গীর্জার ধ্বংসের হাতে থেকে রক্ষা পাবে। এই সংখ্যালঘুর নাম মুখে উচ্চারন করা যায়, এই সংখ্যালঘু অন্য সংখ্যালঘুর মতো নয়। এদের নাম সমস্ত পৃথিবীতে সবায় নেয়। এই সংখ্যালঘুর শ্রেণীর একটা ধর্ম স্থান এর ফলে রক্ষা পাবে। এ বিষয়ে বহু টাকার ব্যয় করে বহু টেলিগ্রামও সরকারের কাছে পাঠানো হয়েছে, বহু চিঠি দেয়া হয়েছে। মহকুমা অফিছে চিঠির খোঁজ করলে তার মেমো নং দেখিয়ে বলে তারা পাঠিয়ে দিয়েছে, জেলা অফিসে গেলে তারাও বলে পাঠিয়ে দেয়া হয়েছে কিন্তু রাজধানীতে এসে এই চিঠির খোঁজ করলে তারা বলে পাওয়া যায়নি। এর কারন কি? এসব কথা আমি মুখ্যমন্ত্রী মহোদয়কে জানাতে চাই না। তাহলে এই বিভাগে কেন মন্ত্রী রাখা হয়েছে। সুতরাং আমি মন্ত্রী মহোদয়কে অনুরোধ করি এই ব্যাপারটার তিনি যেন বিশেষ ভাবে নজর দেন যাতে এই প্রকল্প বাস্তবায়িত হতে আর কোন বাধা না পড়ে। নতুবা খৃষ্টান সংখ্যালঘু বন্ধুরা আমাকে ভুল বুঝে দোষ দিয়ে বলবে যে মুসলমান বলে

এই কাজে আমার কোন উত্‌সাহ নাই।

( ইণ্টারাপস্‌ন )

মহোদয়, এই ভাবে বাধা দিলে বড় অসুবিধা হয়। তিনি একজন প্রবীন সদস্য এবং তার জানা থাকা উচিত যে কোন কোন সময় এই রকম বাধা রাগের উদ্রেক করে।

সুতরাং আমি আশাকরি মন্ত্রী মহোদয় তাঁর জবাবে এ বিষয়ে আমাকে অবহিত করবেন।

মহোদয়, আমার চতুর্থ কথা হলো, ব্রহ্মপুত্র, বরাক প্রভৃতি বড় বড় প্রকল্পের কথা আমি বলতে চাইনা, কারণ আমি অন্যান্য অনেক বিধায়কের মতো খুব একজন বড় কেউ বলে মনে করি না। আমি জনসাধারনের সেবক। সুতরাং এই হিসাবে ছোট ছোট যদি কোন প্রজেক্ট থাকে, যদি এবত্‌সর হওয়ার সম্ভাবনা থাকে তবে অনুগ্রহ করে মন্ত্রী মহোদয় যেন এ বিষয়ে কিছু বলেন। আর এই বিভাগে যদি কোন দুর্নীতি থাকে বলে তিনি স্বীকার করেন তবে যেন এই জরুরী অবস্থার সুযোগে তা নির্মূল করার চেষ্টা করেন। তাছাড়া, এই বিভাগের কর্মচারীগন যাতে কেবল কণ্ট্রেকটরের সঙ্গে আলোচনা না করে গাওঁ পঞ্চায়ত, মহকুমা পরিষদ ইত্যাদির সঙ্গে আলোচনা করে কাজ করেন তার নির্দ্দেশ দেন এবং পি, ডব্লিউ, ডি, বিভাগের ন্যায়, এই বিভাগেও যেন বিধায়কদের নিয়ে একটি পরামর্শ সভা গঠন করা হয়। এই বলে আমি আমার বক্তব্য শেষ করছি।

* শ্রীআবুল হুচেইন মীৰ—অধ্যক্ষ মহোদয়, বান নিয়ন্ত্রণ বাজেটখনৰ মই সমৰ্থন জনাওঁ আৰু কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি দুই এটা কথা কবলৈ থিয় হৈছোঁ। বান নিয়ন্ত্রণ বাজেটখন দেখিলে বুজিব পাৰি যে বিভাগটোৰ নানান কামৰ কাৰণে চৰকাৰে টকা দিছে, কিন্তু আমাৰ বিত্ত সীমাবদ্ধ হোৱা কাৰণে বিভাগটোৰ কামত ব্যাঘাট হৈছে। বোধকৰো, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাজত এটা সন্দেহৰ ভাব সৃষ্টি হৈছে। এই কথ া ভা। চিন্তি থাকিলেও বিভাগটোৰ কৰ্মকৰ্ত্তা সকলে

* Speech not corrected.

কামত হেমাহি কৰিছে। কেন্দ্ৰীয় চৰকাৰে লগে লব, কিন্তু বৰ্ত্তমান যি খিনি কাম-কাজ হব লাগিছিল সেইখিনি নোহোৱাৰ কাৰণে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। মন্ত্ৰী মহোদয় বেয়া নাপাব মই আকৌ এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰিছো। এবাৰ ঢিঙৰ কথা কওঁতে তেখেতে কলে যে সেইটো মোৰ কাম নহয়, মোৰ কাম পানী বন্ধ কৰাটোহে পানী দিয়া নহয়। ফ্লাদ কণ্ট্ৰোলৰ অৰ্থ এইটো যে যি খিনি অতিৰিক্ত পানী হয় সেই খিনি বন্ধ কৰাহে, শিলঘাটৰ পৰা ঢিঙলৈ পৰিকল্পনা কৰিলে, তাৰ বাবে নানান লোকৰ মাটি গ'ল। ১৯৫৫ চনৰ পৰা কিমান বছৰ গ'ল, তথাপি তাত শ্লুইচ গেট নহল। শিলঘাটৰ ওচৰত লিফট ইৰিগেচন দিব লগা হ'ল।

আৰু শ্লুচগেট নিদি মঠাউৰি দিয়াৰ ফলত পানী একেবাৰে বন্ধ হৈ গ'ল আৰু মৰাপাটৰ খেতিৰ কাৰণে মাটিখিনি অত্যন্ত উৰ্বৰা স্বত্বেও পানীৰ অভাৱতে কোনো শষ্য নোহোৱা হ'ল। মহোদয়, অসমৰ বানৰিয়ন্ত্ৰণ আৰু জলসিঞ্চনৰ কাৰণে এটা বৰ্ড অব কনচাল্টেট এটা আহিছিল এই বৰ্ডৰ প্ৰকৃত অৰ্থ হল তাৰ মেম্বাৰ সকল টেকনিকেল এক্সপাৰ্ট বুলিয়েই কোৱা হয়। গতিকে বাননিয়ন্ত্ৰণৰ লগতো যে জলসিঞ্চনৰ এটা নিগূঢ় সম্বন্ধ আছে তাক কোনেও আপত্তি কৰিব নোৱাৰে। আৰু বিশেষকৈ এই কাম বিগ্যাকৰ কাৰণে এটা কেন্দ্ৰীয় কমিটিৰ নানা ধৰণৰ বিশেষজ্ঞ মেম্বাৰ থাকে আৰু তেনে কমিটি এটাই অনুমোদন কৰা আচনিটো কাৰ্য্যকৰী নোহোৱাটো আমি বুজি নাপাওঁ। এই মৰ্মে আমাৰ দুটা কৰ্ত্তব্য আছে। প্ৰথম কৰ্ত্তব্যটো হল পুৰণি যিবিলাক মঠাউৰি বন্ধা হৈছে সেই বিলাক মেৰামতি কৰি কাৰ্য্যক্ৰম কৰি ৰখা আৰু দ্বিতীয়তে প্ৰয়োজন অনুসাৰে নতুন মঠাউৰি নিৰ্মাণ কৰা। আগতে নিৰ্মাণ কৰা মঠাউৰি বিলাকৰ দ্বাৰা যদি ৰাইজৰ উপকাৰ সাধন নহয় বা তেনে ধৰণৰ মঠাউৰি নিৰ্মাণ কৰাত ভুল হয় তাক সংশোধন নকৰি বা ভঙা মঠাউৰি বিলাক মেৰামত নকৰি নতুন মঠাউৰি কৰি বাজেটৰ কিছুমান আঁচনি সন্নিবিষ্ট কৰাৰ যি চিন্তাধাৰা সেইটো ভাল বুলি কব নোৱাৰি। অৱশ্যে মই এই বাজেটত সমৰ্থন জনাইছো আৰু তাৰ লগতে মন্ত্ৰী

মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰো যে যিবিলাক পুৰণা মঠাউবি আছে সেই-বিলাক প্ৰয়োজন অনুসাৰে মেৰামতি কৰা দৰ্কাৰ।

( ভইছ—আপুনি কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছে নেকি ? )

আমাক টকা আৰু লাগে। তেনেস্থলত যিখিনি দিছে সেইখিনিক ১ টকালৈ হ্ৰাস কৰিব লাগে বুলি কেনেকৈ কওঁ। মাননীয় সদস্য সকলেও কেৱল গতানুগতিক ভাৱেহে বিৰোধীতা কৰিছে. উপাধ্যক্ষ মহোদয়, ১৯৫৫ চনৰ পৰা মঠাউবি নিৰ্মাণৰ কাৰণে বহু মাটি অধিগ্ৰহণ কৰা হৈছিল কিন্তু আজি ২০ বছৰে বেছি ভাগ মানুহে তাৰ ক্ষতিপূৰণ মাত্ৰ আধা টকাহে পাইছে। এই ক্ষতিপূৰণৰ কাৰণে ১৭ লাখ টকা নিৰ্ণয় কৰা হৈছে। সেই টকা মানুহে এতিয়াও পোৱা নাই। লাওখোৱা মৌজাৰ অৱস্থাও তদৰূপ। ইয়াৰ পৰিণতি হিচাপে এতিয়া ৰাইজে কৈছে যে ভৱিষ্যতে পূৰা ক্ষতিপূৰণ নিদিলে মাটি কেতিয়াও এৰি দিয়া নহয়। গতিকে মানুহ বিলাক মাটিৰ ক্ষতিপূৰণ নোহোৱাকৈ বা ইমানদিনলৈকে সেই বিষয়ে কোনো সিদ্ধান্ত আজিলৈকে নোহোৱাতো বৰ পৰিতাপৰ কথা অথচ এই মৰ্মে মুখ্যমন্ত্ৰীয়েও আমাক আসা দিছে। যিহওক এই বাননিয়ন্ত্ৰণ দায়িত্বটো কেন্দ্ৰীয় চৰকাৰে বহুদিনৰে পৰা লোৱাৰ কথা চলি আছে আৰু মুখ্যমন্ত্ৰীয়েও আমাক এনে এটা আভাষেই দিছিল। গতিকে চৰকাৰে অতি সোনকালে বাননিয়ন্ত্ৰণৰ দায়িত্বটো যদি গতাই দিব পাৰে তেতিয়াহলে অসম চৰকাৰে অন্যান্য উন্নয়নমূলক কামত বেছিকৈ মন দিব পাৰে। সেই বিষয়টোত আমাৰ চৰকাৰে জোৰ দিব বুলি মই অনুৰোধ জনাইছোঁ। মহোদয়, বৰ্ত্তমান জৰুৰীকালীন ব্যৱস্থাৰ ভিতৰত এই বিভাগত থকা কিছুমান দুৰ্নীতিপৰায়ণ লোকক শাস্তি দিয়া ব্যৱস্থা কৰা কাৰণে মই চৰকাৰক শুলগ জনাইছোঁ আৰু তাৰ কাৰণে আমাৰ মুখ্যমন্ত্ৰীও আমাৰ ধন্যবাদৰ পাত্ৰ। সাধাৰণতে এই বিভাগত যেতিয়া সংৰক্ষণ কাৰ্য্য চলে তেতিয়া তাত বেছিকৈ দুৰ্নীতি হয় কাৰণ সময়ে সময়ে সেই কাম বিলাক খৰখেদাকৈ লয় আৰু ৰাতাৰাতিয়ে কিছুমান অফিচাৰ সকলৰ প্ৰিয়পাত্ৰৰ নামত ঠিকা দি দুৰ্নীতি কৰাৰ সুবিধা লয়। আৰু ফলত প্ৰকৃত মেৰামতি নহৈ সৰ্বসাধাৰণৰ কষ্ট হয়।

গতিকে বাকী থকা অভিযোগ বিলাকলৈ চৰকাৰৰ তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ
মই চৰকাৰক অনুৰোধ কৰিলো।

শ্ৰীমাল চন্দ্ৰ পেগু—মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটোত বিৰোধীতা
কৰি মই দুবাৰ কবলৈ থিয় হৈছোঁ। বৰ্ত্তমানে আমাৰ এই বিভাগৰ
যিজনা মন্ত্ৰী তেখেতৰ দিনত বিভাগত কোনো দুৰ্নীতি নাই বুলি কলে
কোনো বঢ়াই কোনো নহয়। তেখেতে মন্ত্ৰী পদ গ্ৰহণ কৰাৰ পিচত
কৰ্মস্থললৈ নিজে গৈ কাম কাজ বিলাক চাই কোন এক্‌জিকিউটিভ ইঞ্জি-
নীয়াৰে কি কাম কৰিছে তেখেতে নিজে গৈ চাইছে তেনেস্থলত মাননীয়
সদস্য সকলে এই বিভাগৰ যিখিনি সমালোচনা কৰিছে সেইবিলাক নিৰৰ্থক।
আগতে যিবিলাক কাম হোৱা নাছিল সেই বিলাক এতিয়া হৈছে আৰু
তাৰ কাৰণে মই বিভাগীয় মন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মহোদয়,
আপুনি জানে যে পৃথিৱীৰ ভিতৰতে ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰাটো টান।
তথাপি মই চৰকাৰৰ চোকা দৃষ্টি আকৰ্ষণ কৰো কেনেকৈনো এই ব্ৰহ্ম-
পুত্ৰ নদীখন নিয়ন্ত্ৰণ কৰিব পৰা যায় তাৰ এটা ব্যৱস্থা কৰিব লাগে।
তাৰ কাৰণে দৰ্কাৰ হলে গোটেই পৃথিৱীৰ পৰা ডাঙৰ ডাঙৰ ইঞ্জিনীয়াৰ
আনি সেই কাম সমাধা কৰিব লাগে। এসময়ত এটা প্ৰৱন্ধত ভূতপূৰ্ব
কেন্দ্ৰীয় মন্ত্ৰী ডঃ কে, এল, ৰাৱে লিখিছিল যে পৃথিৱীৰ অন্য যি কোনো
নদীকে নিয়ন্ত্ৰণ কৰিব পাৰিলেও ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰা টান কথা।
তথাপি এনে এটা বিৰাট নদী আমাৰ চৰকাৰে কিছুপৰিমাণে হলেও
নিয়ন্ত্ৰণ কৰি মানুহক শস্য উৎপাদন কৰাত সমৰ্থ কৰিছে। গতিকে এই
মৰ্মে কেন্দ্ৰৰ পৰা অহা টকাৰ উপৰিও আমাৰ ৰাজ্যিক পুঁজিৰ পৰা
টকা দি কাম কৰিব লাগে। বৰ্ত্তমান এই শিভানত যিখিনি টকা ধৰা
হৈছে সেইখিনি অকল মাজুলী বাননিয়ন্ত্ৰণৰ কাৰণেই প্ৰয়োজন হয়।
বৰ্ত্তমানে চৰকাৰে চাব লাগিব যে কোন ঠাইত বেছি প্ৰয়োজন। কিন্তু
তেনে ঠাইত বাননিয়ন্ত্ৰনত অগ্ৰাধিকাৰ দিব লাগিব। গতিকে টেকেলা
ফুটাৰ পৰা লাহতী মুখলৈকে এটা বান্ধ নিতান্ত প্ৰয়োজন। তাকে যদি
নকৰে আমাৰ শ্ৰীপ্ৰেম বৰা য'ৰ পৰা আহিছে সেই বিহপুৰীয়া সমষ্টি
বিলীন হৈ যাব লগতে শ্ৰীৰাম শৰ্মাৰ সমষ্টিতোও বিলীন হৈ যাব।

গতিকে বৰ্ত্তমানে যি টকা ধৰা হৈ সেই টকাখিনি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ যিখিনি অঞ্চল বানবিধ্বস্ত হৈ আছে তাত বেচি গুৰুত্ব দি টকা খৰচ কৰিব লাগে। তাৰ লগে লগে ব্ৰহ্মপুত্ৰৰ সোঁতে যিবিলাক ঠাইত বেছিকৈ কোবায় সেই ঠাইত গাইড বান্ধি দিব লাগে। তাৰোপৰি মথাউৰি বিলাক যাতে বাৰিষা কালত ভাগি নাযায় তাৰ কাৰণে চিন্তা কৰি যথোপযুক্ত ব্যৱস্থা কৰিব লাগে। বিশেষকৈ যোৱা বছৰ যিবিলাক মথাউৰি বা গাইড বান্ধ ক্ষতিগ্ৰস্ত হৈছিল সেই বিলাক মেৰামতি কৰাৰ চেষ্টা কৰিব লাগে।

এই প্ৰসঙ্গতে মই অন্য এটা মোৰ সমষ্টিৰ কথা উল্লেখ কৰিব খুজিছো। সেইটো হৈছে কমলাবাৰী টাউনৰ থানা অঞ্চলটো গৰাখহনীয়াই ভাঙি নিব ধৰিছে। এই অঞ্চলটো যাতে ৰক্ষা কৰিব পাৰি তাৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। লগতে এই কথাও মই কব খুজিছো যে সেই অঞ্চলটো ৰক্ষা নকৰিলে তাত থকা জন চিকিৎসা কেন্দ্ৰটো ভাঙি যাব। গৰমুৰৰ পৰা মালাবিষ্ঠা আৰু বালিচাপৰিৰ পৰা চিনাতলিলৈ মথাউৰি কৰাৰ কথা আজি দুই বছৰ আগতেই খোলাৰ কথা আছিল। এই বিষয়ে প্লেন আৰু এচটিমেট অহা মাৰ্চ বা এপ্ৰিলৰ ভিতৰিতে কৰিবলৈ অনুৰোধ জনাই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীপ্ৰেমধৰ বৰা—অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণ বিভাগৰ শিতানত যিটো কৰ্ত্তন প্ৰস্তাৱ উথাপিত হৈছে সেই সম্পৰ্কত মই চৰকাৰৰ কাৰ্য্যকলাপৰ সম্পৰ্কে দুই-এষাৰ কব খুজিছো। আশাকৰো চৰকাৰ এই বিষয়ত সজাগ হব আৰু দুখীয়া জনসাধাৰণক এই বিভাগৰ জৰিয়তে কিছু সকাহ দিব। ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ বিভাগটো খোলা হ'ল ৫ বছৰ আগতেই কিন্তু এই বিভাগে কেন্দ্ৰীয় চৰকাৰক যথাযুক্ত ভাৱে এই বিভাগটোৰ ভাৰ লবলৈ হেঁচা দিব নোৱাৰাৰ ফলত আৰু বক্তৃতাৰ এই সদনত আশ্বাস দিয়াৰ সত্ত্বেও এই ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণৰ কথাটো ভাৰত চৰকাৰে এৰি দিলে। গতিকে এইটো পৰিলক্ষিত হৈছে যে এই বিভাগটো আৰু বিভাগীয়

* Speech not corrected.

মন্ত্ৰীকে ধৰি সকলোবিলাক কৰ্মচাৰীয়ে অকৰ্মণ্য। ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ সমস্যাটো পৃথিবীৰ ভিতৰত এটা বৃহৎ সমস্যা। ইয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ২৫২ কোটি টকাৰ প্ৰয়োজন হয় আৰু ইমান টকাৰ আঁচনি লৈ ইয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে কৰ্মচাৰীও দিলে কিন্তু এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে টকা নিদিলে। এইটো বৰ দুখৰ কথা। মই আশা কৰো আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এই ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ সম্পৰ্কত জোৰ দিবলৈ সক্ষম হব। কাৰণ এই সমস্যাটো ৰাজ্যিক সমস্যাই নহয় ই জাতীয় সমস্যা। গতিকে এই জাতীয় সমাস্যাটোৰ কাৰণে যাতে ভাৰত চৰকাৰে গুৰুত্ব দিয়ে আৰু তাৰ বাবে আৱশ্যকীয় পুঁজি দিয়ে। তাৰ কাৰণে আমাৰ চৰকাৰে যতপৰোনাস্তি চেষ্টা কৰিব। এই ব্ৰহ্মপুত্ৰ কমিচনৰ বিভাগটোৱে বৰ্তমানে আগৰ ই এণ্ড ডি বিভাগে কৰা মথাউৰিৰ কাম কৰাটো বৰ পৰিতাপৰ কথা হৈছে। আৰু আগৰ তুলনাত এই ক্ষেত্ৰত কম টকা খৰচ কৰা হৈছে। গতিকে ব্ৰহ্মপুত্ৰ কমিচনে মাত্ৰ চাইনবোৰ্ড লিখি এইদৰে কাম কৰাৰ কোনো অৰ্থ নাই।

মথাউৰি নিৰ্মাণৰ সম্পৰ্কত যিবিলাক দুখীয়া জনসাধাৰণৰ খেতিৰ মাটি অধিগ্ৰহণ কৰা হল সেই অধিগ্ৰহণৰ ক্ষতিপূৰণ এতিয়ালৈকে বাইজে নাপালে। এই সম্পৰ্কত প্ৰায় ১৫ বছৰেও এই টকাটো ক্ষতিপূৰণ হিচাপে আয়োগে দিব নোৱাৰিলে। তাৰ ফলত দুখীয়া মানুহ বিলাকৰ মাটি গ'ল কিন্তু তাৰ ক্ষতিপূৰণ নাপালে। আশাকৰো এই ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা চৰকাৰে সোনকালে কৰিব।

তাৰপাচত নতুন মথাউৰি আৰু আধৰুৱা মথাউৰি বিলাকৰ কাৰণে টকা-পইচা পালে কৰাৰ কথা আছে কিন্তু এইবিলাক আঁচনি লোৱাৰ সময়ত বহুতো দূৰ্নীতি আহি পৰে। এই সদনত এই সম্পৰ্কত মই যোৱা বাৰো কৈছিলো যে ১৪ লাখ টকা ফ্লাড ফাইটিং দূৰ্নীতি হৈছে। আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াইও তদন্ত কৰিব বুলি কৈছিল। কিন্তু এতিয়াও তাৰ সিদ্ধান্ত নহ'ল। এই ক্ষেত্ৰত ঠিকাদাৰ সকলৰ বিল বন্ধ কৰিছে বুলি শুনিছো। যিবিলাক ঠিকাদাৰে সমল চাপ্লাই নকৰাকৈ

এই বিল কৰিছে তেওঁলোকৰ অৱস্থা কি হব এইটোৰ চৰম শাস্তিমূলক ব্যৱস্থা হব নেকি? এই ১৪ লাখ টকাৰ লগত জৰিত যিবিলাক বিগত যিসকলে স্বাক্ষৰ কৰিছে তেওঁলোকৰ প্ৰতি শাস্তিমূলক ব্যৱস্থা লৈ তাৰ পে-বিল বোদ কৰিব লাগে। এই সম্পৰ্কত মই এইটো কথা কব খুজিছো যে যিবিলাক নতুন আঁচনি সেই বিলাকৰ সম্পৰ্কত গুৱাহাটীত তিনি মহলীয়া অফিচলৈ যিসকলে অহা-যোৱা কৰিব পাৰে তেওঁলোকেই এই আঁচনিবিলাক পাচ কৰি লৈ যায়। আৰু ইয়াৰ কোনো প্ৰাইয়োৰিটি ভিত্তিত কৰা নহয়। ইয়াৰ ভিত্তি অন্য?

আজি বাইজে ৰাজ্যখনৰ আৰ্থিক দূৰাৱস্থাৰ কথা, মিতব্যয়িতাৰ কথা কয়। গতিকে এই আঁচনি বিলাক হাতত লবৰ সময়ত আমি ভালদৰে চালি-জাৰি নাচালে দেশৰ এই অৱস্থা উন্নত নহয়। ইয়াৰ বাহিৰেও আমি বহুবাৰ পৰামৰ্শ আগবঢ়াইছিলো যে আমাৰ যিবিলাক আঁচনি জিলা পৰ্য্যায়ত বা মহকুমা পৰ্যায়ত লোৱা হয় সেইবিলাকৰ বাবে একোখনকৈ উপদেষ্টা কমিটি গঠন কৰি দিব লাগে। ইয়াৰ বাহিৰেও বান নিয়ন্ত্ৰণ বিভাগে যাতে নিয়াৰিকৈ কৰিব পাৰে তাৰ বাবে চাৰ-এডভাইচাৰী বোৰ্ডি থাকিব লাগে। অৱশ্যে যোৱা বাৰ বান-নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে বাৰিষা কালত গৈ সেই এলেকা বিলাক পৰিদৰ্শন কৰিছে। গতিকে এই সকলো বিলাক চালি জাৰি চাই যিটো আঁচনি বেছি দৰকাৰী সেই আঁচনিৰ ওপৰত আমি বেছি জোৰ দিব লাগিব। আজি বান নিয়ন্ত্ৰণৰ নামত ব্ৰহ্মপুত্ৰ আয়োগ নাম দি চাইন বোৰ্ড দি ৰাখিছে কিন্তু আজি এই বানপানীৰ সমস্যাটো ৰাজ্যখনৰ সমস্যাই নহয় ই এটা ৰাষ্ট্ৰীয় সমস্যা। গতিকে এই সকলো খিনি কৰিবলৈ দৃষ্টি আকৰ্ষণ কৰি মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি বক্তৃবাৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ—আমি এতিয়া ৫ তাৰিখটো আছো। এইটো শেষ কৰিব নে ক্ৰমশ কৰিব?

(বিভিন্ন সদস্যৰ মাজত আলোচনা)

* ডাঃ কোমেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি

*Speech not corrected

কেইটামান কথা কবলৈ বিচাৰিছো। আমাৰ অসমখন এখন প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰা দেশ। খেতিবাতি আদি বৈজ্ঞানিক পদ্ধতিত কৰিবৰ কাৰণে বহুতো টকা খৰচ কৰা হৈছে। আমাৰ দেশত ১৯৫০ চনতে প্ৰাকৃতিক দুৰ্যোগ হৈছিল, ভূমিকম্প হৈছিল তাৰ পৰাই আমাৰ দেশত বানপানী হুবলৈ ধৰিছে। অলপতে বৰষুণ হলে পানী বিয়পি পৰে। ১৯৫০ চনৰ পিচৰ পৰাই পানীৰ প্ৰকোপ বেছি হৈ আহিছে। আজি আমাৰ দেশত বান নিয়ন্ত্ৰণৰ কাৰণে বহুতো টকা খৰচ কৰিছে। মথাউৰি ভঙাৰ বাবে ১৯৫০ চনৰ পৰা এতিয়ালৈকে বহুতো মানুহ মৃত্যুৰ মুখত পৰিছে। সেইকাৰণে এইখিনিতে মই এটা পৰামৰ্শ দিব বিচাৰিছো যে, বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ইমান কোটি টকা খৰচ নকৰি নদীৰ দুয়োপাৰে যদি যথেষ্ট বিজাৰ্ভৰ দৰে ঝাও গছ ৰুই দিয়া হয় তেনেহলে মই ভাবো যে, এইটো শতগুণে ভাল হব। ঝাও দিয়াৰ বাবে পানীৰ সোঁত কমি যাব। তেতিয়া কোনো ড্ৰেজাৰৰ প্ৰয়োজন নহব। ইয়াৰ বাহিৰেও উত্তৰ পাৰে দিকং, ভৰলী আদি যিবিলাক উপনদী আছে সেইবিলাকত যদি দমকল বহুৱাৰ ব্যৱস্থা কৰে তেনেহলে পানীৰ সোঁতো কমি যাব। আজি ১৫।২০ বছৰে নদীৰ মথাউৰিত থকা ঝাও গছ বিলাক কাটি মানুহে খৰি হিচাবে ব্যৱহাৰ কৰাৰ বাবেই আজি নদীৰ পাৰত ঝাও গছ নোহোৱা হ'ল। ইয়াৰোপৰি সোৱনশিৰী, ভৰলী আদি নদীত যদি বিজুলী শক্তিৰ প্ৰকল্প কৰা হয় তেনেহলেও বহু টকা বাহি হব। গতিকে চৰকাৰে এই ব্যৱস্থা কৰিলে বহু মানুহ মৃত্যুৰ মুখৰ পৰা বাচিব। লগতে নানা জীৱজন্তু মৃত্যুৰ মুখৰ পৰা হাত সাৰিব। গতিকে চৰকাৰৰ ওচৰত মই এই পৰামৰ্শ আগবঢ়াই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি এই বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীজগদীশ দাস—মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে বান নিয়ন্ত্ৰন বিভাগত মই সেই কৰ্ত্তন প্ৰস্তাৱ বিৰোধীতা কৰি দুষাৰমান কব বিচাৰিছো। বান নিয়ন্ত্ৰনৰ বস্তুটো এটা জটিল বস্তু হৈ পৰিছে। ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰন কৰিবলৈ যাওঁতে কঠোৰ

*Speech not corrected.

পৰিশ্ৰম আৰু যথেষ্ট টকা পইচা খৰচ কৰা হৈছে কিন্তু আমাৰ ৰাজ্যত বাননিয়ন্ত্ৰনৰ এটা স্থায়ী ব্যৱস্থা নহলে টকা খৰচ কৰিলেও একো লাভ নহব। বাননিয়ন্ত্ৰনৰ কাৰণে যিখিনি টকা খৰচ কৰা হৈছে সেইখিনি টকাৰ পৰা আমি ভালকৈ উপকৃত হব পৰা নাই। গতিকে ব্ৰহ্মপুত্ৰক স্থায়ীভাৱে নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰিব নোৱাৰিলে বাকীবোৰত মঠাউৰিৰ দ্বাৰা কোনো কাম নহয়। মোৰ সমষ্টিতে আজি ২ বছৰ ধৰি এটা মঠাউৰিৰ কাম আৰম্ভ কৰা হৈছে কিন্তু সেইটো ভাগি ৪ মাইল ভিতৰলৈ সোমাই আহিল সম্পূৰ্ণ হ লৈয়ে নাপালে। গতিকে মঠাউৰিয়ে চিৰকাল বচাই ৰাখিব নোৱাৰে। গতিকে যিখিনি টকা খৰছ কৰা হৈছে তাৰ দ্বাৰা সাময়িক সকাহৰাহ ব্যৱস্থা কৰা হৈছে। আমি চিন্তা কৰা উচিত যাতে বানপানীৰ পৰা ৰক্ষা পাবলৈ অধিক টকা পইচা খৰছ কৰি হলেও কিছু ব্যৱস্থা অতি সোনকালে লব পাৰি। আনহাতে বানপানীৰ সময়ত আমি বহুতেই খেতিবাতি নষ্ট কৰো গতিকে খৰালী কালত যাতে খেতি কৰিব পাৰি সেই ব্যৱস্থা চৰকাৰে হাতত লব লাগে। জলসিঞ্চনৰ দ্বাৰা যিবিলাক আঁচনি লোৱা হৈছে বানপানীৰ এলেকাত তেনে আঁচনি খুব কম হৈছে। মোৰ সমষ্টিতে ৬ খন মৌজাত তেনেকুৱা আঁচনি আছে যদিও গোটেইখিনি সামৰি লব পৰা নাই। বানপানীৰ পৰা ৰক্ষা পাবলৈ ধাৰ কৰিও আঁচনি লব লগা হৈছে কিন্তু এই আঁচনিৰ দ্বাৰা ৰাইজৰ ওপৰত কোনো কৰকাটল লগাব পৰা নাই ফলত ধাৰৰ ঘৰত টকাৰ সংখ্যা বেছি হৈ গৈছে। গতিকে মঠাউৰি আদি সন্ধান্ত যিবিলাক আঁচনি লোৱা হৈছে তাৰ পৰা যদি কৰকাটল আদায় কৰিব পৰা নহয় তেনেহলে এই টকাখিনি পূৰণ কৰিবলৈ আমাৰ ৰাজ্যত ডাঙৰ সমস্যা হৈ থাকিব। গতিকে কিছুমান ক্ষেত্ৰত কৰকাটলৰ ব্যৱস্থা কৰাও উচিত। কাৰণ কেন্দ্ৰীয় চৰকাৰে দিয়া টকা পইচাৰ কৰকাটলেৰে যি লগোৱা হব সেই সুদৰ টকাৰে কিছু কিছু কাম কৰিব পৰা হব আৰু যিবিলাক বানপানী ৰক্ষাৰ সৰু সৰু আঁচনি সেইবিলাক এই টকাৰে কৰিব পৰা হব। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কাৰণে দেশী বিদেশী বহুত মানুহ চেষ্টা কৰি আছে কিন্তু এই কথা সম্ভৱ হব বুলি আমি ভবা নাই।

গতিকে ব্ৰহ্মপুত্ৰৰ সৰু সৰু যিবিলাক নদী কপিলী পাগলাদিয়া সেইবিলাকত কম টকাৰে যাতে কিছু মঠাউৰি বান্ধি দিব পাৰি আৰু তাৰ পৰা যাতে মানুহ বিলাকৰ মাটিৰ বী ৰক্ষা পৰে আৰু খেতিবাতি কৰিব পাৰে, তেনেকুৱা সৰু সৰু আঁচনি বিলাকৰ কাম হাতত লব লাগে তেতিয়াহে মানুহ উপকৃত হব। গতিকে মই মন্ত্ৰী মহোদয়ক এই সৰু সৰু আঁচনি-বোৰ হাতত কৰলৈহে পৰামৰ্শ আগবঢ়ালো। আনহাতে যিবিলাক ঠাইত পানীৰ পৰা মঠাউৰীৰ দ্বাৰা হাত সাৰিব পাৰে তেনেকুৱা মানুহৰ ওপৰত অলপ কৰকাটল আদায়ৰ ব্যৱস্থা কৰিব লাগে।

আমাৰ মাননীয় সদস্য শ্ৰীকোষেশ্বৰ বৰা ডাঙৰীয়াই এটা ভাল পৰামৰ্শ আগবঢ়াইছে যে ব্ৰহ্মপুত্ৰৰ পাৰত যদি ফৰেষ্ট এৰিয়া কৰা হয় তেনেহলে সেই ঠাইবিলাক কিছু ওখ হব আৰু বানপানী সহজে নহব আৰু সেইবিলাকে মঠাউৰিৰ কাম কৰিব। মঠাউৰি যেতিয়া আগতে হোৱা নাছিল তেতিয়া প্ৰাকৃতিক ব্যৱস্থাৰে ইয়াৰ ৰোধ কৰা হৈছিল আৰু সেই অৱস্থাটো বহুত ভাল আছিল। গতিকে মই আৰু বেছি নকও সময়ো তাকৰ—এইখিনিতে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীলক্ষ্য নাথ দলে (বাননিয়ন্ত্ৰণ মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে অসম ৰাজ্যৰ দুখন ডাঙৰ নৈ ব্ৰহ্মপুত্ৰ আৰু বৰাক এই নৈ দুখনৰ পৰা আৰু ইয়াৰ উপনদী বিলাকৰ পৰা সৃষ্টি হোৱা বানপানীৰ যি সমস্যা সেই সমস্যা সম্পৰ্কে যি খিনি উদ্বিগ্নতা প্ৰকাশ কৰিছে মইও সেই উদ্বিগ্নতাৰ লগত একমত। গতিকে মাননীয় সদস্য সকলক ধন্যবাদ জনাইছো।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে ঠিকেই কৈছে ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণৰ কথা। কিন্তু আমাৰ ৰাজ্যৰ মিচিনা এখন সৰু ৰাজ্যৰ বাবে এইটো সম্ভৱ নহয়। সেই কাৰণে তেখেত সকলৰ পৰামৰ্শবলী আৰু তাৰ সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰক পৰিস্কাৰ কৰি কৈ দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰেও এই সমস্যা সম্পৰ্কে স্পষ্ট আৰু পৰিস্কাৰ কৈ বুজাই দিয়াত আমি ত্ৰুটি কৰা নাই। কিন্তু কথা হৈছে, বান নিয়ন্ত্ৰণৰ কাৰণে যিটো স্থায়ী ব্যৱস্থা কৰিব লাগে সেই স্থায়ী ব্যৱস্থা কৰিলে আমাৰ হাজাৰ হাজাৰ কোটি টকাৰ প্ৰয়োজন হব। আৰু সেই টকা

কৰ পৰা পোৱা যায় সেই লৈহে সমস্যা। মাত্ৰ ৮০ কোটি টকা এতিয়ালৈকে খৰছ হোৱাতেই যিখিনি উদ্বিগ্নতা মাননীয় সদস্য সকলে প্ৰকাশ কৰিছে, স্থায়ী ব্যৱস্থা কৰিবলৈ গলে যে এই টকাৰ বোজা আমাৰ ৰাইজৰ ওপৰতে পৰিব সেইটো নিশ্চয় মাননীয় সদস্য সকলে অনুমান কৰিছে। সেই কাৰণে মই ভাবো স্থায়ী ব্যৱস্থা যেতিয়ালৈকে লব নোৱাৰে তেতিয়ালৈকে অসমৰ বানপানী সমস্যাৰ স্থায়ী সমাধান কৰিব নোৱাৰি। এতিয়ালৈকে অসমত ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ আৰু উপ-নদী বিলাকত প্ৰায় আমি ৮০ কোটি টকা খৰছ কৰি ৩৪২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মঠাউৰী বন্ধা হৈছে। বোধহয় ভাৰতবৰ্ষই নহয় পৃথিবীৰ ভিতৰতেই মঠাউৰীৰ দৈৰ্ঘ আটাইতকৈ বেচি হব। যদি ৮০ কোটি টকা খৰছ কৰি ৩৪২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মঠাউৰি হয় তেনেহলে মাননীয় সদস্য সকলে নিশ্চয় মনত ৰাখিব যে সমুদায় ৮০ কোটি টকা অপচয় হোৱা নাই। অৱশ্যে কিছু পৰিমাণৰ নিশ্চয় অপচয় হৈছে। কিন্তু ৮০ কোটি টকাকে ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ পানীত ডুবাই দিয়া বুলি যদি অভিযোগ কৰে মই ওলোটাকৈ প্ৰশ্ন সুধিব খুজিছো এই ৩৪২০ কিলোমিটাৰ মঠাউৰি ক'ৰ পৰা হ'ল ? মাননীয় সদস্য সকলে দূৰ্নীতিৰ কথা কৈছে। এই বিভাগতে বেচি দূৰ্নীতি হোৱা বুলি কলে বা এই বিভাগতে দূৰ্নীতিৰ একচেতিয়া হোৱা বুলি কলে মই আপত্তি কৰো।

দূৰ্নীতি সমাজত আছে। দূৰ্নীতি সম্পৰ্কে আলোচনাৰ সমিধান উলিয়াবলৈ যাওঁতে জনসাধাৰণৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ কথাও মনত ৰাখিব লাগিব। অৱশ্যে দূৰ্নীতি নিবাৰণৰ চেষ্টা কৰিব নালাগে বুলি কোৱা নাই। চেষ্টা কৰিয়েই থকা হৈছে। যোৱা বছৰৰ ভিতৰত এই দূৰ্নীতিত অভিযুক্ত বাননিয়ন্ত্ৰণ বিভাগৰ পৰা কেবাজনো উচ্চ আৰু নিম্ন খাপৰ বিষয়াক অপসৰণ কৰা হৈছে। আমাৰ মাননীয় সদস্য সকলে বিশেষকৈ মাননীয় সদস্য শ্ৰীশৰ্মা ডাঙৰীয়াই ড্ৰেজাৰ সম্পৰ্কে উল্লেখ কৰিছে। ব্ৰহ্মপুত্ৰত ড্ৰেজিঙৰে খনন কাৰ্য্য কৰি থকা হৈছে আৰু এই খনন কাৰ্য্য পৰীক্ষামূলক ভাবে কৰা হৈছে। যোৱা বছৰ আমি এই নদীৰ ওপৰত খনন কাৰ্য্য চলাই সম্পূৰ্ণভাবে কৃতকাৰ্য্য হোৱা নাই যদিও আংশিকভাৱে কৃতকাৰ্য্য হৈছো। যোৱা বছৰ যি ঠাইত এই খনন কাৰ্য্য

পৰীক্ষামূলকভাৱে কৰা হৈছিল এইবাৰ অসপ বেলেগ ঠাইত এই কাম কৰা হৈছে। গতিকে এই ড্ৰেজিংৰ কামত কৃতকাৰ্য্যতা যদি লাভ কৰিব পৰা যায় তেনেহলে গোটেই ব্ৰহ্মপুত্ৰ নৈ নিয়ন্ত্ৰণত সহায় কৰিবলৈ তুখন ড্ৰেজাৰেৰে কোনো কাম নহয় আৰু বহুতো ড্ৰেজাৰৰ প্ৰয়োজন হব। মাননীয় সদস্য শ্ৰীখাউণ্ড ডাঙৰীয়াই এটা মৌজা পুখুৰীত পৰিণত কৰা কথা কৈছে। বোধকৰো সেইটো মেলেং নৈৰ মথাউৰি সম্পৰ্কেই হব। তেখেতে কৈছে যে এটা মৌজাক পুখুৰী কৰিবলৈ বিচৰা হৈছে আৰু মৌজাখন বোধকৰো টিয়ক মৌজা হব। কিন্তু কথাটো সঁচা নহয়। যোৱা বছৰ এই মেলেঙৰ মথাউৰি কৰা হৈছে। বাওঁ পাৰে মথাউৰি দিয়া হৈছে আৰু এটা পাৰ মুকলি কৰি ৰখা হৈছে। ৰাইজৰ সুবিধাৰ কাৰণে কিন্তু মই যিমান দূৰ জানো এই পাৰটো খোলা থকা কাৰণে তাত পুখুৰী নহয়।

শ্ৰীচুলাল চন্দ্ৰ খাউণ্ড—মই এটা স্পষ্টিকৰণ বিচাৰিছো। মন্ত্ৰী মহোদয়ে, যিটো কথা কৈছে মই ভাবো মন্ত্ৰী মহোদয়ে কথাটো বুজাই নাই আৰু মৌজা-খনো তিয়ক মৌজা নহয়। মই কৈছো তুখন নৈৰ দুয়ো পাৰে বাহিৰৰ ফালে মথাউৰি বান্ধি দিয়া হৈছে। ভিতৰৰ ফালে দিয়া নাই ফলত মৌজাখন পুখুৰীত পৰিণত হৈছে। মন্ত্ৰী মহোদয়ে এই কথাটো অনু-সন্ধান কৰি জনালে ভাল হয়।

শ্ৰীলক্ষ্য নাথ দলে (মন্ত্ৰী)—মাননীয় সদস্যই কোৱা কথাটো নহবও পাৰে। মই মেলেং নৈৰ কথাহে কৈছো মই অৱশ্যে স্বজমিন তদন্ত কৰি চোৱা নাই। কিন্তু মই কোৱাব দৰে মেলেং নৈৰ এটা পাৰহে বান্ধিব দিয়া হৈছে।

মাননীয় সদস্য শ্ৰীজেলিল চাহাবে বদৰপুৰ টাউন প্ৰটেকচনৰ কথা এটা কৈছিল। এই বছৰ অৰ্থাৎ ৭৬-৭৭ চনত বৰাক উপত্যকাৰ আঁচনিত বদৰপুৰ টাউন প্ৰটেকচনৰ আঁচনি লোৱা হৈছে। মাননীয় সদস্য শ্ৰীমিৰ ডাঙৰীয়াই শ্লুইচ গেটৰ কথা কৈছিল। মই অৱশ্যে হিউমাৰিকেলি কৈছিলো যদিও, এই কথা সঁচা যে, মথাউৰিৰ বাহিৰৰ পানী ভিতৰলৈ সোমোৱা বা অনা নিয়া কৰা বান নিয়ন্ত্ৰণ বিভাগৰ কাম নহয়। ব্ৰহ্মপুত্ৰ নৈৰ স্থায়ী

বান নিয়ন্ত্ৰণ ব্যৱস্থা লোৱাৰ উদ্দেশ্যে সোৱনশিৰি আৰু দিহিং নদীৰ অনুসন্ধান কাৰ্য্য চলি আছে। এই দুই উপনদীত ড্ৰাম বান্ধি নিয়ন্ত্ৰণ কৰিব পৰা যায় নেকি চেষ্টা কৰা হৈছে। গতিকে ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণৰ স্থায়ী ব্যৱস্থা লবলৈ হলে একহাজাৰ কোটি টকাৰ প্ৰয়োজন হব। এই ড্ৰাম বান্ধি শেষ হোৱালৈ বহুতো টকাৰ দৰ্কাৰ হব আৰু অনুসন্ধান কাৰ্য্য প্ৰস্তুত কৰিবলৈ কমেও তিনি বছৰ সময় লব। আৰু স্থায়ী ভাবে নিৰ্মান কাৰ্য্য চলাবলৈ ১০-১৫ বছৰ লাগিব আৰু ১০০০ কোটি টকাৰ প্ৰয়োজন হব। আমি ৮০ কোটি টকা খৰছ কৰি ৩৪২০ কিলোমিটাৰ মথাউৰি বান্ধিছো। আৰু এতিয়াও এই ব্যৱস্থা অস্থায়ী ব্যৱস্থা হৈয়েই আছে। গতিকে ব্যৱস্থা সম্পুৰ্ণ নোহোৱালৈকে এনেকৈ অস্থায়ী ব্যৱস্থাৰেই মানুহক বানপানীৰ পৰা ৰক্ষা কৰিব লাগিব। অন্যথাই অসমত বানপানী হৈয়েই থাকিব আৰু মথাউৰিয়ে তাক ৰক্ষা কৰাটো টান হব। আৰু মাননীয় সদস্য সকলে ৰাইজক বানপানীৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰিয়েই থাকিব লাগিব। সেই কাৰণে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে অসমত ইমান বিলাক নদী আছে, বা এই নদীবিলাক যেতিয়া বাহিৰলৈ পঠিয়াব নোৱাৰো, অসমৰ ৰাইজক বানপানীৰ পৰা ৰক্ষা কৰাটো টান হব আৰু অসমৰ ৰাইজে বানপানীৰ লগত সহঅৱস্থান কৰিব লাগিব। সেই কাৰণে মই মাননীয় সদস্য সকলক বাৰে বাৰে অনুৰোধ কৰিছো যে, তেওঁলোকৰ জৰিয়তে যাতে ৰাইজে জানে যে, অসমৰ ক্ৰপিং চিচটেমটো বেলেগে কৰিব লাগিব। অৰ্থাৎ বানপানী নোহোৱা সময়ত অসমত খেতি কৰিব লাগিব। আৰু আন সময়ত হোৱা খেতিৰ ওপৰত বেচি জোৰ দিব লাগিব। সেইবুলি মই কব খোজা নাই যে, বানপানী নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰিব নালাগে। বানপানী নিয়ন্ত্ৰণৰ চেষ্টা কৰিয়েই থাকিম।

মই ভাবিছিলো মাননীয় সদস্য সকলে এই বাননিয়ন্ত্ৰণৰ কাৰণে আৰু টকাৰ দাবী কৰিব বুলিহে কিন্তু সেই বিষয়ে মাননীয় সদস্য সকলে কোনো কথা নকৈ অইন কিছুমান কথাহে কলে কাৰণ আজি ৰাজ্যখনত অস্থায়ী ব্যৱস্থাৰে বাননিয়ন্ত্ৰণৰ কাৰণে অতি কমেও ২০ কোটি টকা লাগে কিন্তু সেই হিচাবে এতিয়া বহুত কমকৈ ধৰা হৈছে। মই

মাননীয় সদস্য সকলক কব বিচাৰিছো যে আজি আমাৰ ৰাজ্যৰ বান-নিয়ন্ত্ৰণৰ আঁচনিবিলাক প্ৰস্তুত কৰাৰ কাৰণে যিবিলাক ব্যৱস্থা লোৱাতো দৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা দিয়া নিদিয়া ইত্যাদিৰ ক্ষেত্ৰত পলম হৈছে যদিও এই বিলাক ক্ষেত্ৰত মই নিজেই উদাৰক কৰি আছোঁ। মাননীয় সদস্য সকলক জনাব বিচাৰিছো যে দুৰ্নীতি যদিও নাইকীয়া হোৱা নাই তথাপিতো এই দুৰ্নীত কিছু সাম কাটিছে বুলি কব পাৰো। আজি আমাৰ মথাউৰিবিলাক মেৰামতি কৰিবৰ কাৰণে বহুটো টকা-পইচা দৰকাৰ গতিকেই এই টকা-পইচা নোহোৱাৰ কাৰণে এই বছৰ আমাৰ মথাউৰি বিলাকৰ অৱস্থা কি হয় কব নোৱাৰো। এই ৮০ কোটি টকাৰে বন্ধা ৩ হাজাৰ ৪শ ২০ কিলোমিটাৰৰে বন্ধ ২০ লাখ একৰ মাটিত আজি বানপানীৰ পৰা ৰক্ষা কৰিছে। আজি যিহেতুকে এই মথাউৰি বিলাকৰ পৰা আমাৰ জনসাধাৰণ উপকৃত হৈছে সেইহেতু ৰাজ্যৰ চাবিওফালৰ পৰা মথাউৰিৰ কাৰণে দাবী আহিছে। তাৰোপৰি আপোনালোকে চাওক মথাউৰি বন্ধাৰ ফলত আমাৰ ৰাজ্যৰ আজি খাদ্য পৰিস্থিতিতো আগতকৈ বহু গুণে উন্নত হৈছে বুলি কব পাৰি। এইখিনি কথাৰে মই মাননীয় সদস্য সকলক বিশেষকৈ মাননীয় সদস্য বৰা ডাঙৰীয়া আৰু দুলাল খাউণ্ড ডাঙৰীয়াৰ লগতে আন আন যি সকল মাননীয় সদস্যই এই কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিছে, সেইটো উঠাই লব বুলি অনুৰোধ কৰিছোঁ।

মাননীয় অধ্যক্ষ—উঠাই লৈছে নেকি?

বাজেটৰ দাবীৰ ২য় খণ্ড ৯৭১-৯৮১ পৃষ্ঠাত "৩৩৩-জলসিঞ্চন, নৌ-পৰিবহন, খাল ও বাননিয়ন্ত্ৰণ আৰু সাগৰ বহনীয়া প্ৰতিৰোধ প্ৰকল্প "শিতানৰ ৮৪ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৪,৮২,৫৫,০০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৪,৮২,৫৫,০০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক।

Cut motion is lost. Now, the main motion. The main motion that a sum of Rs. 4,82,55,000 be granted to the Minister-in-charge to defray the charges which

will come in course of payment during the year ending the 31st March, 1977, for the administration of the of the head "333- Irrigation, Navigation, Drainage and Flood Control projects (II) G- Flood Control and Anti-Sea Erosion Project":

The motion is passed. Grant No. 84 is passed.

Now, Grant No. 107. There is no Cut Motion.

Now, I put the main motion. The motion is that a sum of Rs. 4,50,00,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1977, for the administration of the Head "533-Capital Outlay on Irrigation, Navigation, Flood Control and Drainage Projects-G-Flood Control and Anti-Sea Erosion Projects".

The motion is passed. The Grant is passed.

Now, the House stands adjourned till 2-40 p. m.

( After Lunch )

The House reassembled at 2.40 p. m. with Honourable Speaker in the Chair.

Mr. Speaker—Grant No. 42.

Shri Girindra Chandra Choudhury ( Minister )—Sir, I beg to move Grant No. 42.

Mr. Speaker—You move all the Grants.

Shri Girindra Chandra Choudhury ( Minister )—I also beg to move Grants No. 43, 37, 44 and 45.

Mr. Speaker—Grants moved.

ডাঃ কোষেশ্বৰ বৰা— অধ্যক্ষ মহোদয়, মই স্বাস্থ্য শিতানত মঞ্জুৰী কেইটাৰ ওপৰত মই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো।

মাননীয় অধ্যক্ষ—পাচটাৰ ভিতৰত এই গ্ৰাণ্ট সমূহ শেষ কৰিবনে ?

(ধ্বনি, হয়)

মন্ত্ৰীৰ উত্তৰ ৪'১৫ বজাত আৰম্ভ হব।

ডাঃ কোষেশ্বৰ বৰা—৪২ নং মঞ্জুৰী।

বাজেটৰ দাবীৰ ১ম খণ্ডৰ ৩৪৭-৪৮ পৃষ্ঠাত "২৮০-চিকিৎসা

(১) "শিতানৰ ৪২ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৮,১৯,২৪,৯০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৮,১৯,২৪,৯০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক।

৪৩ নং মঞ্জুৰী।

বাজেটৰ দাবীৰ ১ম খণ্ডৰ ৩৮৮-৪০৫ পৃষ্ঠাত "২৮১-পৰিয়াল পৰিকল্পনা শিতানৰ ৪৩ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ১,১৮,১৫,৫০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ১,১৮,১৫,৫০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক।

৪৫ নং মঞ্জুৰী।

বাজেটৰ দাবীৰ ১ম খণ্ডৰ ৪৩৭-৪৫১ পৃষ্ঠাত "২৮২-জনস্বাস্থ্য, অনাময় আৰু পানী যোগান, (খ) মল প্ৰবাহ ও পানী যোগান ও স্বাস্থ্য বিভাগ" শিতানৰ ৪৫ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৩,৭৭,৪৫,২০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৩,৭৭,৪৫,২০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক।

Shri Kabir Ch. Ray Pradhani—(Grant No. 44) That the total provision of Rs. 2,69,92,200 under Grant No. 44, Major head "282-Public Health, Sanitation and Water Supply (I) A-" Public Health and Sanitation at pages 406-436 of the Budget volume I, be reduced to Re. 1

i. e. the amount of the whole grant of Rs. 2,69,92,200 do stand reduced to Re. 1.

ডাঃ কোষেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, জনস্বাস্থ্য, পৰিয়াল পৰিকল্পনা, পানী যোগান এই তিনিটা কথা ইটোৰ লগত সিটো ওতঃপ্ৰোত ভাৱে জৰিত। এই তিনিটা বস্তু মানুহৰ জীৱন নিৰ্বাহ কৰিবলৈ অাত প্ৰয়োজন। ইংৰাজীত এটা কথা আছে। এই কথাটো মই ওলোটাই কব খুজিছো—When money is lost nothing is lost, when character is lost something is lost and when health is lost everything is lost. কাৰণ দেহাই হৈছে বেহা। স্বাস্থ্য ভালে নাথাকিলে দেহা নাথাকে আৰু সংসাৰত চিন্তা কৰিবলগীয়া যিবিলাক কথা আছে সেই বিলাক কাৰব নোৱাৰে। স্বাস্থ্য যদি ভালে নাথাকে তেনেহলে আমি এম, এল, এ. হওঁক বা মিনিষ্টাৰেই হওঁক দেশ ৰক্ষা কৰাৰ চিন্তাই নকৰো এই সকলো বিলাক একোৱেই নহয়। গতিকে আমি ভাল স্বাস্থ্য হৈ থাকিবলৈ হলে এই কথা চিন্তা কৰিব লাগিব। এই তিনিটা বিষয়ত মই গুৰুত্ব দিবলৈ বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এই কেইটা শিতানত জনস্বাস্থ্য অটুত ৰাখিবলৈ এতিয়ালৈকে বহুতো লাখ খৰচ খৰচ হৈছে। সেই টকা যাতে সদ্ব্যৱহাৰ হয় আৰু জন কল্যাণ সাধিত হয় তালৈ যেন চৰকাৰে দৃষ্টি দিয়ে।

সেই কাৰণে চিকিৎসাত এটা কথা আছে যে "প্ৰিভেন্সন ইজ বেটাৰ দেন কিউৰ।" অৰ্থাৎ বেমাৰ হৈ ভাল হোৱাতকৈ বেমাৰ নোহোৱাকৈ থকা ভাল। কিন্তু দেখা যায় আমাৰ সমাজত প্ৰতিষেধক মূলক ব্যৱস্থা যিমান পৰিমাণে লব লাগিছিল সিমান পৰিমাণে লোৱা হোৱা নাই। বহুতো বেমাৰৰ প্ৰতিষেধক মূলক ব্যৱস্থা জন স্বাস্থ্য বিভাগে লব নোৱাৰাৰ কাৰণে আজি আমাৰ বহুতো মানুহ বেমাৰী হৈ পৰিছে আৰু স্বাস্থ্য বেয়া হৈ গৈছে। ফলত এই শিতানত চৰকাৰে বহুতো টকা খৰচ কৰিব লগা হৈছে। বিশেষকৈ আমাৰ জনসাধাৰণৰ মাজত অতি বেছিকৈ হৈ থকা বেমাৰ টি, বি এটা সামাজিক বেমাৰ হিচাবে বিয়পি পৰিছে। অধ্যক্ষ মহোদয়, আপুনি জানে যে সি সকল মানুহ বিদেশ ভ্ৰমণ কৰি-

ৰলৈ গৈছে সেই সকলৰ চেষ্ট এক্সৰে কৰা নহলে সেই দেশত প্ৰৱেশ কৰিবলৈ নিদিয়ে। ইয়াৰ পৰাই বুজিব পাৰি যে সেইবোৰ দেশত এই বেমাৰৰ প্ৰতি কিমান সতৰ্ক হয়। যি সকল মানুহৰ সদায় পানী লাগি থাকে আৰু যি সকল মানুহ সাধাৰণতে দুৰ্বল স্বাস্থ্যৰ হয় সেই সকলৰে এই বেমাৰ হয়। মুখ্যমন্ত্ৰীয়ে এদিন আমাক পৰামৰ্শ দিছিল যে বান পানীৰ লগত আমি নাচি বাগি থাকিব লাগে—ঠিক তেনেকৈয়ে এই ৰাজ বেমাৰটোৰ লগত আজি আমাৰ জনসাধাৰণ নাচি-বাগি থাকিব লগা হৈছে। আগতে বেমাৰটোক ৰাজ বেমাৰ বুলি কৈছিল। কাৰণ ৰজাৰ নিচিনা ধনী আৰু প্ৰতাপী মানুহৰ যদি এই বেমাৰ হয় তেন্তে তেওঁহে ইয়াৰ পৰিত্ৰাণ পাব পাৰে। কিয়নো এই বেমাৰ এবাৰ হলে তিনি-মাহৰ পৰা ছমাহ আৰু এবছৰ দেৰ বছৰ পৰ্য্যন্ত চিকিৎসা লব লগা হয়। গতিকে সাধাৰণ মানুহৰ এই বেমাৰ হলে ইমান দীৰ্ঘদিন ধৰি তেওঁলোকে এই বেমাৰৰ চিকিৎসা কৰিব নোৱাৰে। সেই কাৰণে বহুত পৰিয়াল এই বেমাৰৰ কবলত পৰি তিল তিলকৈ মৃত্যুৰ মুখত পৰিব লগা হয়। এই বেমাৰ নিৰ্মূল কৰিবৰ কাৰণে চাহ দোকান আৰু য'ত জন সমাবেশ অধিক হয় সেই ঠাই বিলাকত প্ৰতিষেধক মূলক ব্যৱস্থা লোৱাৰ কোনো ব্যৱস্থা নাই। আমাৰ চৰকাৰে কণা হাঁহক পতান ধান দিয়াৰ দৰে, যদিও এই বেমাৰৰ বাবে বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা কৰিছে তথাপি সেই সুবিধা কেইজন ৰোগীয়ে পাইছে কোৱা টান। আমাৰ মাননীয় সদস্য সকলে নিজৰ নিজৰ সমষ্টিত কেইজন মানুহে ইয়াৰ সুবিধা পাইছে সেইটো চালেই গম পাব। বিশেষকৈ যি সকল দুখীয়া শ্ৰেণীৰ লোক, যাৰ দুবেলা দুমুঠি খাবলৈ নাই আৰু যাৰ 'বেজিষ্টেন্স' নাই সেই শ্ৰেণীৰ মানুহৰে টি,-বি, বেমাৰ বেছি হয় আৰু তাৰ মাজতেই বিয়পি পৰে। তেওঁলোকক ইয়াৰ পৰা ৰক্ষা কৰিবলৈ কোনো নাই। গতিকে, এই বেমাৰটোৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰিব লাগে যাতে আমাৰ ইয়াত এই বেমাৰ হব নোৱাৰে। এই বেমাৰ আন দেশৰ লগত তুলনা নহয়, ইয়াত এই বেমাৰত মানুহ গৰু-ছাগলীৰ নিচিনাকৈ মৰিব লগা হৈছে।

ইয়াৰ বাহিৰেও আন আন যিবিলাক দূৰাৰোগ্য বেমাৰ ক্লেন্সাৰ আদিৰ নিচিনা ৰোগ যিবিলাক অতি সোনকালে ভাল নহয় সেই বিলাক্কৰ ভাল প্ৰতিশেধক ব্যৱস্থা লব লাগে বুলি মই চৰকাৰক অৱগত কৰিছো। ইয়াৰ বাহিৰেও জনস্বাস্থ্য বিভাগৰ আৰু বহুখিনি প্ৰতিশেধক-মূলক ব্যৱস্থা কৰিবলগীয়া আছে। বসন্ত, মেলেৰীয়া, মহামাৰী আদি ৰোগৰ বাবে আগতীয়াকৈ চিতা লোৱা আৰু বেজী লোৱাৰ ব্যৱস্থাৰ প্ৰতি ৰাইজক সজাগ কৰা নহয় তেন্তে ই মহামাৰী আকাৰে দেখা দিব। যোৱা বছৰ যেনে ধৰণেৰে বসন্ত ৰোগ অসমত হৈছিল তাৰ পৰাই অনুমান কৰিব পাৰি যে চিতা দিয়াৰ ব্যৱস্থা প্ৰখৰ আৰু সময় মতে হোৱা নাই! গতিকে, এই বেমাৰৰ প্ৰতিশেধকমূলক ব্যৱস্থাৰ প্ৰতি চৰকাৰ, আমাৰ ৰাইজ আৰু কৰ্মচাৰী সকল কিমান সজাগ তাৰ পৰাই বুজিব পাৰি। অকল এটা শ্ৰেণীকে মই এই ক্ষেত্ৰত দোষ দিব খোজা নাই। এই ক্ষেত্ৰত মই তিনিওটা শ্ৰেণীকে সমানে জগৰীয়া কৰিছো। গোটেই বিশ্বতে বসন্ত মহামাৰীৰ নিৰ্মূল কৰা হৈছে এই কথাকে লৈ আমি যদি বুকু ফিন্দাই থাকো তেন্তে তাৰ পৰা কোনো নিৰ্মূল কৰণৰ ব্যৱস্থা নহব। আজিৰ পৰা পাঁচ বছৰমান আগতে চিতা দিয়াৰ ক্ষেত্ৰত অফিচাৰ বা কৰ্মচাৰী সকলে ফাকি দিয়া দেখা গৈছিল। চিতা হৈছে বুলি মিছাকৈয়ে তেওঁলোকে ৰিপৰ্ট দিছিল। এই ক্ষেত্ৰত সমাজো সজাগ নহয়, কৰ্মচাৰী আৰু চৰকাৰো সজাগ নহয়, সেইবুলি অকল চৰকাৰকে দোষ দি থাকিলেই আমি ক্ষান্ত নহওঁ। ৰাইজে যাতে এই বিষয়ত ভাল ধৰণেৰে সজাগ হয় তাৰ প্ৰতি ৰাইজক ভাল ধৰণেৰে সতৰ্ক কৰি দিব লাগে আৰু ৰাইজেও তাক আন্তৰিকতাৰে গ্ৰহণ কৰিব লাগে যাতে ইয়াৰ পৰা অৰ্থাৎ এই বেমাৰৰ পৰা মানুহৰ অহিত নহয় আৰু জনসাধাৰণ বিপদৰ সন্মুখীন নহয়। যোৱা কেইবছৰত যে মেলেৰীয়াত বহুত মানুহ মৰিছে, যদিও যোৱা বছৰ মৃত্যুৰ সংখ্যা কম আছিল সেই ফালৰ পৰা এইটো কব নোৱাৰি যে এই বেমাৰ নিৰ্মূল কৰা হৈছে। মেলেৰীয়াৰ প্ৰতিশেধক যিটো ব্যৱস্থা আছে সেইটো খৰটকীয়া কৰিবলৈ মই এই বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

এই কেইবছৰত আমাৰ ৰাজ্যত বহুতো হস্পিতাল হৈছে, সেইটো মই স্বীকাৰ কৰিছো। কিন্তু কথা হৈছে বৰ্ত্তমান সময়ৰ লগত খাপ খোৱাকৈ এই হস্পিতালবোৰে চিকিৎসা দিব পাৰিছে নে নাই সেইটোহে বিচাৰ্য্য বিষয়। আন আন হস্পিতালৰ কথা বাদ দি মই আমাৰ মেডিকেল কলেজ কেইখনৰ কথা উন্নুকিয়াওঁ। ডিব্ৰুগড়ত হস্পিতাল হোৱা আজি বহুত দিন হল—অন্যান্য হস্পিতালৰ কথা বাদ দিলেও মই আমাৰ অসমৰ তিনিখন মেডিকেল কলেজ হল কিন্তু এই কলেজ বিলাকত যিখিনি সুবিধা দিব লাগিছিল তাৰ একো হোৱা নাই। আজিলৈকে কেৱল গতানুগতিক ভাৱে ৫০ বছৰ আগৰে পৰা যেনে ধৰণে চিকিৎসা হৈ আছিল তেনে ধৰণে অস্ত্ৰোপচাৰ 'গলব্লাডাৰ' আদিৰ চিকিৎসা হৈ আছে ই, এন্দ, টি বিভাগত অৰুল টনচিলেকটমি আদিহে হৈ আছে। কেন্সাৰৰ সম্বন্ধে ডিপ এক্সৰে আৰু কোবাল্ট থেৰাপি চিকিৎসা দিয়াৰ ব্যৱস্থা কৰিছে যদিও ডিব্ৰুগড় আৰু গুৱাহাটী মেডিকেল কলেজত যি দুটা মেচিন আছে সেই মেচিন বিলাকো কেতিয়াবা বেয়া হৈ থাকে কেতিয়াবা এক্সপাৰ্ট নাই। আজি সকলোৱে উপলব্ধি কৰো যে অসমৰ জনসাধাৰণৰ মাজত কেন্সাৰ ৰোগ বেছি ৰকমে উগ্ৰ হৈছে। এনেকি আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়াও এই বেমাৰত ভূগি আছে আৰু এই ৰোগৰ চিকিৎসা অসমত থকা কোনো কলেজৰ নথকা কাৰণেই হয়তো বহুতো চিকিৎসাৰ কাৰণে তেখেত বাহিৰলৈ যাবলগীয়া হৈছে। অসমত এই ডিপ এক্সৰে বিষয়ৰ এজন অসমীয়া ভাল ৰেডিয়লজিষ্ট আছিল। তেওঁৰ ইমানেই সুদক্ষতা যে তেওঁ বিলাতত সেই বিষয়ৰ কনচালটেণ্টৰ সুবিধা পাইছিল। সাধাৰণতে যেই সেই ডাক্তৰে বিলাতত কনচালটেণ্ট হোৱাৰ সুবিধা নাপায়। তেনে অভিজ্ঞতা থকা মানুহ এজনক যাৰ দেশৰ প্ৰতি প্ৰেম আছে তেওঁক আমাৰ দেশত বেছিকৈ কেন্সাৰ ৰোগত ভোগ কৰা লোক থকা সত্বেও সেই অভিজ্ঞ ডাক্তৰ গাজী গিয়াচুদ্দিন আহমেদক অসম চৰকাৰে কিয় চাকৰীৰ পৰা বৰ্খাস্ত কৰিছে মই বুজি নাপাওঁ। যি বিলাক লোক বিদেশৰ পৰা শিক্ষা লাভ কৰি আহিছে মই জনাত তেওঁলোক দুৰ্নীতিত লিপ্ত হব নোৱাৰে মই নিজেও বিলাতত আছিলোঁ। তাৰ মানুহৰ দেশৰ

প্ৰতি যি প্ৰেম সেইটো আমিও শিকিছিলোঁ। আৰু এই গাজী গিয়াচুদ্দিন আহমেদক মই ছাত্ৰ হিচাপেও পাইছিলো, বিলাততো লগ পাইছোঁ আৰু ইয়াত কাম কৰি থকা অৱস্থাতো লগ পাইছো গতিকে মই ডাঠি কব পাৰেঁ। যে এই ডঃ আহমেদ কোনো দুৰ্নীতিত লিপ্ত হোৱা নাই। ভাৰতৰ ভিতৰতে এই বিষয়ৰ এজন অভিজ্ঞ চিকিৎসকক এই অতি প্ৰয়োজনীয় সময়ত অসময়ৰ চিকিৎসাৰ পৰা আতৰাই দিয়াতো বৰ পৰিতাপৰ কথা। মই চৰকাৰক অনুৰোধ কৰো যাতে তেখেতৰ কথাটো পুনৰ বিবেচনা কৰি যেন কামত নিয়োগ কৰি অসমৰ লোকক দুৰাৰোগ্য কেন্সাৰ বেমাৰৰ পৰা সাধ্যানুসাৰে চিকিৎসাৰ ব্যৱস্থা দিয়ে। মই এই বিধানসভাতে আগতেও কৈছিলোঁ যে আমাৰ অসমত ৩ খনকৈ মেডিকেল কলেজ হৈছে আৰু ইয়াত নিয়ৰোচাৰ্জাৰীৰ ব্যৱস্থা কৰোতা এটা যুক্তি যুক্ত কথা। সেইটো বহুদিন আগতে খুলিব লাগিছিল আমাৰ অসমৰ পৰাই অসমীয়া লোক এজন গৈ বিদেশত অভিজ্ঞতা অৰ্জন কৰি ডঃ ৰচিদ আলী চৌধাৰীয়ে এনে এটা মন লৈ অসমলৈ ঘূৰি আহিল যে অসম চৰকাৰে তেনে এটা বিভাগ খুলিব আৰু তাত কাম কৰি অসমৰ লোকক তেওঁ সেৱা কৰিব। কিন্তু অসম চৰকাৰে তেনে এটা বিভাগ খোলাৰ প্ৰয়োজনীয়তা উপলব্ধি নকৰিলে। কিছুদিন ইয়াতে চৌধাৰী হৈ থাকি হতাশ হৈ আকৌ বিলাতলৈ ঘূৰি গৈ বৰ্ত্তমানে আন দেশৰ মানুহৰ সেৱা কৰিছে। এনে কিছুমান কথা মই বহু দিনৰে পৰা কৈ আছো কিন্তু চৰকাৰে তালৈ কোনো মনকান দিয়া নাই বৰ্তমানে যিটো থোৰাচিক চাৰ্জাৰী যিটো খুলিছে তাতো বিশেষ একো কাম হোৱা নাছিল। কিন্তু এতিয়ালৈকে যি কেইটা কেচ কৰিছে তাত কৃতকাৰ্য্যতাই লাভ কৰিছে। গতিকে সেই বিভাগটো পুনৰ সংস্কাৰ কৰি দিয়াৰ যদি ব্যৱস্থা কৰে তেতিয়া হলে আমাৰ ৰাজ্যৰ বেমাৰী সকল চিকিৎসাৰ কাৰণে সুদূৰ দিল্লী বা মাদ্ৰাজলৈ যোৱাৰ পৰা অব্যাহতি পাব। লগতে ডঃ ৰচিদ আলি চৌধাৰীক পুনৰ ঘূৰাই আনি গুৱাহাটীতে নিওৰোচাৰ্জাৰী বিভাগ এটা খুলি তাত নিয়োগ কৰিলে আমাৰ যিবিলাকৰ মটৰ এক্সিডেণ্ট

আদি দুৰ্ঘটনা হৈ ৰক্তপাত আদি হয় তেওঁলোকৰ যথেষ্ট সুবিধা হব ।
আৰু ইয়াৰ বাহিৰেও আমি অন্য ঠাইৰ পৰা ডাক্তৰ আনি এই বিভাগটো
খুলিব পাৰো । কিন্তু তেতিয়া বেছি টকাৰ প্ৰয়োজন হব । অথচ ৰচিদ
আলিক ফিৰাই আনি নিয়োগ কৰিলে কম টকাতে আমি বেচি কাম
পাব পাৰো । আমাৰ মেডিকেল কলেজ বিলাকৰ বিষয়ে বহুতো কথা
কাগজে পত্ৰই প্ৰকাশ পায় । ইয়াৰ প্ৰধান কাৰণ হ'ল চিকিৎসা বিষয়ত
নিয়ম আৰু শৃঙ্খলাৰ অভাৱ । কিন্তু সকলোৱে মনত ৰখা উচিত যে
চিকিৎসাৰ কাৰণে ডাক্তৰৰ ওচৰলৈ যোৱাটো দোকান বজাৰত মাল
কিনিবলৈ যোৱা কথা নহয় । চিকিৎসা কৰাৰ কাৰণে ডাক্তৰ জনক
যথেষ্ট সুবিধা দিব লাগিব । গতিকে নিয়মানুবৰ্ত্তিতা আৰু শৃঙ্খলাৰ
মাজেৰে যাতে চিকিৎসা ব্যৱস্থাৰ সকলো কাম হয় তাৰ ব্যৱস্থা কৰিব
লাগে । মই চৰকাৰক অনুৰোধ কৰো যে যিহেতু অসমত কেন্সাৰ ৰোগ
বৃদ্ধি হৈছে সেই বাবে গুৱাহাটী আৰু শিলচৰ মেডিকেল কলেজত ডিপ
এক্সৰে আৰু কোবাল্ট থেৰাপি আদি চিকিৎসাৰ সুবিধা অচিৰে কৰিব
লাগে । বৰ্তমানে দেখা গৈছে যে কিবা কিছুমান অসুবিধাৰ কাৰণে
আমাৰ প্ৰাইমেৰী হেল্থ চেণ্টাৰ বিলাকত ৰোগী সকলৰ খাদ্য বন্ধ
কৰাৰ ফলত বহুতো ডাক্তৰে সেই সুবিধা লৈ চৰকাৰক দোষাৰোপ কৰিছে ।
চৰকাৰে ৰোগী বিলাকৰ খাদ্যৰ কাৰণে টকা নিদিয়ে গতিকে কেন্দ্ৰৰ
অৱস্থা বৰ বেয়া আৰু সেই হিচাপে চিকিৎসা বন্ধ কৰিছে ।

গতিকে আজি এই হস্পিতাল বিলাকত কিয় পৰীক্ষা নিৰিক্ষা
কৰিবৰ কাৰণে কিয় আহাৰ যোগান বন্ধ কৰা হৈছে কব নোৱাৰো ।
হস্পিতালত ৰোগী চিকিৎসা কৰা বন্ধ কৰি, ৰোগী ভৰ্ত্তি কৰা বন্ধ
কৰি পৰীক্ষা নিৰিক্ষা কৰাৰ কোনো প্ৰয়োজন নাই । হস্পিতাল চলি
থাকিবৰ কাৰণে ৰোগী ভৰ্ত্তি কৰিব লাগিব । মই পৰামৰ্শ আগবঢ়াইছো
যে, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ বিলাকত অনতিপলমে খাদ্য আৰু যাৱতীয়
সা-সুবিধাৰ যোগান ধৰিব লাগে । তেতিয়া হলে আমাৰ গ্ৰাম্য অঞ্চলত
থকা দুখীয়া ৰোগী বিলাক উপকৃত হব । কাৰণ মেডিকেল কলেজলৈ
আহি চিকিৎসা কৰিবৰ বাবে তেওঁলোকৰ অৱস্থা নাই । ইয়াৰোপৰি

আজি মেডিকেল কলেজৰ যিটো অৱস্থা সেইটো দেখি কোনো মানুহ মেডিকেললৈ আহিবলৈ নিবিচাৰে। গতিকে সকলো স্বাস্থ্য কেন্দ্ৰতে সকলো প্ৰয়োজনীয় সা-সুবিধা দিব লাগে। ইয়াৰ বাহিৰেও ধুবুৰী, নগাওঁ, যোৰহাট, তেজপুৰ আদিত যিবিলাক চিভিল হস্পিতাল আছে সেইবিলাকতো যেনে ধৰণে সা সুবিধা দিব লাগিছিল তেনে দৰে দিব পৰা নাই। চাৰ্জাৰী বিভাগৰ ওপৰত মানুহৰ আস্থা নাইকীয়া হৈ গৈছে। গতিকে চাৰ্জাৰী, গাইনী আদিৰ বিভাগ বিলাক ভাল হব লাগে। দেলিভাৰী সংক্ৰান্ত বহুতো ঠাইত নানা অসুবিধাৰ বাবে নানা ৰোগী মৃত্যুৰ মুখত পৰা দেখা গৈছে। আজি দেখা যায় যে, প্ৰায় বিলাক হস্পিতালত চেলাইন নাই। এই চেলাইনৰ অভাৱত অপাৰেচন আদি কৰিব নোৱাৰে। কাৰণ ভাত খাবৰ কাৰণে বিভিন্ন সামগ্ৰী থাকিলেও নিমখ নহলে যিদৰে একো নহয়, সেইদৰে চেলাইন নহলে একো চিকিৎসা হব নোৱাৰে। ইয়াৰ বাহিৰেও হস্পিতাল বিলাকত আজি ডায়েৰীয়া, দিচেন্টি আদি বেমাৰৰ কোনো ঔষধ নাই। এইবিলাক ঔষধ নাথাকিলে ৰোগী বিলাকে ডাক্তৰক বেয়া পায়। অৱশ্যে আমাৰ গুৱাহাটী মেডিকেল কলেজত এটা চেলাইন চেন্টাৰ খোলা হৈছে। ভাল বিশেষজ্ঞই চকু ৰাখিলে এইটো নিশ্চয় কৃতকাৰ্য্য হব। যিদৰে আজি পেচটিওৰত বিশেষজ্ঞ থাকি ভেকচিন আদি তৈয়াৰ কৰিছে গতিকে এই বিষয়টো মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মহোদয়, আজিকালি দেখা যায় গাওঁ অঞ্চলত থকা হস্পিতাল বিলাকত ঔষধৰ বৰ অভাৱ। ঔষধ কোম্পানী বিলাকে টকাৰ বাবে কিছুমান অলাগতিয়াল ঔষধ চাপলাই কৰে। কিছুমান বগাচ কোম্পানীয়ে নানা ৰকমৰ দামী ঔষধ দিয়ে। উদাহৰণ হিচাবে ডিব্ৰুগড়ৰ ৰফিউল্লা এন্দ চনচে নানা ৰকমৰ অলাগতিয়াল দৰৱ দি বিল পাচ কৰি ৩১ মাৰ্চৰ দিনা টকা আদায় কৰে। দৰকাৰ পৰিলে এই বিলৰ চহীৰ বাবে ডাক্তৰ সকলক ৫।৬ হেজাৰ টকাও দিব পাৰে। এই বিষয়ে মোক এবাৰ কৈছিল কিন্তু মই এইটো নকৰিলো। এইটো মই ব্যক্তিগত অভিজ্ঞতাৰ পৰা কৈছো। আজি হস্পিতাল বিলাকত অন্তত চালফাগোৱেদাইন, এণ্ট কুইনল

আদি ঔষধো যদি নাথাকে তেন্তে এইটো বৰ দুখৰ বিষয় হৈ পৰে। গতিকে এই বিষয় বিলাকৰ প্ৰতি দৃষ্টি ৰাখিবলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মহোদয়, পৰিয়াল পৰিকল্পনাৰ ক্ষেত্ৰত মই ইয়াকে বৰ বিচাৰো যে, এইটো অকল ডাক্তৰৰ সমস্যা নহয়। এইটো এটা সামাজিক কথা। আজি টিউবেকটমি বা ভেচেকটমি কৰি পৰিয়াল পৰিকল্পনা কৰা হৈছে। কিন্তু অভিজ্ঞ ডাক্তৰ নথকা বাবে এই কাম বিলাক কৃতকাৰ্য্য হোৱা নাই। কাৰণ এইবিলাক কৰিবৰ কাৰণে এই লাইনৰ ডাক্তৰ লাগিব। চাৰ্জাৰী ই এন্দ টি বা আইচ এক্সপাৰ্টে এইবিলাক কাম কৰিব নোৱাৰে। গতিকে এই কাম বিলাকত অভিজ্ঞ ডাক্তৰ লাগিব। ইয়াৰোপৰি আজিকালি ডাক্তৰ বিলাকে ফোৰ্মেলি প্লেনিং কৰিব নোৱাৰিলে তেওঁলোকৰ ইনক্ৰিমেণ্ট, প্ৰমোচন আদি বন্ধ হৈ থাকে। সেইবাবে কিছুমান ডাক্তৰে ১শ ২শ মানুহৰ নাম ভৰ্ত্তি কৰি মিছা দেখুৱাই দিয়া প্ৰমাণ চৰকাৰৰ ওচৰত বহুতো আছে।

গতিকে এনেকুৱা এটা জুলুম ডাক্তৰ সকলৰ ওপৰত চলাই থকা হৈছে। এইটো চৰকাৰৰ ৰাইট হোৱা নাই আৰু মই আশা কৰিছো এই সম্পৰ্কত যি আইন বা চাৰ্কোলাৰ আহিল ক'ৰ পৰা নাজানো। এই চাৰ্কোলাৰ দিছে নেকি সচিবালয়ৰ মূৰব্বী বা কেন্দ্ৰীয় চৰকাৰৰ পৰা এই চাৰ্কোলাৰ দিছে নেকি নাজানো কিয়নো এই বিভাগত টেকনিকেল অভিজ্ঞতা থকা মানুহ নাই। ডাক্তৰী লাইনৰ মানুহ হলে নিশ্চয় কিবা কিবি কৰাৰ চেষ্টা কৰিব পাৰিলেহেতেন। স্কীম আদি কৰিবও পাৰিলেহেতেন আৰু ডাক্তৰ সকলৰ ওপৰত ইমানখিনি উপদ্ৰপ নকৰিলেহেতেন। যদি এইটো কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা জাপি দিয়া হৈছে তেন্তে এইটো বুজাৰ লাগে। তাৰ উপৰিও উপাধ্যক্ষ মহোদয়, ট্ৰেন্সফাৰ ষ্টে আদিত বহুতো দুৰ্নীতি হৈ আছে। বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে কৈছিল যে দুৰ্নীতি অকল তেখেতৰ বিভাগতে নহয় সকলোতে আছে কিন্তু সেই হিচাবে কৈয়েই গা এৰা দি চলিলে নহব। শ্বিলঙত থাকোতে মুখ্যমন্ত্ৰী মহোদয়ে, কৈছিল দুৰ্নীতি নিবাৰণ কৰিব বুলি আৰু সেইটো জোৰ দিয়েই কৈছিল যদিও আজিও

দুৰ্নীতি চলি আছে। আচলতে ওপৰৰ ফালে যদি টেকনিকেল মানুহ আদি থাকিলহেতেন তেনেহলে ট্ৰেন্সফাৰ আদি ঠিকমতে কৰা হ'লহেতেন। কিন্তু যদিও সঞ্চালকলৈহে মাত্ৰ টেকনিকেল মানুহ নিয়োজিত কৰা হয় তথাপি সেই সম্পৰ্কত উপযুক্ত ক্ষমতা দিয়া নাই কাৰণে ঠিক মতে চাব নোৱাৰে। কিয়নো টেকনিকেল মানুহ আৰু সঞ্চালক বা চিভিল চাৰ্জনে বাহিৰত ঘূৰি ফুৰে আৰু ফিল্ডত কাক ক'ত দিব লাগে তেওঁলোকে ভালকৈ জানে কিন্তু কেৱল অফিচত বহি ৰিপোৰ্ট চাই সেই মতে চলিলেই ঠিক অৱস্থা বুজা টান হৈ পৰে। গতিকে সঞ্চালক পৰ্য্যায়ত অন্ততঃ কিছু ক্ষমতা দিব লাগে।

উপাধ্যক্ষ মহোদয়, জনস্বাস্থ্য বিভাগত যিবিলাক লোক নিয়োগ কৰা হৈছে সেই সকলৰ দ্বাৰা আচলতে সিমানখিনি কাম হোৱা নাই। সেই লোকসকলক নিয়োগ কৰোতে জনসাধাৰণৰ প্ৰতি সেৱাৰ মনোবৃত্তি থকা লোক চাই নিয়োগ কৰিব লাগে। আচলতে দৰকাৰ যদি হয় ফেমিলি প্লেনিং বিভাগতকৈও জনস্বাস্থ্য বিভাগৰ কাৰণে বেছি টকা খৰচ কৰিব লাগে। মই কৈছিলো যে প্ৰিভেনসন ইজ বেটাৰ দেন কিউৰ অৰ্থাৎ বেমাৰ হোৱাৰ পিচত চিকিৎসা কৰি ভাল কৰাতকৈ নোহোৱাকৈ থকাটোহে ভাল কথা। গতিকে জধে মধে জনস্বাস্থ্য বিভাগৰ কাৰণে মানুহ নিয়োগ নকৰি অলপ ষ্টাডি কৰি নিয়োগ কৰিব লাগে। খোৱা পানীৰ ক্ষেত্ৰত দেখা যায় যে শিৱসাগৰ জিলাৰ পানী ভাল নহয়, দৰং জিলতো কোনো কোনো অঞ্চলত খোৱা পানী বেয়া, কামৰূপ আৰু অন্যান্য ঠাইতো প্ৰায় বেয়া। খোৱা পানী যাতে পৰিষ্কাৰ হয় আৰু যাতে আইৰণ বেছি নাথাকে তাৰ কাৰণে চাব লাগে। শিৱসাগৰ আৰু কৰিমগঞ্জৰ বহু ঠাইত মানুহ পুখুৰীৰ পানী খায় তাৰ ফলত বীজাণু স্প্ৰেড কৰাত সহায় হয় আৰু কলেৰা আৰু মেলেৰীয়া আদি বেমাৰ হয়। গতিকে জনস্বাস্থ্য বিভাগৰ জৰিয়তে সেই বিলাক কথা চাব লাগে আৰু আন আন ঠাইত শিশু ওপজাৰ পিচতেই হস্পিতালত বি-চি-জি বেজী দিয়া হয় যাতে বাহিৰত আহি বেমাৰৰ বীজে আক্ৰমণ কৰিব নোৱাৰে। আমাৰ ইয়াতো আগতে বি-চি-জি বেজি দিয়া হৈছিল কিন্তু

আজি বহুত বছৰ ধৰি দিয়া হোৱা নাই। বিশেষকৈ নেপালী আৰু পাহাৰৰ পৰা অহা মানুহৰ বেছিকৈ টি-বি বেমাৰ হয় আৰু এইটো মেডিকেল কলেজৰ ষ্টেটিচ্‌টিক্সৰ পৰাও জনা গৈছে। সেই কাৰণে ভাল ধৰণে ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু বি-চি-জি বেজী দিয়াৰ ব্যৱস্থা কৰিব লাগে। আকৌ স্মল পক্স আদি ভেক্সিনো দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইটো জনস্বাস্থ্য বিভাগৰ জৰিয়তে কৰিব পাৰিলে ভাল হয়।

উপাধ্যক্ষ মহোদয়, আৰু বেছি দীঘলীয়া কৰিব নোখোজো, মাত্ৰ দুটা পৰামৰ্শ দি মোৰ বক্তৃতা শেষ কৰিব খুজিছো। প্ৰথমতে, আমাৰ চৰকাৰে স্কুল, ৰাস্তা আদি জাতীয়কৰণ কৰিছে গতিকে মই ভাবো আমাৰ স্বাস্থ্য বিভাগটো অৰ্থাৎ স্বাস্থ্য বিষয়টোও জাতীয়কৰণ কৰিলে ভাল হয়। গতিকে মই চিকিৎসা বিভাগটোও জাতীয়কৰণ কৰিবলৈ অনুৰোধ জনালো। যিমান টকা এতিয়ালৈকে এই বিভাগত খৰচ কৰা হৈছে তাতকৈ অলপ বেছি খৰচ কৰি হলেও চিকিৎসা বিভাগটো জাতীয়কৰণ কৰা ভাল হব বুলি ভাবো আৰু আশাকৰো এই সম্পৰ্কত চৰকাৰে চিন্তা কৰিব। শেষত মই আৰু এটা কথা চৰকাৰৰ ওচৰত অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ অসমত যদিও দুজনো ডাক্তৰ মন্ত্ৰী সভাত আছে আৰু মন্ত্ৰী হৈছে আমি ভাবিছিলো যে ডাক্তৰ সকলৰ অৱস্থা ভাল হব কিন্তু সেইটো নহৈ আৰু ওলোটাহে হৈছে। আমি ভাবিছিলো যে এই বিভাগটো ভাল হব কিন্তু সেইটো নহৈ আৰু বেছি বেয়াহে হৈছে। পি-ডব্লিউ-ডি আদি বিভাগৰ যেনেকৈ সচিব পৰ্য্যন্ত সেই বিভাগৰে টেকনিকেল মানুহ হয় সেইদৰে এই বিভাগৰো মূৰব্বী সকল যাতে টেকনিকেল মানুহ হব পাৰে তাৰ কাৰণে চিন্তা কৰিবলৈ মই চৰকাৰৰ ওচৰত পৰামৰ্শ আগবঢ়ালো আৰু তেতিয়াহলে ডাক্তৰ সকলৰ অৱস্থা ভাল হব আৰু বহুত মানুহৰ মঙ্গল হব বুলি মোৰ বিশ্বাস। এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড—অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰি খুব

---

* Speech not corrected.

চমুকৈ কেইটামান কথা কব খুজিছো। ইয়াৰ আগতে বন্ধু ডাঃ বৰাই নিজে ভালেমান কথা কৈ গৈছে তেখেত নিজেও এজন বিশেষজ্ঞ হিচাবে, মোৰ তেনে কোনো ক্ষমতা নাই।

উপাধ্যক্ষ মহোদয়, পৰিয়ালৰ ভিতৰত যেতিয়া ল'ৰা-ছোৱালীৰ অসুখ হয় বাহিৰৰ লক্ষণবোৰ চায়ে মোটামুটিভাবে ধাৰণা কৰিব পাৰি যে এই অসুখ হৈছে। আমি বাহিৰৰ পৰা লক্ষ্য কৰিয়ে দেখিছো আৰু ধাৰণাও হৈছে অন্য বিভাগৰ কথা কব নোৱাৰো আমাৰ এই বিভাগৰ মোৰ ধাৰণামতে ক্ৰনিক এনিমিয়া আৰু মেৰোপিয়া বেমাৰত ভুগিছে যদিও এজন মন্ত্ৰীৰ স্বাস্থ্য খুব ভাল। এই বিভাগত টকা পইচা যে বেছি ধৰা হৈছে সেইটো নহয় টকা-পইচাও বৰ বেছি হোৱা নাই। কিন্তু উপাধ্যক্ষ মহোদয়, শৰীৰৰ চিস্তেম যদি ভালে থাকে তেতিয়া অলপ ভাল আহাৰ ব্যৱহাৰ কৰিলেই হয় আৰু চিস্তেম যদি ভালে নাথাকে এনিমিয়াত ভুগি থাকে তেনেহলে ভাল ব্যৱহাৰ নহয়। গতিকে তেনে-কুৱা অৱস্থা হব পাৰে। আৰু মেৰোপিয়া এই বুলিয়েই কৈছো এই বিভাগে দূৰলৈ দেখিছে বুলি মোৰ ধাৰণা নহয়। কাৰণ দূৰে দূৰে চুকে কোণে পিচপৰা গাওঁবিলাকত এই বিভাগৰ দৃষ্টি পৰা নাই কাৰণে মেৰোপিয়া হৈছে বুলি কৈছো।

উপাধ্যক্ষ মহোদয়, কথাটো যদি আলোচনা কৰো তেনেহলে জন-স্বাস্থ্য বুলিলে আমি কি বুজো? আমাৰ মেডিকেল কলেজ কেইখনত বিশেষ বিশেষ হস্পিটালত বিশেষ বিশেষ ধৰণৰ চিকিৎসা উন্নত ধৰণৰ চিকিৎসা ব্যৱস্থাৰ নিশ্চয় প্ৰয়োজন হব আৰু তাক উন্নতি কৰিবই লাগিব। কিন্তু আমি যদি জনসাধাৰণৰ জনস্বাস্থ্যৰ উন্নতি কৰিব খোজো আৰু চিকিৎসাৰ সামান্যতম সুবিধা আমাৰ জনসাধাৰণক দিব খোজো তেনেহলে পোনপ্ৰথমে আমাৰ চকু পৰিব গাওঁ অঞ্চলৰ চাবচিডাইজ্ড ডিচ্‌পেনচাৰী আৰু অলপ দূৰলৈ চালে ষ্টেট ডিচ্‌পেনচেৰী। সাহায্য প্ৰাপ্ত চিকিৎসালয় বিলাকৰ কথা যদি চাওঁ দেখিবলৈ পাওঁ গাওঁ অঞ্চলৰ যিবিলাক চিকিৎসালয় আছে আনকি ষ্টেট ডিচ্‌পেনচাৰী বিলাকতো যিটো লাইফ চেভিং ড্ৰাগচ্, চালফাড্ৰাগচ্, এন্টিবায়টিকবো অভাৱ।

এই বিলাক অতি প্ৰয়োজনীয় আৰু মানুহৰ জীৱন বচাবৰ কাৰণে বৰ দৰ্কাৰ । সাহায্য প্ৰাপ্ত চিকিৎসালয় বিলাকত এহেজাৰ টকাৰ ঔষধ ১৫০ টকাৰ এজন ডাক্তৰ সেই অৱস্থাই চলি আছে । গাঁৱলীয়া ৰাইজে চিকিৎসালয়ৰ পৰা ঔষধ নাপায় কাৰোবাৰ কিবা হলে ডাক্তৰ নাপায় । সেইখিনি পইচাবে ডাক্তৰে থাকিব নোৱাৰে । গাওঁ অঞ্চলত কোনোবা যদি ডেকা ডাক্তৰ যাবলৈ ওলায় তেওঁলোককো চৰকাৰে সহায় নকৰে । বৰপেটা চহৰত বহি থাকোতে তাত আমাৰ ৰাজ্যিক স্বাস্থ্যমন্ত্ৰীও বহি আছিল । চৰ অঞ্চলত কাম কৰা এজন ডাক্তৰ আহিল তেওঁ কলে যে ৰাতি হলে তেওঁ মূৰ সোমোৱাই থাকিবলৈ দুটা কমৰ এটা খেৰৰ ঘৰ পৰ্য্যন্ত নাই । বহুদিন এই বিষয়ে অভিযোগ কৰি অহা হৈছে । কিন্তু সুবিধা পোৱা নাই । গতিকে ৰাতি থাকিবৰ কাৰণে চালি এখনো যদি নাপায় তেনেহলে সেই ডাক্তৰ জনে কি প্ৰেৰণাৰে আৰু উৎসাহেৰে কাম কৰিব ? এই অৱস্থা চলি আছে । ইয়াৰ ফলত গাওঁ অঞ্চলত আজি কোৱেক্সৰো অভাৱ । মোৰ এজন বন্ধু আছে তেওঁ ৫ম মান শ্ৰেণীত তিনিবাৰ প্ৰমোচন নাপালে আৰু স্কুল এৰি ওলাই আহি এতিয়া তেওঁ ডাক্তৰ হৈছে আৰু সকলোৱে তেওঁক ডাক্তৰ বুলি মাতে । আনকি চিডি-উল ড্ৰাগচ বিলাকো তেওঁ এডমিনিষ্টাৰ কৰে আৰু ইনজেকচনো দিয়ে । তেওঁক ডাক্তৰ আলাউদ্দিন বুলি মাতে । গাওঁ অঞ্চলত এই অৱস্থা চলি আছে, চিকিৎসাৰ নামত গাওঁবাসীয়ে এইখিনি সুবিধা পাইছে । আজি আপুনি চাব চাহ বাগিছাৰ পাততোলা মানুহবো যদি বেমাৰ হয় তেওঁক আঠ দহ মাইল দূৰৰ পৰা কান্ধত তুলি ৰাজ্যিক চিকিৎসালয়লৈ আনিব লাগে । এয়ে হ'ল গাওঁৰ অৱস্থা । জনজাতি অঞ্চলত চিকিৎসাৰ কোনো সুবিধা জনসাধাৰণে পোৱা নাই । গতিকে তেওঁলোকক বাদ দি চিকিৎ-সাৰ সামান্যতম সুবিধাতো বাদ দি আমি যদি জনস্বাস্থ্য বা বিজ্ঞানৰ কথা আলোচনা কৰো তাৰ কি অৰ্থ থাকিব পাৰে । মোৰ ধাৰণা মতে কোনো অৰ্থ নাই । গতিকে এই বিষয়ে এফৰ্ট কেন্দ্ৰীভূত কৰাৰ কাৰণে এই বিভাগে যত্ন কৰিব । ইয়াৰ বাহিৰেও আৰু এটা কথা মই দৃষ্টি আকৰ্ষণ কৰিব খুজিছো সেইটো হৈছে বজাৰত চলা দৰবৰ দাম অত্যন্ত বাঢ়ি গৈছে । কোনো এটা নিৰ্দিষ্ট দামত আজি দৰব পাবলৈ নাই । স্পুৰিয়াচ ড্ৰাগচ বজাৰত চলি আছে । গাওঁ অঞ্চলৰ বেলেগ কথা, চহৰ অঞ্চলতো বিক্ৰী হৈ আছে । ইয়াৰ বাহিৰেও মাজে মাজে ঔষধৰ নাটনি । এটা কথা মই দৃষ্টি আকৰ্ষণ

কৰিব খুজিছো যোৱা বছৰত আমাৰ ৰাজ্যত ভালেমান ঘটনা ঘটিছে— বলিয়া কুকুৰে খাই বহুতো ল'ৰা-ছোৱালীক মৃত্যু মুখত পেলাইছে। তাৰ কাৰণে ঔষধ পাবলৈ নাই। ঔষধৰ অভাৱত যোৱা বছৰ ভালেমান বলিয়া কুকুৰে খোৱা লোক মৃত্যু মুখত পৰা হিচাপ আমাৰ আছে।

উপাধ্যক্ষ মহোদয়, আন এটা কথা হৈছে আমাৰ প্ৰাইমাৰী হেল্‌থ ইউনিট বিলাকত যি সকল ৰোগী থাকে তেওঁলোকৰ পথ্যৰ খৰছ সম্বন্ধে— তেওঁলোকৰ পথ্যৰ খৰছ বন্ধই কৰিছে। তাৰ বাহিৰেও চিভিল হস্পিটালত থকা বেমাৰী বিলাকৰ অৱশ্যে অলপ বাঢ়িছে কিন্তু তেওঁলোকৰ কাৰণে যিটো পইচা খৰছ কৰা হয় তিনিবেলা যদি তেওঁলোকক সেই ধৰণে খুৱাবলগীয়া হয় তেনেহলে চিভিল চাৰ্জন বা চাৰ্জত থকা চুপাৰিনটেনডেণ্ট জন হয় মেজিচিয়ান হব লাগিব নহয় মন্ত্ৰী হব লাগিব। ৰোগী সকলে পাবলগা সুবিধা হস্পিটালত নাপায়। বহুতে ঘৰৰ পৰা আনি পথ্য খুৱাই। তাৰ ভিতৰত আকৌ যি সকল ৰোগীক আচলতে খৰছ দিয়ে তেওঁলোকক নুখুওৱা লোকবো খৰছত ধৰে। এই অৱস্থা চলি আছে। এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। তাৰ পিচত পৰিয়াল পৰিকল্পনা সম্বন্ধে আমাৰ ডাঃ বৰাই দীঘলীয়া বক্তৃতা দি গৈছে।

আৰু পৰিয়াল পৰিকল্পনাৰ কথা আগতে ডাঃ বৰা ডাঙৰীয়াই কৈছে। মই আৰু দীঘলীয়াকৈ সেই সম্পৰ্কে কব বিচৰা নাই। আমি জনাত প্ৰত্যেক ডাক্তৰকে এটা লক্ষ্য বান্ধি দিয়া হৈছে। আৰু এই লক্ষ্য বান্ধি দিয়াৰ ফলত ডাক্তৰে ৭০-৭৫ বছৰীয়া মানুহকো ধৰি বান্ধি লৈ আহিছে আনকি বিয়া হোৱাৰ ২০ দিন পাচতে ল'ৰাজনক ধৰি নিয়া হৈছে। মই পৰিয়াল পৰিকল্পনাৰ বিৰুদ্ধে নহয়। কিন্তু যি শাস্তি আৰু বিশৃঙ্খলাৰ সৃষ্টি হৈছে সেইবিলাক বন্ধ কৰি জনসাধাৰণক আগতে শিক্ষিত কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। অৰ্থাৎ তেওঁলোকক মোটিভেটেড কৰাৰ চেষ্টা কৰিব লাগে। পৰিয়াল পৰিকল্পনাৰ ক্ষেত্ৰত চহৰৰ ডাক্তৰক শিক্ষা দিয়া হৈছে কিন্তু, গাওঁৰ ডাক্তৰক শিক্ষা দিয়া হোৱা নাই এই বিষয়ে মই

মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিছো।

মৌলানা আব্দুল জলিল চৌধুৰী—উপাধ্যক্ষ মহোদয়, একটা স্পষ্টিকরন। এই যে
এখানে বলা হয়েছে যে বিবাহের পরে কোন যুবককে এনে কি করা
হয়েছে। মন্ত্ৰী মহাশয় বলবেন কি "কি করা হয়েছে?"

*শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড—অধ্যক্ষ মহোদয়, এই বিষয়ে ৰাম চন্দ্ৰ শৰ্মা ডাঙৰীয়াই
ব্যাখ্যা কৰিছে এতিয়া আৰু মই নতুনকৈ ব্যাখ্যা কৰিব খোজা নাই।
ইয়াৰ নামত যিখিনি অতিশয্য হৈছে আৰু সমাজত যি খেলিমেলিৰ সৃষ্টি
হৈছে তাৰিলহে লক্ষ্য ৰখাৰ কথা মই হৈছো। এই ক্ষেত্ৰত সামাজিক
পৰিবৰ্ত্তনৰ চেষ্টা কৰিব লাগে সেইটো সঁচা। তাৰ কাৰণে চেষ্টা কৰিব
লাগে সুবিধা অনুযায়ী।

উপাধ্যক্ষ মহোদয়, আৰু মাত্ৰ এটা কথা কৈয়েই মই মোৰ বক্তৃতা
শেষ কৰিম। পানী যোগানৰ ব্যৱস্থাৰ ক্ষেত্ৰত মই কওঁ যে, খোৱা
পানীৰ অভাৱতেই দেশত ভালেমান মানুহে ৰেমাৰত ভুগিছে। এটা
উদাহৰণ স্বৰূপে মই কওঁ যোৱা বছৰত মই দেখিছো যোৰহাট, শিৱসাগৰ,
ডিব্ৰুগড় টাউনত টাইফয়েড আৰু পেৰাটাইফয়েড এটা এপিডেমিক ফৰ্ম
কৰিছিল। তাৰ ডাক্তৰ সকলৰ মতে খোৱা পানীৰ ভাল ব্যৱস্থা নথকাৰ
বাবেই এইটো হোৱা বুলি কয়। চহৰ অঞ্চলতেই এই অৱস্থা হব পাৰে
যেতিয়া গাওঁ অঞ্চলত কি হব সেইটো সহজেই অনুমেয়। টিয়কত পানী
যোগানৰ ক্ষেত্ৰত এটা প্ৰকল্প আৰম্ভ কৰা হৈছে কিন্তু বছৰৰ পিছত বছৰ
পাৰ হৈ গৈছে এতিয়ালৈকে সম্পূৰ্ণ হোৱা নাই। কেতিয়াবা কয় 'এড-
মিনিষ্ট্ৰেটিভ 'এপ্ৰভেল' অহা নাই, কেতিয়াবা কয় পাইপ আহি পোৱা
নাই, এইদৰে কৈ থাকোতেই ইমান দিন গৈছে। কাম আৰম্ভই হোৱা
নাই।

জাজীমুখ এখন অত্যন্ত পিছপৰা জনজাতীয় অঞ্চল। তাত প্ৰাইমেৰী
হেলথ ইউনিটত এটা 'টিউবওৱেল' আছে। কিন্তু তাতো জাৰ্মহে পানী
নোলোৱা অৱস্থাত আছে। টিউব লাইনটো নষ্টহৈ থকা আজি চাৰি বছৰ
হল ভাল কৰি পানী যোগানৰ ব্যৱস্থা আজিলৈকে কৰিব পৰা নাই।

* Speech not corrected.

এই খোৱাপানীৰ অভাৱতেই বহুতো মানুহ গ্ৰহণী আদি ৰোগত ভূগিছিল। অৱশ্যে 'এপিডেমিক ফৰ্ম্মত অহা নাছিল। সেই কাৰণেই মই বিশেষ ভাৱে মন্ত্ৰী মহোদয়ক অনুবোধ কৰো যে, যিমান টকা পইছাই খৰছ নহওক লাগে এই পিছপৰি থকা অঞ্চলৰ সম্প্ৰদায় সমূহৰ মাজত চিকিৎসাৰ কাৰণে এটা ব্যৱস্থা কৰি দিব লাগে। মানুহ বাচিবৰ কাৰণে নহলেও যাতে সন্তানৰ অসুখ বিসুখ হলে মাক দেউতাকৰ মনত সান্ত্বনাৰ বাবে যে অন্ততঃ ডাক্তৰক দেখুৱাব পিছত মানুহজন মৰিছে। এইটো অনুৰোধ কৰিয়েই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—এই শিতানত যিটো কৰ্ত্তন প্ৰস্তাব আহিছে মই তাত সমৰ্থন জনাইছো। আৰু সেই সমৰ্থনত কেইটামান কথা কব বিচাৰিছো। সেই কথা কেইটাৰ ভিতৰত বেচি কথাই ডাক্তৰ চাহাবে আৰু খাউণ্ড ডাণ্ডৰীয়াই কৈ গৈছে।

আজি গাওঁ অঞ্চলত যিটো অৱস্থা, তাত ভগবানৰ সাবথিৰ বাহিৰে আন চিকিৎসক নাই। সেইটো আপোনালোক সকলোৱে জানে যে, এনেয়ে গাওঁ অঞ্চলৰ মানুহ বিলাক শিক্ষাত পাচপৰা। তেওঁলোকে আন কোনো কথাই চিন্তা কৰিবলৈ সক্ষম নহয়। এতিয়াও গাওঁত শতকৰা ৭০ ভাগ মানুহে থাকুৰ দেৱতাৰ ওপৰত নিৰ্ভৰ কৰে বেমাৰৰ সময়ত। ডাক্তৰৰ অভাৱত পূজাপাতলৰ সহায়েৰে বেমাৰীক ভাল কৰিবলৈ চেষ্টা কৰে। উদাহৰণ স্বৰূপে মই কওঁ যে, স্বাস্থ্য মন্ত্ৰীয়ে যেতিয়া গাড়ীৰে ঠাই বিলাক পাৰ হৈ যায় তেতিয়া নিশ্চয় যদি মন কৰিছে, চকুত পৰিছে যে, এখন ডিচপেনচাৰীৰ পৰা আন এখন ডিচপেনচাৰীলৈ দূৰত্বটো কিমান। মই মোৰ নিজৰ সমষ্টিৰে কথা কওঁ যে, গৌৰীপুৰৰ পৰা ১০ মাইল দূৰত এখন হস্পিতাল আছে। তাৰ পৰা আৰু ১৮ মাইল দূৰত টামাহাট বুলি এখন হস্পিতাল আছে। তাৰ উপৰিও মেডিচিনৰ কথা কওঁ সেইটো সকলোৱেই জানে যে মেডিচিন পাবলৈ নাই। বৰ্ত্তমান ডাক্তৰ সকলক চাকৰি দিয়াৰ বাহিৰে আন একো কামেই হোৱা নাই। কাৰণ ডাক্তৰ খানালৈ যদি যায় যিকোনো সময়তে চাব যে মেডিচিন নাই। অৱশ্যে মই এইটো কওঁ যে আমাৰ দৰে এজন গলে অৱশ্যে নিশ্চয় পাম কিন্তু

দুখীয়া মানুহৰ কাৰণে সদায়েই নাথাকে। এইটো এটা দুৰ্নীতিৰ কথা। এই বিলাক ভালকৈ অনুসন্ধান কৰিলে ভাল হয়। অৱশ্যে বাঘক নামাৰি হৰিণাক মাবাৰ দৰে নকৰিব। কাৰণ এই যে সৰু সুৰা নাৰ্চ কম্পাউণ্ডাৰ আছে তেওঁলোকে হয়তো কেতিয়াবা এটা এম্পল নাইবা এটা মেডিচিন দিছে কিন্তু তেওঁলোকক ধৰিলেই দুৰ্নীতি দূৰ নহব। যিবিলাকে লাখ লাখ টকা লৈ মেডিচিন কিনাৰ সুবিধা লৈ টকাৰ অপব্যয় কৰিছে, সেই ফালে লক্ষ্য ৰাখিব লাগে।

আমাৰ গাওঁৰ বেচি ভাগ মানুহ নিৰক্ষৰ গতিকে গাওঁত বেমাৰ আজাৰ হলে তেওঁলোকে ভয়ত হিতাহিত জ্ঞান হেৰুৱাই কেতিয়াবা অপমৃত্যু হবলগীয়া হয়, গাওঁত কলেৰা হলে ওচৰ চুবুৰীয়া লোক সকলে ওচৰৰ মানুহৰ খবৰ লবলৈয়ো ভয় কৰে কিজানিবা সেই বেমাৰে তেওঁক নিজকো 'এতেক' কৰে, গতিকে এনে ধৰণে পাৰিপাৰ্শ্বিকতা যদি আমাৰ গাওঁবিলাকত চলি থাকে তেতিয়াহলে এই বেমাৰ আজাৰ বিলাকৰ পৰা আমাৰ মানুহবিলাক সোনকালে পৰিত্ৰাণ পোৱাটো সম্ভৱ নহয়। সেইকাৰণে মই পৰামৰ্শ দিব বিচাৰিছো যে— আমাৰ গাওঁবিলাকত যিবিলাক ছোৱালীয়ে ক্লাচ নাইন বা টেনলৈ পঢ়ি পঢ়াশুনা এৰি দিছে সেইসকল ছোৱালীক এই জনস্বাস্থ্য বা চিকিৎসা ইত্যাদিৰ বিষয়ে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে গাওঁৰ বেমাৰ আজাৰ হলে তেওঁলোকে গাওঁৰ মানুহৰ মাজত যিটো ভয়ৰ সৃষ্টি হয় সেইটো আতৰ কৰিব পাৰে, তেওঁলোকক সাহস যোগাব পাৰে। আৱশ্যক হলে সেই ছোৱালী বিলাকক স্কলাৰচিপ বা ৬ মাহ ৭ মাহৰ কাৰণে টকা পইচা দি হলেও ট্ৰেইনিং দিব পাৰে নহয়তো পইচা নিদিয়াকৈ হলেও ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰিব লাগে। কিয়নো আজি আমাৰ গাওঁবিলাকত বেচি ভাগ মানুহৰ এই বিষয়ে সমূলি জ্ঞান নথকাৰ কাৰণে মৃত্যু মুখত পৰিব লগীয়া হয়, কোনোবা জনৰ জ্বৰ হলে বা প্ৰেচাৰ হলে ভয়ত তেওঁ হাৰ্ট ফেল কৰে আৰু বিশেষকৈ বহাগ, জেঠ আৰু আহাৰ মাহত পুৰুষ বিলাকে অতিপাত কাম কৰিব লগীয়া হোৱাত যেতিয়াই তেতিয়াই দুখীত পানী খাই পেতৰ অসুখ, যেনে ডায়েৰীয়া ইত্যাদিত ভুগিব লগীয়া হয় গতিকে এনে

ক্ষেত্ৰত প্ৰিভেনটিভ পদ্ধতি লব লাগে। আমাৰ গাওঁবিলাকত দেখা যায় ১ ডেৰ লাখ জনসাধাৰণৰ মাজত এটা ডাক্তৰখানা আছে, তাত যদি এজন ডাক্তৰে প্ৰকৃত পক্ষে ভালদৰে কাম কৰিব লগীয়া হয় তেতিয়াহলে তেওঁৰ অৱস্থা নোহোৱা হব, তাৰোপৰি তেওঁলোকে সহজতে ডাক্তৰৰ চিকিৎসাও নাপায় কিন্তু টাউনত ভাল চিকিৎসা নাপালেও অন্ততঃ ডাক্তৰ আছে বুলি তেওঁলোকৰ মনলৈ অলপ সাহস আহে। কিন্তু গাওঁত মানুহৰ বেমাৰ হলে ডাক্তৰৰ মুখ দেখিবলৈকে পোৱা নাযায়। অৱশ্যে ইয়াতো মই নিজে কেবাদিনো কোনও ডাক্তৰ বিচাৰি পোৱা নাই। গতিকে তেনে অৱস্থাত বেমাৰ আজাৰ হলে গাওঁৰ মানুহ বিলাকে চিকিৎসা ইত্যাদিৰ কথা বাদ দি মন্দিৰ, মচজিদত পূজাপাতাল আগবঢ়ায়। কিয়নো ১৫।২০ মাইল দূৰলৈ এই মানুহ-বিলাক চিকিৎসাৰ কাৰণে যাব নোৱাৰে। এইদৰে দেখা যায় আমাৰ ৰাজ্যবিলাকত চিকিৎসাৰ ক্ষেত্ৰত বিভৎস কাণ্ড হৈ আছে। গতিকে গাওঁ বিলাকত ৫।৬ মাইল দূৰে দূৰে একোটা চিকিৎসা কেন্দ্ৰ স্থাপন কৰি আৰু মেডিকেল চাব চেণ্টাৰ খুলি তাত মবাইল ভানৰ জৰিয়তে আমাৰ গাওঁৰ মানুহবিলাকক চিকিৎসাৰ সুবিধা দিব লাগে। এনে ধৰণৰ ব্যৱস্থা কৰিলে আমাৰ ডাক্তৰ সকলে মাজে সময়ে সেই চেণ্টাৰ বিলাকলৈ গৈ তাত বৈষ্ট লোৱাৰ লগতে গাঁৱৰ বিভিন্ন এলেকাত থকা মানুহৰ বেমাৰৰ চিকিৎসা কৰাৰ সুবিধা পাব আৰু সেই ক্ষেত্ৰত এই যিবিলাক ছোৱালীক ট্ৰেইনিং দিবলৈ কোৱা হৈছে তেওঁলোকে কাৰ ক'ত কি বেমাৰ হৈছে সেই সম্বন্ধে খবৰ-খাতি ইত্যাদি লৈ ডাক্তৰ সকলক এনে বিলাক চিকিৎসাৰ ক্ষেত্ৰত সহায় কৰিব পাৰিব। তাৰোপৰি আজি জনস্বাস্থ্যৰ নামত আমি দেখিছোঁ। চৰকাৰে ৰুৰেল এৰিয়াত পানী যোগানৰ ব্যৱস্থা কৰিছোঁ বুলি কৈছে, কিন্তু প্ৰকৃততে এই পানী যোগান গাঁৱত হোৱা নাই বা ৰুৰেল এৰিয়াত হোৱা নাই যিখিনি অলপ-চৰপ হৈছে সেইটো আৰবান বা চেমি আৰবান এৰিয়াত হৈছে। আকৌ টিউব ওৱেলৰ কথাত দেখিছোঁ মিনিমাম নিডচৰ প্ৰগ্ৰেমত ১ কোটি ১০ লাখ টকা ধৰা হৈছে। এ, পি, ত, ২ কোটি ৪০ লাখ টকা ধৰা হৈছে কিন্তু এইটো বৰ দুখ লগা কথা যে য'ত ৫৽ ফুট দ' খান্দিব লাগে

তাৰ ঠাইত মাত্ৰ ২০ ফুটলৈহে খান্দিছে ফলত বাৰিষা কালত অলপ-
মান পানী সেই টিউব ওৱেলেদি ওলালেই খৰালি একেবাৰে শুকাই থাকে,
এনেবিলাক কথা হাতে হাতে ধৰা পৰা স্বত্বেও সেই লোক সকলৰ
ওপৰত কোনো শাস্তি বিধান কৰা হোৱা নাই। গতিকে এনেবিলাক
কথালৈ চাই আমাৰ চৰকাৰে যাতে ভালধৰণে চকু দিয়ে তাৰ কাৰণে
জনালো। আমাৰ স্বাস্থ্য বিভাগৰ বাজ্যিক মন্ত্ৰী নিজেই এজন ডাক্তৰ
আৰু তেওঁ আমাৰ গাঁৱৰ কথা বিলাক ভালধৰণে জানে। গতিকে
আজি জৰুৰী অৱস্থাৰ পৰিপ্ৰেক্ষিতত এই বিলাক কথাৰ প্ৰতি বিশেষ
দৃষ্টি দিব বুলি আশা ৰাখিলো।

তাৰ পিচত টুৱেন্টি পইন্ট প্ৰগ্ৰেমত যিটো ধৰিছে বোধকৰো এই
বিভাগটোতে আটাইতকৈ কম টকা ধৰা হৈছে। স্বাস্থ্য যদি ঠিক নাথাকে
আৰু এই কথাটো যদি টুৱেন্টি পইন্ট প্ৰগ্ৰেমত ধৰা নহয় তেন্তে মানুহৰ
স্বাস্থ্য উন্নত হব কেনেকৈ? যদি কোৱা হয় যে গুৱাহাটীৰ পৰা একে-
দিনাই মানিকৰ্ণেকেশ্বৰত এটা ডাক দি আহা তেন্তে মাচ পিপোলৰ
স্বাস্থ্য ভালে নাথাকিলে এইটো কেনেকৈ সম্ভৱ হব? গাঁৱৰ মানুহে
কেতিয়াবা কোৱা শুনো যে জীৱনতে ঔষধ খোৱা নাই আৰু ডাক্তৰৰ
মুখ দেখা নাই। তেওঁলোকে গছৰ ৰস খাই আৰু পূজা পাতল দি
একোটা বিশ্বাসৰ ওপৰত জীয়াই আছিল। কাৰণ তাত এই সুবিধা
নাছিল. সেই কাৰণে কওঁ যে যিবোৰ ঠাইত এইবোৰ সুবিধা নাই তাত
ব্যৱস্থা কৰা দৰকাৰ। অন্ততঃ খোৱা পানী টোপাৰ ভাল ব্যৱস্থা কৰিব
লাগে। তেওঁলোকে ভালপানী এটোপা খাওক, আৰু ভাল ভাবে চলক।
এই খিনিয়েই যদি হয় তেন্তে নিশ্চয় আমাৰ মানুহ স্বাস্থ্য বিভাগৰ
কৰ্মৰ প্ৰতি আৰু চৰকাৰৰ প্ৰতি আনুগত্য স্বীকাৰ কৰিব। আৰু এটা
কথা মই কওঁ—সেইটো হৈছে আমাৰ চাবচিদাইজ দিচপেনসৰি বিলাকৰ
কথা। ইয়াৰ ভিতৰত আয়ুৰ্বেদিক আৰু এলোপেথিক দুয়োটাই আছে।
কিন্তু ইয়াৰ ডাক্তৰ সকলক ১২০ টকা বেটন দিয়া হৈছে, আনহাতে
ঔষধ আদিৰ কাৰণে পাচশ টকা আৰু ঘৰ মেৰামতিৰ কাৰণে এশ
টকা দিয়া হৈছে। যদি ইয়াৰ ডাক্তৰ সকলে ঔষধৰ টকা খিনিও খাই

থয় তেন্তেও তেওঁলোক আজিৰ দিনত চলিব নোৱাৰে। চৰকাৰে প্ৰতিষ্ঠা কৰা স্কুলৰ পৰাই এই সকল লোকে পাছ কৰি ওলাই আহিছে আৰু তেওঁলোকক ডিপ্লমা দিয়া হৈছে আনহাতে চিভিল হস্পিতালৰ লগত সংলগ্ন কৰিয়েই এই ডাক্তৰ সকলক ৰখা হৈছে। এইটো কেনেকৈ সম্ভব হৈছে ? হয় এইবোৰ বন্ধ কৰক নহয় আপগ্ৰেদ কৰক। মই নিজেই কেইবাটাও অনুষ্ঠানৰ লগত জড়িত কাৰণ মই নিজে অৰগেনাইজ কৰিছিলো। ১৯৫৫-৫৬ চনৰ পৰা প্ৰতিষ্ঠা কৰা এই ডিচপেন্সাৰিবোৰ এনেকৈ থকাটো উচিত হোৱা নাই। ৭৫ টকাৰ পৰা ইয়াৰ ডাক্তৰ সকলৰ দৰমহা গৈ এতিয়া ১২০ টকা হৈছে গৈ। এই পোষ্ট কেইটা গ্ৰেদ কৰি সহায় কৰিব পাৰিলে ৰাইজৰ সেৱা কৰা হব বুলি মই ভাবো।

অধ্যক্ষ মহোদয়, মই আন এটা কথাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। সেইটো হৈছে টেকনিকেল হাই এডুকেশ্যন। ডেকা ল'ৰাবিলাকক পাছ কৰি উঠাৰ পিচতে গাঁৱলৈ পঠাই, কিন্তু তেওঁলোক তাত থাকিব নোখোজে। পশ্চিম বঙ্গত এনে কৰিছে যে পাছ কৰিয়েই তিনি বছৰ মফচ্ছল চাৰ্ভিচ কৰিব লাগিব। কিন্তু যিবিলাক ঠাইত আৰু যিবিলাক গাওঁ উন্নত হোৱা নাই সেইবিলাক ঠাইত ডেকা ডাক্তৰবোৰ থকাটো অস্বাভাবিক। এই বিলাক কথালৈ লক্ষ্য ৰাখিব লাগে।

এতিয়া মই আন এটা কথালৈ আহো। সেইটো হৈছে পানী যোগান ব্যৱস্থা। কুৰি দফীয়া অৰ্থনৈতিক আঁচনিৰ দিনত অন্ততঃ এই ব্যৱস্থাটো ঠিক হোৱা উচিত। দিপ টিউবওৱেল আৰু লিফটিং ইৰিগেচনৰ ব্যৱস্থা হোৱাটো উচিত বুলি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীমাল চন্দ্ৰ পেগু—অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰি দুই-আষাৰমান কথা সদনত দাঙি ধৰিব খুজিছো। এক নম্বৰ কথা হয়— যি সকল ডাক্তৰক আজি গাওঁবিলাকত কাম কৰিবলৈ দিয়া হৈছে সেইসকল অভিজ্ঞতা থকা ডাক্তৰ নেকি ? চৰকাৰে পলিচি লৈছে যে পাছ কৰাৰ পিচতে তেওঁলোকক গাঁৱলৈ পঠাই দিয়া হব। মই এই

অভিজ্ঞতা ক্ষেত্ৰত এটা কথা কব খুজিছো যে তেওঁলোক নতুন ডাক্তৰ, অভিজ্ঞতা
নাই আৰু সেই বাবেই তেওঁলোকে ৰাইজক সেৱা কৰিব নোৱাৰে।
আনহাতে, হস্পিতালবোৰত যন্ত্ৰ-পাতি, শৌচ পেচাব পৰীক্ষাৰ সজুলি
নাথাকে, তাৰ ফলত তেওঁলোকে আশানুৰূপ কাম কৰিব নোৱাৰে।
সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে নতুনকৈ পাছ কৰা
ডাক্তৰ সকলক গাঁৱত পোষ্টিং কৰিব নালাগে। অন্ততঃ ১০ বছৰ মান
অভিজ্ঞতা থকা ডাক্তৰকহে গাওঁবোৰত দিব লাগে আৰু তাৰ লগে
লগে স্পেচিয়েল এলাউন্স দিয়াৰ ব্যৱস্থা কৰিব লাগে।

মোৰ সমষ্টিত সেই অঞ্চলত এজন ডাক্তৰ আছে নাম গুলফে।
তেওঁ প্ৰাইভেট প্ৰেকটিচ কৰে। তেওঁৰ হাতত পঞ্চাশ ষাঠিজন ৰোগী
ভাল হৈছে। অথচ সেই ৰোগী বিলাকে মেডিকেল কলেজৰ পৰাও
ঘূৰি আহিছে। আমাৰ তাত থকা ষ্টেট ডিচ্‌পেন্সাৰিত থকা ডাক্তৰ
জনো অভিজ্ঞ ডাক্তৰ নহয়। তাৰ ফলত বেছিভাগ ৰোগীয়েই গুলফে
ডাক্তৰে ভাল কৰি আছে। মোৰ এলডাৰ ব্ৰাদাৰকো তেৱেঁই ভাল
কৰিছে, ভতিজা ল'ৰাটোকো তেৱেঁই চিকিৎসা কৰিছে। এতিয়া আকৌ
কিবা এটা অচিনাকী বেমাৰত বহুত মানুহ মৰিছে। ষ্টেট ডিচপেন্সাৰীৰ
ডাক্তৰে ধৰিব পৰা নাই। তেখেতে কৈছেই। হঠাৎ পৰি যায় আৰু
মাত বোল নোহোৱাকৈ থাকি চব্বিশ ঘণ্টাৰ ভিতৰতে মৰি যায়।
অৱশ্যে তেনে ৰোগীও ডাক্তৰ গুলফেই ভাল কৰিছে। স্বাস্থ্য বিভাগৰ
মন্ত্ৰী মহোদয়ে এইবাৰ ফাকুৱাৰ বন্ধতে মোৰ সমষ্টিলৈ গৈ চাই আহিলে
ভাল হয়। ডাক্তৰজন বেয়া মানুহ নহয় কিন্তু অভিজ্ঞ নহয়।

অধ্যক্ষ মহোদয়, তাৰ পিচত ডাক্তৰ সকলৰ থকা ঘৰৰ বিষয়ে কব
খুজিছো। কমলাবাৰীত যিটো প্ৰাইমাৰী হেলথ চেণ্টাৰ আছে তাৰ
আজি কেবাবছৰো ধৰি মেৰামত কৰা হোৱা নাই। ডাক্তৰ থকা ঘৰত
মানুহ থাকিব নোৱাৰে। নাৰ্চ থকা ঘৰত নাৰ্চ থাকিব নোৱাৰে।
বাহিৰত থকা ভিতৰত থকা একেই কথা হৈ পৰিছে। চাল থনৰ
বাহিৰে বেৰ আদি দৰ্জাকে ধৰি একো নাই। তাৰ বাহিৰেও কৰতী-
পাৰত এজন ডাক্তৰ আছে। তেওঁ থাকিবলৈ ঘৰ নাই। ৰাইজে বাহ্নি

দিয়া এটা পঞ্জাতে থাকি চিকিৎসা কৰি আছে। আহঁতগুৰি হস্পিটালৰ কাৰণে দেড়লাখ নে এক লাখ পচিশ হাজাৰ কিবা এটা টকা আগৰ মহীধৰ পেগু ডাঙৰীয়া এম-এল-এ হৈ থাকোতেই চেংচন হ'ল কিন্তু আজি পৰ্য্যন্ত সেই টকা হোৱা নাই। আচলতে দেখা যায় যে চিকিৎসাৰ কাৰণে অলপমানো মনোযোগ দিয়া নাই। টিয়ক আদি ঠাইৰ পৰা আহি মানুহে যোৰহাটত চিকিৎসা কৰে তাতে আকৌ মেডিকেল হস্পিটালত এক্স-ৰে প্লেট নাই বাহিৰত যি সকলে প্ৰেকটিচ কৰি আছে সেই সকলৰ ওচৰত এক্স-ৰে প্লেট ঢেৰ আছে। বাহিৰত ৰাইজে পোন্ধৰ বিশ টকা খৰচ কৰি এক্স-ৰে কৰিব পাৰে। সাধাৰণ এ-টি-এচ ইনজেকচন এটাও হস্পিটালত নাই। হাত-ভৰি আদি কটা গলে এ-টি-এচ ইনজেকচন দিয়া হয় যদিও সেইবোৰ কেৱল ইনডোৰ পেচেন্টৰ কাৰণেহে আৰু আউটডোৰ পেচেন্টৰ কাৰণে নহয় বুলি কয়। আকৌ যিমতে ৰেকৰ্ড আছে সেইমতে ঔষধ পাতি আদি ব্যৱহাৰ যোগান হৈছে নে নাই চাবলৈ চৰকাৰৰ ফালৰ পৰাও কোনো ব্যৱস্থা নাই। আগতে তেনেকুৱা কমিটি আছিল আৰু সেইবোৰ কথা চাইছিল কিন্তু এতিয়া নাই কাৰণেই সেই বিলাক আচলতে হয় নে নহয় বুজা টান। লোকেল মানুহৰ দ্বাৰা এটা কমিটি কৰি দিলে নিশ্চয় ভাল হব আৰু সেই কমিটিয়ে সময়ে সময়ে চেক-আপ কৰি থাকিব পাৰিব। আকৌ হস্পিটালত ঔষধ পাবলৈ নাই যদিও ফাৰ্মাচীত সেই ঔষধ পোৱা যায় আৰু ফাৰ্মাচীতে নিজে কৈছে যে চৰকাৰী ডাক্তৰখানাৰ ডাক্তৰে দি দিছে বিক্ৰী কৰিবলৈ অৱশ্যে নাম নকলে কোনে দিলে। এই বিলাক কথা চেক-আপ কৰাৰ ব্যৱস্থা কৰিব লাগে। দৰকাৰ হলে ডাক্তৰ সকলে বাহিৰত প্ৰেকটিচ কৰাটো বন্ধ কৰি দিয়া ভাল হব বুলি ভাবো।

অধ্যক্ষ—শেষ কৰক।

শ্ৰীনবল চন্দ্ৰ পেগু—এইখিনি কৈয়েই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীৰামচন্দ্ৰ শৰ্মা—মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি কব খুজিছো যে আচলতে যি সকলে বেমাৰ ভোগা নাই সেই সকলে বেমাৰীৰ কথা নুবুজে। কিন্তু আমাৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক নিজৰে স্বাস্থ্য

ভাল নহয় গতিকে তেখেতে বেমাৰৰ কথা বেছিকৈ বুজে। চন্দ্ৰকমাৰ পেগু ডাঙৰীয়াই কৈছে যে আমাৰ নতুন ডাক্তৰ আৰু পুৰণা ডাক্তৰৰ চিকিৎসাৰ পাৰ্থক্য আছে আৰু বৰা ডাঙৰীয়াই ডাক্তৰ সকলৰ ওপৰত বেছি কষ্ট আৰোপ কৰা হৈছে, বেছি কষ্ট দিয়া হৈছে বুলি কৈছে। মই কব খুজিছো যে আমাৰ মন্ত্ৰী মহোদয়ে ডাক্তৰ সকলৰ কষ্ট লাঘৱ কৰিবলৈহে চেষ্টা কৰিছে। হস্পিটালত ঔষধ নাই। একেটা ঔষধে সকলো বেমাৰত দিয়া হয়। পেটৰ বেমাৰ হলেও ৰঙাপানী আৰু মূৰৰ কামোৰণী হলেও সেই একেই ৰঙাপানী দিয়া হয়। আদি বেছি চাব নালাগে। যেনিবা যি বেমাৰেই নহওক। এটা সৰু উদাহৰণ দিব খুজিছো। নতুন ডাক্তৰ যোৱা বাবে এগৰাকী মহিলাই ভাত খাবলৈ নিমন্ত্ৰণ কৰিলে তুপৰীয়াৰ সাজৰ বাবে আৰু ডাক্তৰ অহাত পলম হোৱা কাৰণে ঘৰত কাম কৰা ল'ৰাজনক ডাক্তৰক মাতি আনিবলৈ পঠিয়াই দিলে কিন্তু ল'ৰাজন যোৱাত ডাক্তৰে সুধিলে যে বটল আনিছে নে নাই সি যিহেতু তাক ডাক্তৰক কেৱল খবৰ দিবলৈহে কৈছিল। একো নজনা কাৰণে বটল অনাই নাই বুলি কোৱাত এটা বটলৰ দাম তিনি অনা লাগিব বুলি কলে আৰু সেইমতে বটল এটাত ঔষধ ভৰাই দি তিনিবাৰকৈ খাবলৈ কৈ দি পঠিয়ালে। মহিলা গৰাকীয়ে কলে যে মইতো ভাত খাবলৈহে মাতিছিলো এইটো কি আনিলি? এয়েই হৈছে অৱস্থা।

( ভইচ: পেগু ডাঙৰীয়াৰ গুলফে ডাক্তৰ ...

গুলফে অলপ ভালেই। নতুনেই হওক পুৰণাই হওক ... কথা ডাক্তৰে নিশ্চয় চাব লাগে। ফেমিলি প্লেনিংৰ কথা মাননীয় সদস্য সকলে কৈছে। পৰিয়াল পৰিকল্পনা সম্পৰ্কত মই কব খুজিছো যে এই ক্ষেত্ৰত বহু সময়ত বহুলোকৰ আপত্তি দেখা যায়। এদিন এজন বুঢ়া মানুহে অলপতে ল'ৰাটোৰ কাৰণে হস্পিটাললৈ ঔষধ আনিবলৈ গৈছিল। তাত ডাক্তৰে সুধিলে আপোনাৰ ল'ৰা-ছোৱালী কেইটা? বুঢ়াটোৱে কলে যে মোৰ ল'ৰা-ছোৱালী তিনিটা। তেতিয়া ডাক্তৰে আহক বুলি মাতি নি এটা ইনজেকচন দিলে। আৰু বাপ্তাৰ দৰা খাবি নি

ইনুজেকচন দিয়াৰ উদাহৰণ বহুতো আছে। এই পৰিয়াল পৰিকল্পনা কৰিবৰ কাৰণে হস্পিটালৰ ঔষধ পাতি কমাই দিছে নেকি মই কব নোৱাৰো। জনস্বাস্থ্য আৰু খোৱা পানীৰ অৱস্থাও একেই। সংস্কৃতত এটা কথা আছে— "তাতস্য কূপো অয়ং
ইতি ব্রুবানা খাৰং
জলং কাপুৰুষা পিবন্তি"।

গেলাপানী খাবলৈ দিয়া বিলাকেই কাপুৰুষ নে খোৱা বিলাকেই কাপুৰুষ মই নকওঁ। সিদিনা অলপতে দৰং আৰু চাৰিআলি কলেজৰ তিনিজন মান প্ৰফেচাৰে পৰিয়াল পৰিকল্পনাৰ ওপৰত কৈছিল যে ডাক্তৰে গাওঁৰ জনসাধাৰণৰ মাজত এই কথা'টা সোমাই দিব নোৱাৰে। প্ৰত্যেক জনগণেই এই কথাটো বুজি পাব লাগিব। ইয়াৰ ভিতৰত দেখা যায় যে ভিতৰুৱা গাওঁবিলাকত বহুতেই পৰিয়াল পৰিকল্পনাৰ অৰ্থ বুজি নাপায়। এজন মানুহৰ তিনি গৰাকী পৰিবাৰ। সৰু গৰাকীৰ তিনিটা ল'ৰা ছোৱালী, মাজু গৰাকীৰ ৬টা আৰু ডাঙৰ গৰাকীৰ ৭টা। গতিকে সৰু গৰাকীয়ে ৮টা সন্তান নহয় যেতিয়ালৈকে পৰিয়াল পৰিকল্পনা নকৰে। গতিকে তেওঁলোকৰ মাজত প্ৰতিযোগিতাৰ নিচিনা হৈছে। গতিকে চৰকাৰে কিবা উপায়ে আইন কৰি পৰিয়াল পৰিকল্পনা ব্যৱস্থা কৰিব লাগে। মহোদয়, আজি দেখা গৈছে আজি স্কুল বা কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত স্বাস্থ্য কেন্দ্ৰৰ ডাক্তৰ সকল গৈ স্বাস্থ্যমূলক পৰীক্ষা নিৰিক্ষা নকৰে। গতিকে ওচৰত থকা ডিচপেনচাৰী বিলাকৰ পৰা সময়মতে ডাক্তৰ গৈ ছাত্ৰ-ছাত্ৰী সকলক পৰীক্ষা কৰি ঔষধ পাতি দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়। আমাৰ ওচৰতে তেজপুৰৰ চিভিল হস্পিতালত অলপতে এজন ডাক্তৰ আৰু ৰোগী একেলগে বেমাৰী অৱস্থাত থাকিব লগীয়া হৈছিল কাৰণ ৰোগী এজনৰ বেমাৰ বেছি হোৱাত হস্পিতাললৈ অনা হৈছিল আৰু ডাক্তৰে বেমাৰী চাওঁতে চিলিং পৰি ডাক্তৰ ও বেমাৰী দুয়োজনৰ আঘাত হয় আৰু ডাক্তৰ সহ বেমাৰীক একেলগে চিভিল হস্পিতেললৈ চিকিৎসাৰ বাবে স্থানান্তৰ কৰিব লগীয়া হৈছিল। আজিও ঘৰ ভাল হোৱা নাই। গতিকে ডাক্তৰে বাহিৰতে বেমাৰী চাব লগা হয়। ডিচ-

পেনচাৰী বিলাকত যাতে ঘৰ দুৱাৰ বিলাক ভাল হয় তাৰ কাৰণে চকু দিব বুলি অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীসুদৰ্শন দাস—মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্যমন্ত্ৰী মহোদয় পৰিবার পরিকল্পনা খাতে যে ব্যয় বরাদ্দের দাবী উথাপন করেছেন তাকে সমর্থন করে আমি শুধু একটি পরামর্শ দিতে ইচ্ছা রাখি।

অধ্যক্ষ মহোদয়, আসামের জনসংখ্যা বৃদ্ধির হার ভারতের অন্যান্য রাজ্যের তুলনায় অত্যন্ত বেশী। গত দশকে সর্ব্ব ভারতীয় লোকসংখ্যা বৃদ্ধির হার যখন ছিল শতকরা ২৪ ভাগ, সেই সময় আসামের লোক-সংখ্যা বৃদ্ধির হার ছিল শতকরা ৩৪ ভাগ। তাই পরিবার পরিকল্পনার মাধ্যমে এই শতকরা ৩৪ ভাগকে কমিয়ে শতকরা ৩০ ভাগে আনার যে পরিকল্পনা নিয়েছেন তা অত্যন্ত প্রশংসনীয়। তবে, যদি এই হারে লোকসংখ্যা বাড়তে থাকে তাহলে ১৯৯১ ইং তে আসামের লোকসংখ্যা গিয়ে দাঁড়াবে ২ কোটী ৪৬ লক্ষতে। অর্থাৎ বর্তমান জনসংখ্যার চেয়ে ১ কোটী বৃদ্ধি পাবে।

অধ্যক্ষ মহোদয়, বর্তমানে আসামে খাদ্য শস্যের ঘাটতি বৎসরে প্রায় চারিলক্ষ টন। যদি আরও এক কোটী জনসংখ্যা বাড়ে তাহলে খাদ্য শস্যের ঘাটতির পরিমান একটি ভয়াবহ রূপ ধারণ করবে৷ তাই, আজ শিক্ষিত সমাজ পরিবার পরিকল্পনা কে অত্যন্ত প্রয়োজনীয় বলে যেনে নিয়েছেন এবং অনেক পরিবার এক্ষেত্রে সংযমের পরিচয় দিয়েছেন। তাই এই ব্যাপারে জনমত গঠন করা প্রয়োজন। কিন্তু একটি কথা আমি উল্লেখ করতে চাই যাতে কারো ইচ্ছার বিরুদ্ধে বা কোন লোককে টাকার লোভ দেখিয়ে যাতে এই পরিকল্পনার উদ্দেশ্য সিদ্ধি করা না হয়।

তাই, আমার পরামর্শ হলো যাতে দাগী চোর, ডাকাত বা কুষ্ঠ-রোগী এবং যারা ভিখারী আছে তাদের প্রত্যেককে যেন এই পরিবার পরিকল্পনার আওতায় আনা হয়। এই বলে আমি আমার বক্তব্য শেষ করছি।

শ্ৰীগিটসিং কোঁৱৰ—মাননীয় অধ্যক্ষ মহোদয়, মেডিকেল জনস্বাস্থ্য খোৱা পানী আদিৰ বিষয়ে মাননীয় সদস্য সকলে নানা ধৰণৰ পৰামৰ্শ আগবঢ়াইছে।

এইবিলাক পৰামৰ্শ যাতে কাৰ্য্যকৰী কৰিব পৰা হয় সেইটোৰে চিন্তা কৰিব লগীয়া বিষয়। কাৰণ ইয়াত টকাৰ কথা আছে। টকা নহলে কোনো কাম নহয়। এই বিষয়ে মাননীয় পেগু ডাঙৰীয়া, শৰ্ম্মা, বৰা ডাঙৰীয়াই কৈ গৈছে। কিন্তু দুখৰ বিষয় হৈছে যে বহুতো সা সুবিধা থকা হস্পিতালতো বহুতো অসুবিধা থকা দেখা গৈছে। আমাৰ গাৱলীয়া হস্পিতাল বিলাকত যক্ষ্মা বেমাৰৰ কোনো ঔষধৰ ব্যৱস্থা নাই। মই নিজে এখন উপদেষ্টা কমিটিৰ চেয়াৰমেন। এই ঔষধ বিলাক যদি হস্পিতাল বিলাকলৈ নিদিয়ে তেতিয়াহলে যক্ষ্মা ৰোগীৰ চিকিৎসা কেনেকৈ হব। এই বেমাৰটো আমাৰ মাজত কিয় ইমান হৈছে কব নোৱাৰো। চাহৰ দোকানৰ বাবে হৈছে নে অতিকৈ পৰিশ্ৰমৰ ফলত হৈছে নে মদ পানী খোৱাৰ কাৰণে এইটো বুজা বৰ কঠিন। গতিকে এই বিভাগটো কৃতকাৰ্য্য কৰি তুলিবলৈ হলে মই ভাবো আমাৰ পূৰ্ণ পৰ্য্যায়ৰ স্বাস্থ্য মন্ত্ৰী গৰাকীয়েও দুই তিনি বছৰৰ এটা ডাক্তৰী প্ৰশিক্ষণ ললে ভাল হয়। কাৰণ আমাৰ ৰাজ্যিক মন্ত্ৰী গৰাকী ডাক্তৰ। যেতিয়া আমাৰ ব্ৰহ্ম ডাঙৰীয়া স্বাস্থ্য মন্ত্ৰী আছিল তেতিয়া এগৰাকী কছাৰী মানুহ আহি কৈছিল যে মোৰ বেমাৰটো চাই দিয়ক। মন্ত্ৰী গৰাকীয়ে কৈছিল মইটো ডাক্তৰ নহও। গতিকে ডাক্তৰৰ ওচৰলৈ যাওক। তেনে পৰিপ্ৰেক্ষিতৰ সন্মুখীন হব লাগে বুলি মই মন্ত্ৰী মহোদয়ক ডাক্তৰী ট্ৰেইনিং লবলৈ কৈছো। বৰ্ত্তমান আমাৰ স্বাস্থ্য বিভাগে এতিয়া মচকুইটো কিলিং কেম্পেইন চলাই আছে। এই ম'হ বিলাকে মেলেৰিয়া বেমাৰ বিয়পায়।

আমাৰ যিটো মেলেৰিয়া বিভাগ আছিল সেইটো এতিয়া উঠিয়ে গৈছে কাৰণ মেলেৰিয়া হেনো নাইকীয়া হৈছে। এই বিভাগটো এতিয়া মেডিকেলৰ লগত মাৰ্জ কৰি দিছে কিন্তু এতিয়া আমাৰ কামৰূপৰ নৰদাৰ্ন পাৰ্ট অৰ্থাৎ ভূটান আদিৰ কাষৰীয়া অঞ্চলবিলাকত এই বেমাৰে দেখা দিছে। গতিকে অতি সোনকালে তাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ বিধান সভাৰ হোষ্টেলৰ ঘৰ বিলাকত ইমান মহ হৈছে যে ৰাতি এখন কাগজো পঢ়িব নোৱাৰো। এইটো এটা বৰ ডাঙৰ কথা গতিকে এই ম'হ বিলাকৰ কিবা এটা ব্যৱস্থা কৰিব লাগে।

তাৰ পিচত এই বিভাগত যে স্বাস্থ্যৰ সংক্ৰান্তত কিছুমান মানুহক মদ খাবলৈ চাৰ্টিফিকেট দিয়ে সেইটো বৰ ঠিক কাম হোৱা নাই কাৰণ ১৮ টকা দিলেই চাৰ্টিফিকেট দিয়ে ফলত যিকোনো মানুহেই ১৮ টকা দি ভাল মানুহেও চাৰ্টিফিকেট লৈ মদ খোৱাৰ ব্যৱস্থা কৰিছে। তাৰ পিচত আমাৰ বহুতবিলাক মহকুমা নতুনকৈ হ'ল কিন্তু সেই মহকুমা বিলাকত আজিও চিভিল হস্পিতাল নাই। গতিকে আমাৰ মন্ত্ৰী ডাঙৰীয়া তেখেত ভাল মানুহে তেখেতে এই বিষয়ে চিন্তা কৰিব। আনহাতে মই এটা কব বিচাৰিছো যে চিকিৎসালয় বিলাক কৰোতে যাতে আঞ্চলিক বৈষম্য নাথাকে— শ্ৰীলক্ষ্মীকান্ত শইকীয়া শক্তিথকা এম, এল, এ, গতিকে তেওঁ বেছি পাব এইটো যাতে নহয় সমানে যাতে হয় তাৰ বাবে অনুৰোধ কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (স্বাস্থ্য মন্ত্ৰী)—অধ্যক্ষ মহোদয়, আজি কৰ্তন প্ৰস্তাৱৰ জৰিয়তে স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত যিখিনি কথা আলোচনা কৰা হৈছে সেই আলোচনাৰ কাৰণে মাননীয় সদস্য সকলক ধন্যবাদ জনাইছো। তেখেত সকলৰ মনোভাবৰ লগত মোৰ নিজৰো একে মনোভাব আৰু এইবিলাক দূৰীকৰণৰ কাৰণে অলপ দিনৰ ভিতৰতে মই যিমান পাৰো চেষ্টাৰ ত্ৰুটি কৰা নাই। টি বি বেমাৰ সম্পৰ্কে যিখিনি কথা আলোচনা হৈছে ১০ বছৰ ধৰি ময়ো নিজে জৰিত হৈ আছো আৰু সেই কাৰণে মই এই বিষয়ে অভিজ্ঞ। মই নিজে এই অৱস্থাৰ কিছু সময় কটাবলৈ চৰকাৰৰ লগত যোগাযোগ কৰিছিলো। এই বিষয়ে মোৰ অভিজ্ঞতা এইটো যে আমাৰ যিবিলাক বেমাৰী সেই বেমাৰী বিলাকে স্বাস্থ্যাশ্ৰমত থকা সময়ত যি ধৰণে থাকে ওলাই আহি প্ৰেচক্ৰাইব কৰিলেও তেওঁলোকে ঔষধ খোৱা দিচকনটিনিউ কৰে আৰু চিন্তাধাৰা পৰিহাৰ কৰে। ফলত কিছু বেমাৰীয়ে ভূগি ভূগি পুনৰ ৰেজিষ্টেট হয় গৈ। গতিকে এই ব্যৱস্থাটো কেনেকৈ উন্নত কৰিব পাৰি সেই বিষয়ে চিন্তা কৰা হৈছে। সেই হিচাবে জিলা পৰ্য্যায়ত কিছুমান ইউনিট কৰি দিয়া হৈছে। কিন্তু তাৰ কাৰণে আমাক বহুত টকাৰ দৰ্কাৰ কিন্তু সেই হিচাবে টকা নাই।

কেনচাৰ সম্বন্ধে মাননীয় সদস্য সকলে কৈছে ডিপ এক্সৰে আৰু

কবাল্‌ট আমাৰ মেডিকেল কলেজত আছে কিন্তু তথাপি আমি বহুত কেচ বাহিৰত ৰেফাৰ কৰিবলগীয়া হয়। এই চিকিৎসা কৰা বৰ টান কাৰণ যি সকল বেমাৰী আমাৰ চিকিৎসালয়লৈ আহে সেইবিলাক একে বেয়া অৱস্থাত আহে। সেই কাৰণে আমি কিছুমান ব্যৱস্থা কৰিছো যিবিলাক পকেট আছে সেই পকেট বিলাকত আমাৰ মেডিকেল কলেজৰ তৰফৰ পৰা মোবাইল ভেনলৈ তালৈ গৈ চাইচিত্তি অহাৰ ব্যৱস্থা কৰা হৈছে আৰু সেইবিলাক খবৰ সংগ্ৰহ কৰি সেইমতে চিকিৎসা কৰাৰ ব্যৱস্থা কৰা হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীপিটসিং কোৱৰ ডাঙৰীয়াই মেলেৰীয়া চাৰিওফালে আকৌ বিয়পা বুলি কৈছে। ১৯৫৮ চনতে মেলেৰীয়া নিৰ্মূল আঁচনি লোৱা হৈছিল আৰু এতিয়া গোটেই ভাৰতবৰ্ষতে মেলেৰীয়া কমিছে আনকি কুইনাইন তৈয়াৰী কৰিবলৈকে বাদ দিলে। এতিয়া আকৌ অৱশ্যে হৈছে আৰু তাৰ কাৰণে বেলেগ ঔষধো তৈয়াৰ হৈছে। কিন্তু এই আঁচনিৰ লগত কোটি কোটি টকাৰ কথা আছে যদি ২-১ বছৰতে আমি টকা পাওঁ তেনেহলে মেলেৰীয়া ইৰাদিকেচন প্ৰগ্ৰেম লব পাৰিম আৰু তেতিয়া সাফল্য নিশ্চয় লাভ কৰিব পাৰিম।

তাৰ পিচত আমাৰ ডাঃ বৰা ডাঙৰীয়াই এটা কথা কৈছে যে মেডিকেল কলেজত আগৰ যি পুৰনা ব্যৱস্থা আছিল আজিও সেই ব্যৱস্থাই আছে নতুন একো হোৱা নাই। সেইটো ঠিক নহয়। ই এণ্ড টি, অৰ্থোপেডিক, চাইকেট্ৰিক, প্লাষ্টিক চাৰ্জাৰী, পেডিয়াট্ৰিক, থোৰাচিক ইৰলজি, ডেন্টেল আৰু নিউৰোলোজি আদি বিভাগ খোলা হৈছে। এই বিলাকত আমি কিছু উন্নত পদ্ধতিৰে চিকিৎসা কৰাৰ ব্যৱস্থা কৰিছো। আমাৰ মাননীয় সদস্য সকলে পাব্লিক হেলথ চেণ্টাৰ বিলাকত দায়েটৰ কথা উল্লেখ কৰিছে। মই নিজেও এই কথাটো ভাল পাইছো। আগতে এই দায়েট চিষ্টেমটো বেয়া আছিল আৰু মই তাক বন্ধ কৰি প্ৰত্যেক ঠাইতে কমিটি কৰিবৰ দিহা কৰিছো আৰু এমাহ মান পাচতে তাৰ প্ৰচলন কৰিম। তাৰ পিচত চেলাইনৰ অভাৱত মানুহ মৰা বুলি কৈছে। মই অৱশ্যে কথাটো নাজানো। সাধাৰণতে চেলাইনৰ অভাৱ হব নালাগে। মই এই বিষয়ে চাম।

পৰিয়াল পৰিকল্পনাৰ সম্বন্ধে মাননীয় সদস্য সকলে উল্লেখ কৰিছে

আমি অৱশ্যে ইয়াৰ এটা লক্ষ্য ঠিক কৰি দিয়া কথাটো সঁচা । মই নিজেও দেখিছো মোৰ ঘৰলৈ যিমান বিলাক মানুহ অহা যোৱা কৰে প্ৰত্যেকেই এই পৰিয়াল পৰিকল্পনাৰ কথা উল্লেখ কৰি যায় । পৰিয়াল পৰিকল্পনাৰ লগত জনসাধাৰণৰ আৰ্থিক দুৰাৱস্থাৰও সম্পৰ্ক আছে । গতিকে কোনোবাই যদি আকৃষ্ট হোৱা নাই তেওঁলোকক ডাক্তৰ সকলে পৰামৰ্শ দিয়ে । আৰু ডাক্তৰ সকলে নিজে নোৱাৰিলে তেওঁলোকে কিছু-মান প্ৰাইভেট এৰেঞ্জমেণ্টৰ জৰিয়তে অন্য মানুহ নিয়োগ কৰাৰ ব্যৱস্থা কৰে । ডাক্তৰ সকলক ৩০০ মানুহৰ অপ্ৰোপ্ৰচাৰ কৰিব লাগে বুলি কোৱা হৈছে হয়, কিন্তু ধৰা বন্ধা কোনো নিয়ম নাই । আৰু তাৰ কাৰণে কোনোবা ডাক্তৰে জোৰ জুলুম কৰিছে বুলি আমি কোনো খবৰ পোৱা নাই । বৰং পৰিয়াল পৰিকল্পনা কেন্দ্ৰ বোৰত বাইজৰ আগতকৈ বেছি আগ্ৰহ হৈছে বুলি আমি খবৰ পাইছো । মাত্ৰ মানুহক মটিভেটেড কৰা কিছু দৰ্কাৰ আছে । কিন্তু এইটো ঠিক জীয়াই থাকিবৰ কাৰণে মানুহৰ পৰিকল্পনা যে লাগিব সেইটোত বিশ্বাস আহিছে । ইয়াৰ ব্যক্তি-ক্ৰম যদি কৰবাত হৈছে সেইটো আঙুলিয়াই দিলে আমি নিশ্চয় চাম ।

চাইল্ড মেটাবনিটিৰ কথা মাননীয় সদস্য সকলে কৈছে বিভিন্ন ঠাইত শিৱীৰ তৈয়াৰ কৰি শিশু কল্যানৰ ব্যৱস্থা কৰিছে । ইয়াত ল'ৰা ছোৱালী আৰু মাতৃ সকলক সকলো ধৰণৰ চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে । অসমৰ বিভিন্ন ঠাইত ট্ৰিপোল ভেকচিন দিয়া হৈছে । অসমৰ ভিতৰত এই ট্ৰিপোল ভেকচিন পোৱা টান । কিন্তু পাৰলৈ কষ্ট যদিও বহুসংখ্যক ল'ৰা-ছোৱালীক এই ভেকচিন দিয়া হৈছে ।

তাৰ পাচত পানী যোগানৰ সম্বন্ধে কও । সেইটো মাননীয় সদস্য প্ৰধানী ডাঙৰীয়াই নিজে কৈছেই যে এই শিতানত যিটো টকা ধৰা হৈছে সেইখিনিয়েই যথেষ্ট নহয় আৰু বেচি টকা লাগে । বৰ্ত্তমান আমাৰ হাতত যিখিনি টকা আছে, সেইখিনি আমি ভাল ভাবে খৰছ কৰিবলৈ চেষ্টা কৰিছো । মাননীয় সদস্য শ্ৰীখাউণ্ড ডাঙৰীয়াই তিতা পানী ডাক্তৰ খানা সম্পৰ্কে এটা অভিযোগ আনিছে । আগৰ তিতা পানী ডাক্তৰ খানা গড়াখহনীয়াত নিচ্ছিন্ন হৈ গৈছে । তিতাপানী ডাক্তৰখানা ক'ত

হব এই সম্পৰ্কে ৰাইজৰ মাজত অলপ কাজিয়া পেচাল বা খেলি মেলি লাগি আছে—ডাক্তৰ খানা ক'ত হব এই লৈ। এইটো আমাৰ আঁচনিৰ ভিতৰত আছে সিদ্ধান্ত হলেই ডাক্তৰো হব আৰু স্থায়ী ব্যৱস্থাও হব।

মাননীয় সদস্য সকলে এনটি ৰেবিজ ভেকচিন অসমত নাই বুলি অভিযোগ আনিছে। এনটি ৰেবিজ ভেকচিন অসমত তৈয়াৰ নহয়। কিন্তু তাৰ অভাব হোৱা নাই। চিলঙৰ পেচটিউৰ ইনচটিটিউটত এইটো তৈয়াৰ হয়, সেই কাৰণে যথেষ্ট পৰিমানে পাই আছো। কিন্তু ভৱিষ্যতে মেঘালয়ৰ জনসংখ্যা বাঢ়ি গলে অসুবিধা হব পাৰে বুলি ভাবিয়েই আমি খানাপাৰাত এটা শাখা খোলাৰ কথা চিন্তা কৰি আছো।

আমাৰ মাননীয় সদস্য প্ৰধানী ডাঙৰীয়াই ডাক্তৰ সকলৰ প্ৰাইভেট প্ৰেকটিচ বন্ধ কৰি দিয়া বুলি কৈছে। কিন্তু ডাক্তৰ সকলৰ প্ৰাইভেট প্ৰেকটিচ বন্ধ ৰখা নাই। কিন্তু দুখীয়া বেমাৰী সকলে যাতে এই ডাক্তৰ সকলৰ সেৱা পায় তাৰ কাৰণে বিভিন্ন ঠাইত মোবাইল ভানেৰে ডাক্তৰ সকলে বিভিন্ন ঠাইত গৈ চিকিৎসা কৰা কথাটো চিন্তা কৰিছো। আৰু আশা কৰিছো গাঁৱলীয়া ৰাইজে এই ব্যৱস্থাৰ দ্বাৰা কিছু হলেও উপকৃত হব।

মাননীয় সদস্য শ্ৰীখাউণ্ড ডাঙৰীয়াই তিয়কৰ কথা উল্লেখ কৰিছে। এই আঁচনি ৭৩ চনতে আৰম্ভ কৰা হৈছিল আৰু ৭৬ চনত নিশ্চয় সম্পূৰ্ণ হব। কিন্তু তেখেতে যি ধৰণে কৈছে সেই ধৰণে নহয়। মাননীয় সদস্য সকলে সাহাৰ্য্য প্ৰাপ্ত চিকিৎসালয়ৰ কথা উল্লেখ কৰিছে। মই মাননীয় সদস্য সকলৰ লগত এক মত। আৰু মই নিজেও এই সাহাৰ্য্য প্ৰাপ্ত চিকিৎসাত সুখী নহয়। সেই কাৰণে এই সাহাৰ্য্য প্ৰাপ্ত চিকিৎসা বিলাকক যাতে চাব চেষ্টাৰ লৈ, ৰাজ্যিক ডিচপেনচাৰীলৈ পৰিণত কৰাৰ সিদ্ধান্ত কৰিছো।

তাৰ পাচত মাননীয় সদস্য সকলে এটা অভিযোগ আনিছে, যে এক্সৰে প্লেট দিব পৰা নাই। কিন্তু আচলতে সেইটো নহয়। হয়তো দুই এটা ক্লিনিকত দুই এদিনৰ কাৰণে নাথাকিব পাৰে কিন্তু ইয়াৰ অভাৱ নহয়। এ টি এচৰ কথাও কৈছো। সকলো ডাক্তৰখানাতে এ, টি, এচ বা সেই ধৰণৰ

ঔষধ থাকে হয়টো কোনোবা সময়ত নহবও পাৰে। কিন্তু সকলো সময়তে যাতে ডাক্তৰখানাত এ, টি, এচ বা সেই ধৰণৰ ঔষধ নোহোৱা হৈ নাথাকে তাৰ চেষ্টা কৰিম। যদি নাই বুলি জনা আছে সেইটো কলে খবৰ কৰিম।

যি যি অসুবিধা আছে সেইবিলাক যাতে দূৰ কৰিব পাৰো আৰু ৰাইজৰ মাজত যাতে বেমেজালি নহয় তাৰ কাৰণে যি ব্যৱস্থা লব লাগে সেই ব্যৱস্থা লবলৈ চেষ্টা কৰিছো আৰু আশা ৰাখিছো আৰু সকলোৰে সহযোগ কামনা কৰিছো। যাতে আপোনালোক সকলোৱে একেলগে থাকি সকলো ক্ষেত্ৰতে সহযোগ কৰে। এইখিনি কথা কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিব খুজিছো আৰু আশা ৰাখিছো যিটো কৰ্ত্তন প্ৰস্তাৱ আছে অনুগ্ৰহ কৰি তেখেত সকলে উঠাই লব।

শ্ৰীসোনেশ্বৰ বৰা—আমাৰ মাননীয় সদস্য ডাক্তৰ ৰবা ডাঙৰীয়াই তেখেতে বন্ধ্যা-কৰণ কৰা কথাটোত বিৰোধীতা কৰা নাছিল। কিন্তু সকলো প্ৰকাৰৰ বিবেচনা কৰি চাইহে কৰাৰ কথা কৈছিল। কাৰণ সকলো ডাক্তৰে এই ক্ষেত্ৰত উপযোগী নহয়। অৰ্থাৎ সকলো ডাক্তৰেই ইয়াৰ নিয়ম নাজানে আৰু ফলত অস্ত্ৰোপ্ৰচাৰৰ পাচত নানা ধৰণৰ অসুখ আদি হব পাৰে।

শ্ৰীমাল চন্দ্ৰ পেগু—মই কব খুজিছো যে, এ, টি, এচ নথকাৰ কথা কোৱা নাই। কিন্তু তেওঁলোকে ইনদ'ৰ পেচেণ্টক দিয়ে। কিন্তু আউটদোৰ পেচেণ্টক নিদিয়ে। অৰ্থাৎ বাহিৰৰ পৰা যোৱা মানুহক নিদিয়ে। মোৰ দ্বিতীয়টো প্ৰশ্ন আছিল—আহতগুৰি ডিচপেনচাৰী সম্পৰ্কে মন্ত্ৰী মহোদয়ে একো কোৱা নাই।

শ্ৰীকবীৰ ৰায় প্ৰধানী—বৰ্ত্তমান পানী যোগানৰ যি ব্যৱস্থা আছে। সেইটো পুৰণি পদ্ধতিতেই আছে। নতুন পদ্ধতিত পানী যোগানৰ কিবা ব্যৱস্থা কৰিছে নেকি, মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীগিবিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী)—দ্বিতীয় কথা হ'ল টকা দিছে বুলি কৈছে কিন্তু প্ৰকৃততে টকাটোৰ এডমিনিষ্ট্ৰেটিভ এপ্ৰোভেল পোৱা হৈছে কিন্তু ফাই-নেন্সিচিয়েল এপ্ৰোভেল হোৱা নাই। টকাটোৰ চেংশন এতিয়াও হোৱা

নাই, কমলাবাৰীত ৩০ খন বিচনাযুক্ত এখন ডাক্তৰখানা হব, আৰু এই ক্ষেত্ৰত চেষ্টা চলাই থকা হৈছে। কৰতিপাৰ আৰু আহতগুৰি এই দুখন ঠাইৰ কাৰণে ডাক্তৰখানা পতাৰ চিন্তা কৰা হৈছে যদিও তাত ঠাইলৈ গোলমলিয়া হৈ আছে সেইটো ঠিক হৈ গলে আমি কামত আগবাঢ়িব পাৰিম। টকাতো আচলতে চেঙ্কশান নোহোৱাৰ কাৰণে এই কামটোত পলম হৈছে। তাৰ পিছত বৰা ডাঙৰীয়াই যিটো কথা কৈছে যে সকলো ডাক্তৰে এই বিলাক কাম কৰিব নোৱাৰে সেইটো নহয়, যিবিলাক ডাক্তৰে কৰিব পাৰে আৰু যি সকল ডাক্তৰে কৰিব পাৰে আৰু যি সকল ডাক্তৰক প্ৰশিক্ষণ দিয়া হৈছে তেওঁলোকক হে এই বিলাক কাম কৰিবলৈ দিয়া হয়।

শ্ৰীসোনেশ্বৰ বৰা—কিন্তু এই ধৰণে টানি আজুৰি আনি কিয় আনিব লগীয়া হয় আৰু তাকে কৰিবলৈ কিছুমান ল'ৰাৰ নিয়োগ কৰা হৈছে আৰু ২০ বছৰ বয়সো হব পাৰে। এই যে ৫ টকা দিয়া হৈছে সেইটো মটিভেশ্যনৰ কাৰণে দিয়া হৈছে। গাৱলীয়া মানুহে এনেবিলাক কামৰ কাৰণে আগবাঢ়ি নাহে সেই কাৰণে তেওঁলোকক এনে কামৰ প্ৰতি আগ্ৰহ জন্মোৱাৰ কাৰণে সেই ল'ৰাবিলাকক মটিভেশ্যনৰ কাৰণে টকা-পইচা দিয়া হয়।

শ্ৰীসোনেশ্বৰ বৰা—কিন্তু সেই বুলি এনেবিলাক কামৰ কাৰণে পকেট মাৰো কিয় নিয়োগ কৰা হয়?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী)—যদি সেইটো সঁচা হয়—তেতিয়াহলেটো পকেট-মৰাতকৈ এইটো নিশ্চয় ভাল কাম।

ডাঃ কোষেশ্বৰ বৰা—টিউবিকটমীৰ যে ট্ৰেইনিং দিয়া হয় ভেচেকটমীৰ ট্ৰেইনিং কিয় দিয়া নহয়, কিন্তু যিবিলাক ডাক্তৰৰ ভেচেকটমীৰ প্ৰশিক্ষণ নাই তেওঁলোকে ফেমেলি প্লেনিংত কাম কৰিব নোৱাৰিব বুলি প্ৰত্যেকখন ডাক্তৰখানালৈ চাৰ্কোলাৰ গৈছে। এই যে ইনচাৰশ্যনৰ ব্যৱস্থা কৰা হৈছে সেইটো ভাৰত চৰকাৰে, অসম চৰকাৰে কাৰ্য্যকৰী কৰিছে?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী)—ইনচাৰশ্যন কৰিবলৈ যাওতে দেখা যায় যে ডাক্তৰ সকলেই বেচি আপত্তি কৰিছে। বৰ্ত্তমান টিউবেকটমীৰ কাৰণে

প্ৰশিক্ষন দিয়া হৈছে কিন্তু ভেচেকটমীৰ কাৰণে দিয়া হোৱা নাই কিয়নো ভেচেকটমীৰ কাৰণে বিশেষ প্ৰশিক্ষণৰ আৱশ্যক নাই। আৰু ইয়াৰ বাবে সিমান প্ৰশিক্ষণৰ দৰকাৰ নাই। কিন্তু টিউবেকটমীৰ কাৰণে প্ৰশিক্ষণৰ দৰকাৰ। চাৰ্কোলাৰ দিয়া হৈছে হয়। মিনিমাম টাৰগেট দিয়া হৈছে আৰু যদি এই ক্ষেত্ৰত কোনোবাই ভাল কাম কৰিছে তেওঁলোকক পুৰস্কাৰ দিয়াৰো ব্যৱস্থা কৰা হৈছে।

মাননীয় অধ্যক্ষ—কৰ্ত্তন প্ৰস্তাৱতো উঠাই লৈছে নেকি ? নাই তেনেহলে পুট কৰো—

The motion is that—বাজেটৰ দাবীৰ ১ম খণ্ডৰ ৩৪৭-৩৮৭ পৃষ্ঠাত "২৮০ চিকিৎসা" শিতানৰ ৪২ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৮,১৯,২৪,৯০০ টকা ১ টকালৈ হ্ৰাস কৰা হওক, অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৮,১৯,২৪,৯০০ টকা ১ টকালৈ হ্ৰাস কৰা হওক।

'The Cut Motion is lost'

Now I put the main motion and the motion is "that a sum of Rs. 8,19,24,900 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1977 for the administration of the head "280-Medical"

"The Motion is passed."

Grant No. 34 উঠাই লৈছে নে ? নাই—

The Motion is that—বাজেটৰ দাবীৰ ১ম খণ্ডৰ ৩৮৮-৪০৫ পৃষ্ঠাত "২৮১ পৰিয়াল পৰিকল্পনা" শিতানৰ ৪৩ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ১,১৮,১৫,৫০০ টকা এটকালৈ হ্ৰাস কৰা হওক, অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ১,১৮,১৫,৫০০ টকা এটকালৈ হ্ৰাস কৰা হওক।

"The cut motion is lost"

Now I put the main motion and the motion is

"that a sum of Rs. 1,18,15,500 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1977 for the administration of the head "281-Family Planning."

"The Motion is passed and the grant is passed."

Grant No. 37: No Cut Motion.

Grant No. 44 উঠাই লৈছে নেকি ? নাই।

I put the cut motion to voice.

That the total provision of Rs. 2,69,92,200 under Grant No. 44, Major head "282-Public Health, Sanitation and Water Supply (I) A-". Public Health and Sanitation at pages 406-436 of the Budget Volume I, be reduced to Re. 1 i. e. the amount of the whole grant of Rs. 2,69,92,200 do stand reduced to Re. 1.

The cut motion is lost.

Now I put the main motion and the Motion is "that the total provision of Rs. 2,69,200 under Grant No. 44, Major head "28-Public Health, Sanitation and Water Supply (I) A- Public Health and Sanitation at pages 406-436 of the Budget volume I, be reduced to Rs. 1 i. e. the amount of the whole grant of Rs. 2, 69,92,200 do stand reduced to Rs. 1.

"The Motion is passed, the Grant is passed."

Now Grant No. 451. There is a cut motion. The motion is—

বাজেটৰ দাবীৰ প্ৰথম খণ্ডৰ ৪৩৭-৪৫১ পৃষ্ঠাত "২৮২-জন স্বাস্থ্য অনাময় আৰু পানী যোগান, খ-মল প্ৰবাহ ও পানী যোগান ও স্বাস্থ্য বিভাগ শিতানৰ ৪৫ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৩, ৭৭, ৪৫, ২০০ টকা এটকালৈ হ্ৰাস কৰা হওক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৩, ৭৭, ৪৫, ২০০ টকা এটকালৈ হ্ৰাস কৰা হওক।

The motion is lost, the cut motion is lost.

I put the main motion now. The motion is that a sum of Rs. 3,77,45,200 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1977 for the administration and Water Supply (B) Sewerage and Water Supply (1) Health Department."

The motion is passed, the grant is passed.

Now item No. 3—Shri Kabir Ch. Roy Pradhani ?

## MATTER UNDER RULE 301

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—অধ্যক্ষ মহোদয়, মই গোলোকগঞ্জ নিম্ন ভাৰতী পাঠশালা, এম, ই, আৰু হাইস্কুলখন জুই লগাই দি সকলো নাশ্‌জুলিবে চাৰখাৰ বাতবিটোলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ আৰু এই বিষয়ত ছুআষাৰমান কবলৈ ওলাইছো।

অধ্যক্ষ ডাঙৰীয়া, আজি দেশত জৰুৰী অৱস্থা চলি থকা অৱস্থাতো আমাৰ দেশত যে এনে দুষ্ট প্ৰকৃতিৰ মানুহ থাকিব পাৰে, অনুষ্ঠান একোটাৰ প্ৰতি আক্ৰোশ থাকিব পাৰে এই বিষয়ে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। এই বিলাক কথাৰ প্ৰতি চৰকাৰে কোনো কাৰ্য্য পন্থা হাতত লোৱা নাই আৰু তদন্ত কৰি কোনো শাস্তিমূলক ব্যৱস্থা

হাতত লোৱা নাই। এই কথাৰ প্ৰতি মই বাজেট ভাষণত, ৰাজ্যপালৰ ভাষণত আৰু ইয়াৰ আগতেও বহুত বাৰ কৈছো। এনে হুস্কাৰ কৰিও মানুহ মুক্ত মনে চলা-ফিৰা কৰি আছে। এনে কাম দুষ্ট প্ৰকৃতিৰ মানুহে কৰিব নোৱাৰে, নিছা খায় ইমবেলেন্স হলেহে এনে কাম কৰা সম্ভৱ। (At 5·02 p. m. Mr. Speaker vacated and Shri Ramesh Mohan Kouli, Chairman occupied the chair)

চেয়াৰমেন মহোদয়, স্কুলৰ নিচিনা এটা পৱিত্ৰ মন্দিৰৰ অৱস্থা আজি এনে হৈছে। এই স্কুলখন জুই লগাৰ দুদিনৰ পিচত মই টেলিগ্ৰাম পাই যাওঁ আৰু মই যোৱাত মানুহে কৈছিল যে এই কাম কোনে কৰিছে আমি কব নোৱাৰো, তবুও বিশ্বাস কৰো দুষ্ট মানুহেই এই কুকাম কৰিছে। জৰুৰী অৱস্থা চলি থাকোতেও এনে কুকাৰ্য্য হোৱাটোৱে প্ৰমাণ দিয়ে যে দেশৰ অৱস্থা দুৰ্বল হৈ পৰিছে। ৰাইজৰ অৱদানেৰে সেই স্কুল খন চেভেন এইটলৈ হৈছিল এম, ই, চেক্সনটোৱে এধক গ্ৰাণ্ট পাইছিল। হঠাতে এই স্কুলখন জ্বলি যোৱাত ৰাইজৰ আজি ১০-১৫ বছৰৰ সকলো অৱদান নাইকীয়া হৈ পৰিল। এই যি সকল লোকে ৰাতিৰ আন্ধাৰত চুৰি ডকাইটি কৰে সেই সকলে পিচদিনা দিনৰ পোহৰত নামাৱলী লৈ সাধু সাজে।

চেয়াৰমেন মহোদয়—আপুনি চমু কৰক।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—যুৱ কংগ্ৰেছৰ আশ্ৰিত আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰা মানুহখিনিয়ে এই কাম কৰিছে বুলি ৰাইজে অনুমান কৰিছে। এই ক্ষেত্ৰত মই দুটা কথাৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি কওঁ যে দুষ্ট প্ৰকৃতিৰ মানুহ খিনিক দমন কৰিব লাগে আৰু ৰাইজৰ সমূহীয়া অনুষ্ঠানটো কেনেকৈ নষ্ট হল তাৰ তদন্ত কৰি ৰাইজৰ প্ৰতি সহায় আগবঢ়াব লাগে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—মাননীয় চেয়াৰম্যান ডাঙৰীয়া, যোৱা ১৮-২-৭৬ তাৰিখে ৰাতি প্ৰায় ১০-৩০ মিনিটত গোলোকগঞ্জৰ নৱভাৰত স্কুল ঘৰটোত জুই লাগে। স্থানীয় ৰাইজে জুই নুমাৰৰ বাবে চেষ্টা কৰে আৰু লগে লগেই ধুবুৰীত থকা ফায়াৰ ব্ৰিগেডৰ অগ্নি নিৰ্বাপক গাড়ীৰ বাবে

খবৰ দিয়া হয়। খবৰ পোৱাৰ লগে লগেই ধুবুৰীৰ পৰা ফায়াৰ ব্ৰিগেড পাৰ্টি ৰাওণা হয়। ফায়াৰ ব্ৰিগেড আৰু ৰাইজৰ চেষ্টাৰ ফলত পুৱতি নিশা তিনিটামান বজাত জুই নুমুৱা হয়।

তিনিটা স্কুল ঘৰৰ ভিতৰত এটা সম্পূৰ্ণ পুৰি যায় আৰু এটা আধা পোৰা হয়। আনটো ক্ষতি নে হোৱাকৈ ৰক্ষা পৰে।

স্কুলৰ হেডমাষ্টাৰৰ এজাহাৰ মতে গোলোকগঞ্জ থানাৰ এটা কেচ (নং ১৫ (২) ৭৬, ইউ-এচ ৪৩৬ আই-পি-এচ) ৰেজিষ্টাৰ কৰা হয়। এজাহাৰত দিয়ামতে কোনো দুৰবৃত্তই জুই লগোৱা বুলি সন্দেহ কৰা হয়। ক্ষতিৰ পৰিমাণ প্ৰায় পঞ্চাশ হাজাৰ টকা হব।

এই সম্পৰ্কে পুলিচে তদন্ত চলাই আছে। জুই লগাৰ কাৰণ এতিয়াও জনা নাই। এতিয়ালৈকে কাকো আটক কৰা হোৱা নাই।

চেয়াৰম্যান মহোদয়, মাননীয় সদস্য গৰাকীয়ে দুবৃত্তৰ হাত আছে বুলি সন্দেহ কৰিছে। তেখেত্তে এইটো কথাও কৈছে যে তেখেতে জানে আৰু আনেও জানে এই কাম দুবৃত্তৰ কাম বুলি। কিন্তু নাম কৰলৈ ভয় কৰিছে কিজানি দুৰবৃত্তই উপদ্ৰৱ কৰে। তেখেতে কিন্তু সংকোচ নকৰাকৈ যুৱক কংগ্ৰেছৰ কথা কৈছে। আনহাতে তেখেতে দুবৃত্তৰ নাম কৰলৈ ভয় কৰিছে। এইটো ঠিক যে তেখেতে যুৱক কংগ্ৰেছৰ নাম কোৱাৰ কাৰণে ভয় কৰা নাই। কিয়নো যুৱক কংগ্ৰেছৰ নাম কলেও প্ৰধানী ডাঙৰীয়াক যুৱক কংগ্ৰেছে একো কৰিব নোৱাৰে। যিবিলাক দুৰবৃত্তই এই কাম কৰিছে, সেই বিলাকৰ নাম কৰলৈ প্ৰধানী ডাঙৰীয়াই ভয় কৰিছে। গতিকে এইটো কাৰ দ্বাৰা সংঘটিত হৈছে সেইটো সহজে অনুমেয় আৰু কব পাৰি। যিসকল দুৰবৃত্তৰ নাম কৰলৈ ভয় কৰিছে, সেই সকল দুৰবৃত্তই এই কাম কৰিছে। এতিয়া পুলিচৰ কাৰণে এই কামটো কিমান টান হৈ আছে সেইটো চেয়াৰম্যান ডাঙৰীয়াই নিজে অলপমান বিবেচনা কৰিলেই বুজিব পাৰিব। মাননীয় সদস্য এজন প্ৰভাৱশালী ব্যক্তি। তেখেতেই যদি ভয় কৰে অন্যৰ কাৰণে কথাই নাই। তেতিয়াহলে পুলিছে কেনেকৈ খবৰ লয়। ওচৰে পাজৰে থকা লোকৰ পৰাইটো পুলিচে খবৰ কৰিব লাগিব। হেডমাষ্টাৰ আৰু তাৰ

ওচৰ পাজৰৰ পৰাইটো পুলিচে শৃংখলত্ৰ উলিয়াব লাগিব। কিন্তু সকলোৱে যদি ভয় কৰে তেনেহলে দুৰ্বৃত্ত উলিয়াবলৈ টান হৈ পৰিব। সেই কাৰণে চেয়াৰম্যান ডাঙৰীয়া, মই অনুৰোধ জনাইছো যাতে মাননীয় সদস্যইও অলপ সহায় কৰে, বাইজেও সহায় কৰে, হেডমাষ্টাৰ আৰু অন্যান্য শিক্ষক সকলেও, খৱৰ জনা কিজনেও যদি পুলিচক খবৰ দিয়ে, তেতিয়াহলে দুৰ্বৃত্তক ধৰিব পৰা হব। এতিয়ালৈকে পুলিচে ধৰিব পৰা নাই। ধৰিলেই জধে মধে ধৰা বুলি জগৰ লাগিব। সেই কাৰণে পুলিচক অলপ সহায় কৰিবলৈ মাননীয় সদস্য গৰাকীক অনুৰোধ জনাইছো।

( ভইচ : সাহায্যৰ কাৰণে )

সেইটো যিমানদূৰ পাৰি বিবেচনা কৰি চাম।

## Adjournment

**Shri Ramesh Mohan Kouli ( Chairman )**—The House stands adjourned till 10 A. M. tomorrow.

The House then rose at 5-15 p. m. and stood adjourned till 10 A. M. on Wednesday, the 10th March, 1976.

P. D. Barua
Secretary,
Assam Legislative Assembly

Dated : Dispur
The 9th March, 1976